জগদ্গুৰু

শ্ৰীমন্ত শঙ্কৰদেৱৰ বাল্য লীলা ও জন্মভূমি

# বটদ্ৰৱা থানৰ চৰিত্ৰ


ঃ লিখক ঃ

শ্ৰীৰমাকান্ত মুক্তিয়াৰ



পদ্ম প্ৰকাশ

মৰিগাঁও ঃ অসম

২০০১

Batadrawa Thanar Caritra: A chronicler record depicting the boyhood years of Jagad-Guru Srimanta Sankaradeva, written by Ramakanta Muktiar, Nagaon, Assam and Published (Reprinted) by Sri Golap Chandra Nath for and on behalf of Padma Prakashan, Marigaon, Assam. 2001 **Price: Rupees Forty only.**

©

প্ৰকাশক—
শ্ৰীগোলাপ চন্দ্ৰ নাথ
পদ্ম প্ৰকাশন,
মৰিগাওঁ ঃ অসম

সম্পাদিতৰূপত
পুনৰ মুদ্ৰণ - ৫৫২ শঙ্কৰাব্দ

মূল্য ঃ চল্লিশ টকা মাত্ৰ

মুদ্ৰণ ঃ
একাডেমী প্ৰিণ্টাৰ্ছ
জালুকবাৰী, গুৱাহাটী-১৪

জগদ্গুৰু

শ্ৰীমন্ত শঙ্কৰদেৱৰ বাল্য লীলা ও জন্মভূমি

# বটদ্ৰৱা থানৰ চৰিত্ৰ

.................

..............


ঃ লিখক ঃ

শঙ্কৰদেৱ
সঙ্ঘ ও প্ৰচাৰ
কাৰ্য্যালয়ৰ প্ৰতিষ্ঠাপক,
আসাম প্ৰাদেশিক
শ্ৰীশ্ৰীশঙ্কৰদেৱ সঙ্ঘৰ সভাপতি,
মহাপুৰুষীয়া বৈদিক ভাগৱতী একশৰণ
নাম ধৰ্ম্মৰ প্ৰচাৰক—আই কণকলতা চৰিত্ৰ,
অন্ত্যেষ্টি ক্ৰিয়া বিধান, দহা কামৰ সমালোচনা,
তৰাদৈ গাভৰু, ইত্যাদি কিতাপৰ লিখক—

**শ্ৰীৰমাকান্ত মুক্তিয়াৰ**

নগাঁও ঃ অসম

# প্ৰকাশকৰ একাষাৰ

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনা প্ৰৱৰ্ত্তিত, প্ৰতিষ্ঠিত মহাপুৰুষীয়া ভক্তি ধৰ্ম্মৰ একান্ত অনুগামী, একান্তশৰণ পৰায়ণ, শঙ্কৰ প্ৰাণ ৰমাকান্ত মুক্তিয়াৰ (ভূঞা) আতাৰ জন্ম হৈছিল ১৮৬৮ চনৰ ফাগুন মাহৰ শুক্লা ত্ৰয়োদশী শনিবাৰে। বৰদোৱা থানত থকা কালত তেখেতে দেখুওৱা আন্তৰিকতা, দৃঢ়তা আৰু যোগ্যতাৰ বাবেই বংশীধৰ গোস্বামীয়ে তেখেতৰ অধিকাৰত থকা নৰোৱা, বটদ্ৰৱা, ৰামপুৰ, বালিসত্ৰ আৰু পাটবাউসী থানৰ সম্পূৰ্ণ পৰিচালনাৰ দায়িত্ব ৰমাকান্ত ভূঞাৰ ওপৰতেই অৰ্পণ কৰি "অমোক্তাৰনামা" কৰি দিছিল। সেয়ে আতাক ৰমাকান্ত মুক্তিয়াৰ নামেৰে জনা যায়। বটদ্ৰৱা থানত থকা কালতে তেখেতে 'জগদ্গুৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ বাল্যলীলা তথা জন্মভূমি বটদ্ৰৱা থানৰ চৰিত্ৰ' নামেৰে পুথিভাগ লিখি প্ৰকাশ কৰিছিল, যাৰ ওপৰত গুৰুজনাৰ প্ৰপন্ন সেৱক সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাদেৱে এক গুৰুত্বপূৰ্ণ মন্তব্য প্ৰকাশ কৰিছিল। ইয়াৰ উপৰিও তেৰাই "আই কনকলতাৰ চৰিত্ৰ" আৰু "তৰাদৈ গাভৰু" নামৰ এভাগি উপন্যাস লিখাৰ উপৰিও শ্ৰীমন্ত শঙ্কৰদেৱ বিৰচিত "ৰাম-মালিকা" নামৰ এখন দুষ্পাপ্য অমূল্য পুথি পুনৰুদ্ধাৰ কৰি প্ৰকাশ কৰিছিল।

কালক্ৰমে আতাপুৰুষৰ অক্লান্ত শ্ৰমৰ এই পুথিসমূহ একেবাৰে লুপ্তপ্ৰায় হ'ল। বৰ্ত্তমানৰ নপুৰুষে আতাপুৰুষজনাৰ জীৱন গাথাৰ লগত অপৰিচিত হৈ পৰিল। আতাৰ সাহসী পদক্ষেপ আৰু অক্লান্ত শ্ৰমৰ ফলত আজি বিশ্বৰ দৰবাৰলৈ আগবঢ়া শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ প্ৰথমে ১৯২৮ চনত পলাশনি (কেঢ়ালি) গাঁৱত 'একশৰণ নাম-ধৰ্ম্মৰ প্ৰচাৰ কেন্দ্ৰ' ৰূপত আত্মপ্ৰকাশ কৰিছিল। পিতৃ শ্ৰীপদ্মকান্ত নাথদেৱৰ পুণ্য কৰ্ম্মৰ ফলস্বৰূপে আতাপুৰুষৰ পদৰেণু পোৱাৰ সৌভাগ্য আমাৰ হৈছিল। আতাপুৰুষৰ দ্বাৰা লিখিত আৰু প্ৰকাশিত পুথিসমূহ পুনৰুদ্ধাৰ কৰি প্ৰকাশ কৰাৰ চিন্তাৰ মূলতে আমাৰ পিতৃদেৱৰ অনুপ্ৰেৰণা আৰু সাহাৰ্য্য।

বৰ্ত্তমান সংস্কৰণটি যুগুত কৰোঁতে পূৰ্ব্বৰ সংস্কৰণ দুটাৰ সহায় লোৱা হৈছে। কিন্তু উক্ত সংস্কৰণকেইটাত ছপাৰ ভুল দেখাৰ। তদুপৰি মূল পুথিখনো অৰ্থাৎ আতাৰ স্বহস্ত লিখিত পাণ্ডুলিপিটো উদ্ধাৰ কৰিব পৰা ন'গল। তত্ৰাচ

ছপাৰ ভুল বুলি ভৱাখিনি যথাসম্ভৱ শুধৰাই ছপাৰ উপযোগীকে যুগুতাই লোৱা হৈছে। তাকে কৰোঁতে বাক্য গাঁথনি তথা ভাষাৰ গাত হাত দিয়া হোৱা নাই— অথবা মূল বক্তব্যত হাত দিবলৈ কোনো প্ৰয়াস কৰা হোৱা নাই। আতাপুৰুষজনাৰ বচন ভঙ্গী আৰু লেখাৰ ধৰণ প্ৰায় একেই। কাজেই ঠায়ে ঠায়ে ভাৱৰ উচ্ছ্বাসে বাক্য গাঁথনিক প্ৰভাৱিত কৰা যেন হৈছে। বানান বিভ্ৰাত আঁতৰোৱাৰ কাৰ্যত ড° ধৰ্মেশ্বৰ চুতীয়া বাপে আমাক সহায়ৰ হাত আগবঢ়াইছে। তৎসত্বেও ঠায়ে ঠায়ে বানান বিভ্ৰাত থাকি যোৱাটো অসম্ভৱ নহয়। জ্ঞাত-অজ্ঞাত ক্ৰুটী-বিচ্যুতিৰ বাবে আমি পঢ়ুৱৈ সমাজৰ ক্ষমা প্ৰাৰ্থনা কৰিছোঁ।

আতাপুৰুষৰ ৰচনাসমূহ বৰ্ত্তমান দুষ্প্ৰাপ্য হৈ পৰাত সিবিলাক ক্ৰমান্বয়ে পুনৰ মুদ্ৰণৰ আঁচনি হাতত লোৱা হৈছে। আজি আমাৰ প্ৰথম পদক্ষেপ হিচাবে এই পুথিভাগ ভকতৰ হাতত তুলি দিবলৈ আগবঢ়া হৈছে। এই কাম ভাগিত স্বনামধন্য বৈষ্ণৱ পণ্ডিত শ্ৰীযুত সোণাৰাম চুতীয়া আতা, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ সাহিত্য শাখা সমিতিৰ সম্পাদক ড° ধৰ্মেশ্বৰ চুতীয়া, সঙ্ঘৰ প্ৰক্তন প্ৰধান সম্পাদক শ্ৰীযুত মুখ্যেশ্বৰ শইকীয়া বাপ কিজনাই আমাক যথেষ্ট অনুপ্ৰেৰণা যোগাইছে। তেখেতসকলৰ প্ৰতি আমাৰ আন্তৰিক শ্ৰদ্ধা প্ৰকাশ কৰিলোঁ।

বানান বিভ্ৰাত যথাসম্ভৱ দূৰ কৰি পুথিভাগ ছপাই দিয়াত ড° ধৰ্ম্মেশ্বৰ চুতীয়া বাপ তথা একাডেমী প্ৰিণ্টাৰ্ছৰ কৰ্মকৰ্ত্তাসকললৈ আমাৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

"জয় গুৰু শঙ্কৰ"

সেৱাৰে —
শ্ৰীগোলাপ চন্দ্ৰ নাথ
"পদ্ম প্ৰকাশন"

মৰিগাওঁ, নভেটি
৩১.০১.২০০১

## ২য় তাঙৰণৰ পাতনি

বটদ্ৰৱাৰ ২য় তাঙ্গৰণৰ পাতনি লিখিবলগিয়া বিশেষ একো নাথাকিলেও গুৰুত্বপূৰ্ণ কথা এটা আছে। ১ম তাঙৰণ কিতাপখনি প্ৰকাশ হোৱাৰ লগে লগে ১ম খনিকে ৺লক্ষ্মীনাথ বেজবৰুৱালৈ পথালো। বাঁহীত সমালোচনা কৰি ৰাইজক কিতাপখনি চিনাকি কৰি দিবলৈও খাটনি কৰি চিঠি এখনি লিখিলোঁ। চৰিত্ৰ সম্পৰ্কীয় সমালোচনা আগেয়েও লিখাৰ অভ্যাস আছিল। বাঁহীত সমালোচনা নকৰো বুলি এখনি দীঘলীয়া বহুমূলিয়া চিঠি লিখি মোৰ সলাগো ললে, ভয়ো খুৱালে।

"কিতাপখনি লিখি প্ৰসংসা ল'বলৈ মোলৈ পঠোৱাৰ বাহিৰে আৰু অন্যলৈ নপঠাবা। কাৰণ তুমি যি জন শঙ্কৰদেৱৰ আৰু জন্মভূমি বটদ্ৰৱাৰ সংগ্ৰহ কৰিছা, আসামৰ গোঁসাইসকলে, বিশেষকৈ মহাপুৰুষীয়া নাম কৈ অসমীয়া ৰাইজক বিশ্বাসঘাটক কৰি খাই থকা মহন্তসকলে এইজনা শঙ্কৰদেৱৰ নামকে নুশুনে। অন্য কি তোমাৰ বটদ্ৰৱাৰ গোঁসাই-ভকতেই বটদ্ৰৱা কিতাপৰ বিৰুদ্ধে প্ৰতিবাদ কৰাৰহে সম্ভাৱনা আছে। বৰদোৱাৰ বাট-পদুলী, ঘৰ-দুৱাৰ ভাল কৰিবলৈ টকা পয়ছা দিয়া, মান-সন্মান কৰা, বুদ্ধি পৰামৰ্শৰে সহায় কৰা দূৰৰ কথা গোছৰ কৰি বন্ধ কৰিবলৈ সাজু হৈছে। মহাপুৰুষীয়া ধৰ্ম্মৰ আভাষ যিটো দিছা, সেইদৰে কাম কৰিবলৈ গ'লে, মহাপুৰুষীয়া নামৰ মহন্তখিনিৰ পৰা, বিশেষকৈ বৰদোৱাৰ ভকত-মহন্তৰ পৰাই প্ৰাণৰ হতাহত হ'ব। সাৱধান। এটা কথা মাত্ৰ, বৰদোৱাৰ ভকত-মহন্তই হওক বা কামৰূপীয়া ভগনীয়া হৈ যোৱা উজনীয়া মহন্তই হওক, শঙ্কৰদেৱৰ দুশ বছৰ মানৰ পাছত চৰিত্ৰ লেখকসকলে বঙ্গাল দেশৰ পৰা ৰাধিকাক নি শান্তিজান বন্ধাত থিয় কৰাই লৈ সত্ৰবোৰত ৰাধাকৃষ্ণৰ যুগলমূৰ্ত্তি প্ৰতিষ্ঠা কৰিলে—বটদ্ৰৱা কিতাপতো সেই ৰাধিকাই আসন পোৱাটোত ভকত মহন্তসকলে সাদৰেৰে মূৰ চপৰাব। পাছে শান্তিজান বন্ধাত ভ্ৰষ্ট বৌধ ধৰ্ম্মত প্ৰৱৰ্ত্তা মানুহৰ মাজৰ পৰাই এজনী শান্তি উলিয়াই ভ্ৰষ্ট তান্ত্ৰিক পথত চলা লোকসকলৰ মুখ মাৰিছিল; সেই শান্তিৰ নাম ৰাধিকা নহয়; মই পিতৃদেৱতা ৺দীননাথ বেজবৰুৱাৰ মুখে ব্যাখ্যা কৰা পুথিও শুনিছিলো। এতিয়া মোৰ হততো নাই, মনতো নাই। দ্বিতীয় ভাগ বটদ্ৰৱাও তোমাৰ পৰা সংগ্ৰহ হৈ ওলাব বুলি আশা কৰিলো। ৺পিতৃদেৱতাৰ সংগৃহীত তথ্যখিনিয়ে বটদ্ৰৱাত ঠাই পোৱাত আনন্দ পাইছোঁ, ধন্যবাদ জনাইছোঁ।"

লক্ষ্মীনাথ বেজবৰুৱা।

নানা তৰহৰ সমালোচনামুলক চিঠিখন কিতাপ আকাৰে ছপা কৰিবলৈ সজাওঁতেই ভিতৰৰ দুই চাৰিটা কথা মুখে মুখে চলি থকা অৱস্থাত বটদ্ৰৱাৰ ভিতৰৰ ভকত মহন্তৰ দূৰেই থাওক, বাহিৰৰো বহুত শিক্ষিত, গণ্যমান্য লেখকৰ পৰাও বিখ্যাত গোস্বামী মহন্তৰ পৰাও অত্যাচাৰ মূৰ পাতিব লগা হ'ল। সেইবোৰ কিতাপ বা চৰিত্ৰত চমু বিবৃতিকো বটদ্ৰৱা দ্বিতীয় তাঙ্গৰণত প্ৰকাশ কৰিবলৈ সুবিধা পালো। শান্তিৰ নাম চাৰিটা পাইছোঁ—মাক বাপেকে দিয়া নাম সুমথিৰা, বিয়া দিয়া (জোৰা ছোৱাই) নাম জয়ন্তী, গিৰিয়েক পূৰ্ণানন্দই দিয়া নাম তৰাৱতী। পূৰ্ণানন্দৰো আগৰ কিবা এটা নাম হে আছিল। বিয়াৰ দিনা দিয়া নামহে পূৰ্ণানন্দ। শান্তিৰ চৰিত্ৰ সম্পৰ্কে বটদ্ৰৱা থানত ফল্গোৎসৱৰ দিনা সভাঘৰত গোটেই দিন ৰাতি তিৰোতা সকলে নাম গায়। অসমীয়া তিৰোতাৰ কাল্পনিক কবিত্বৰ ক্ষমতা ইমান বেছি, তাক বহি লৈ দকৈ চিন্তা কৰিলেহে বুজিব পাৰি। একোখন বিয়াত দৰা ও কইনাঘৰীয়া দুয়ো ফৈদ নামতিয়ে সেই সময়ত ঘটা কৰ্ম্ম পদ্ধতিবোৰ দেখি দেখি সৎ ভাৱেৰে বা অসৎ ভাৱেৰে ইমান গাঁঠিব যে বিদগ্ধ পণ্ডিত সাহিত্যিকেও তিষ্ঠিব নোৱাৰিব। সেইদৰেই ফল্গুৎসৱৰ দিনটোক কৈৱৰ্ত্ত তিৰোতাসকলে শান্তিজান প্ৰতিষ্ঠাৰ দিন, শান্তিৰ গুণ, লগতে অসমীয়া তিৰোতাৰ ৰাজষিক, তামষিক, সাত্বিক তিনি গুণেৰে বৰ্ণনা কৰি তিনি ভাগে অসংখ্য গীত-পদ গায়। অন্য জাতীয় তিৰোতাবিলাকে সেই দিনটোক শঙ্কৰদেৱ কুসুম্বৰ ভূঞাঁৰ পুতেক গুছি উৰিষ্যাৰ বিশ্বকৰ্ম্মাই সজা মহানিম কাঠৰ জগন্নাথৰ বিকৃত মুৰ্ত্তি আহি বৰদোৱাত 'দৰশিত সুন্দৰ/ গৌৰ কলেৱৰ/ যৈচন সুৰ পৰকাশ' ৰূপে দেখা দিছেহি। কোনোবাই গাই, জগন্নাথৰ স্বপ্নৰ আদেশত জগদীশ মিশ্ৰই ভাৰতৰ নানা তৰহৰ গল্প-উপন্যাস পৰমাৰ্থৰ লগত ৰহস্যপূৰ্ণ বহল ব্যাখ্যাৰ প্ৰকাণ্ড শ্ৰীমদ্ভাগৱত দ্বাদশ স্কন্ধ আনি, শঙ্কৰদেৱক দি, জগন্নাথৰ পূৰ্ণ প্ৰভাৱ শঙ্কৰদেৱৰ গাত স্থাপন কৰি মুক্তি লাভ কৰাত, তেওঁৰ অন্ত্যেষ্টি ক্ৰিয়া আৰু এই দিনাই অসমৰ বৈদিক বিদগ্ধ পণ্ডিত কৱি ও সাহিত্যিক ব্ৰাহ্মণসকলে শঙ্কৰদেৱক পূৰ্ণ কৃষ্ণ ভগৱন্তৰ গুণ স্থাপন কৰি শৰণীয়া হোৱাত, মহাপুৰুষৰ প্ৰকাশিত বৈদিক ভাগৱতী এক শৰণ নামধৰ্ম্মৰ জন্মৰ ও প্ৰকাশৰ আৰম্ভণিৰ দিন। কোনোবাই গায় চ্যবন মুনিয়ে ডেকা কালত তপস্যা কৰি বুঢ়া কালত গাভৰু ছোৱালী বিয়া কৰাই 'দশনবিহীন কুত্তা যেন/ হাৰ ছোবাইবাক নপাৰয়/ জিহ্বা লৰবৰ কৰি মাত্ৰ চেলেকয়' হোৱাত অশ্বিনীকুমাৰৰ হতুৱাই অসমত লিখা আয়ুৰ্ব্বেদৰ মতেৰে দ্ৰব্যগুণৰ বলেৰে বুঢ়া মানুহ ডেকা (হৈ বিষয় ভোগ কৰা) হোৱাৰ দৰব গোটোৱা চ্যবনপ্ৰাশৰ আলি পুখুৰী নামেৰে জনাজাত হৈ থকা কুণ্ডতো, আৰু তাৰ পাৰত থকা বৰ গছজোপাৰ তলত থকা শঙ্কৰদেৱ জন্ম হোৱা ভেটিটো, ভৱিষ্যতে জননী জন্মভূমি বুলি মাতৃ যোনীত সেৱা কৰা, পূজা

কৰা, দৰ্শন-স্পৰ্শন কৰা নীতি ধ্বংস কৰি তাৰ ওপৰত আকাশৰ পৰা গঙ্গা নমাই, দিনে ৰাতিয়ে পানীৰ তলত বহি যোগ অভ্যাস কৰাৰ ফল, কাললৈ থকাকৈ আকাশী গঙ্গা কৰাৰ দিন বুলি গীত, পদ, ঘোষাৰে নাম গাইছিল। সেই সময়ত মই এইবোৰৰ ভিতৰত কিমান দ কথা সোমাই আছিল, চিন্তা নকৰিছিলোঁ। বেজবৰুৱাৰ চিঠিখনৰ পৰাহে চিন্তাৰ ধাৰা সলনি হৈছিল। দুৰ্ভাগ্যৰ বিষয় সেইবোৰ একো সংগ্ৰহ কৰিব নোৱাৰিলোঁ। কাৰণ সেই সময়ত বৰদোৱাৰ গোঁসাইৰ ভকতৰ লগত কাজিয়াই দেখা দিলেই। ভাদ্ৰৰ ২য়া তিথিত শঙ্কৰদেৱৰ শ্ৰাদ্ধত কোচবিহাৰৰ ৰজাই লেখোৱা, পীতাম্বৰ ভট্টাচাৰ্য্যৰি আৰু বঙ্গালদেশৰ ৰঘুনন্দন ভট্টাচাৰ্য্যৰ অবৈদিক ক্ৰিয়াকাণ্ডৰ বিধি-বিধান আনি (যিবোৰ বিধিৰে হাঁহ, পাৰ, কুকুৰা, গাহৰি, বগা ম'হ বলি বিধান দিয়াৰ বাহিৰেও নৰবলি পৰ্য্যন্ত হোৱা ব্যৱস্থাবোৰ, ৰজাই খং উঠি কটাই পেলাইছিল) সেই বঙ্গালৰে কৃষ্ণৰাম ভট্টাচাৰ্য্য ও পদ্মনাভ ভট্টাচাৰ্য্যই আনি ৰাজশক্তি হস্তগত কৰি মহাপুৰুষীয়া ধৰ্ম্ম ধ্বংস কৰিবলৈ ধৰোঁতে অসমীয়াই বঙ্গালৰ অবৈদিক নীচ ভাৱৰ যুক্তিশূন্য ধৰ্ম্ম মানি নলৈ নিজৰ কৃষ্টি সভ্যতা ৰক্ষা কৰিবলৈ যাওঁতে দুই পক্ষৰ ১২ লাখ অসমীয়াই প্ৰাণ ত্যাগ কৰিলে। শেষ পৰিণাম মানৰ হতত অসমীয়াৰ নাম লুপ্ত হৈ বঙ্গাল ভাৱেৰে গঢ়া ইংৰাজ শাসন হৈছিল। আজিও সেই বিধিৰেই শঙ্কৰদেৱ, মাধৱদেৱ প্ৰেত আৰু দাস হৈ বৰদোৱা-বৰপেটা থানৰ নামঘৰৰ ভিতৰত নাম বন্ধ কৰি ভূত-প্ৰেত-দাইনি-যোগিনী, পঞ্চদেৱতাৰ, ষোড়শ মাতৃকাৰ পূজাৰ লগতে নৰ্কত আছে যদি পিণ্ডতো খোৱা বুলি দিয়াতো উঠাই দিয়া হ'ল। সেই বুলি চান্দ্ৰ মতৰ তিথিতো উঠাব পৰা নাই, চেষ্টাও কৰা নাই।

শান্তিজানৰ পৰা থানৰ ভিতৰলৈকে মটৰ যাব পৰাকৈ আলি বন্ধা হ'ল। ইটাৰ পকা ভেটিৰ ওপৰত টিনৰ নাম ঘৰ সজা হ'ল। মকৰ্দ্দমাৰেও বন্ধ কৰিব পৰা নহ'ল যেতিয়া তেওঁলোকৰ মনেৰে মহাপুৰুষীয়া ধৰ্ম্ম ধ্বংশ কৰাই হ'ল। এনে অৱস্থাত এই মুখে মুখে থকা গীত-পদবোৰ মোৰ হাতত পৰিলে ৰাধিকা শান্তি আইৰ নামেই লুকাব। তেতিয়া ৰাধা-কৃষ্ণৰ নামো লুপ্ত হয়। আমাৰ পৰমাৰ্থ চৰ্চ্চাত কৃষ্ণ আহি শঙ্কৰ হ'ল, ৰাধা আহি ৰাধিকা শান্তি হ'ল, যদুবংশীসকল আহি আমি ভকত-মহন্ত হৈছোঁ বোলা কথাৰ শুং-সূত্ৰই নাথাকিব। অনেক পুৰুষাৰ্থ কৰি মোৰ হাতত নপৰাকৈ বন্ধ কৰিলে। গতিকে সেই গীত-পদবোৰ মোৰ পক্ষে দুষ্প্ৰাপ্য হ'ল। নৰকত আছা যদি পিণ্ড খাবা বুলি আকাশীগঙ্গাখনকে নৰ্ক সাজি প্ৰধান নগৰবোৰৰ কিনাৰৰ নৈবোৰত দুৰ্গা পূজা উটোৱাদি মহা পয়োভৰেৰে পিণ্ডটো উটোৱাতো বৰদোৱাৰ পৰা আঁতৰিল, কিন্তু ভকত-মহন্তসকলৰ ঘৰে ঘৰে দহা কাযত পঞ্চ প্ৰেতৰ পূজা, একোদিস্ত সপিণ্ডন নামৰ শ্ৰাদ্ধত গ্ৰাম্য-দেৱতা, বন-

দেৱতা, ঋষি-পত্নীসকলৰ চৰণতো পূজা চলি আছে। তলত লিখা সুকন্যা সুন্দৰীৰ গীতত আছে, বঙ্গাল ব্যাৰে কুৰি ঢেকেৰি চকুৰিয়ে শঙ্কৰত শৰণলৈ উজাই আহিল; আমাৰ বাৰিৰ ঘাঁহে গোহালীৰ গৰুৱে ৰাহি নহ্য অসমীয়া জাতিয়ে দোলা খাটোলাৰে ভাৰ বৈ আনি গাঁৱে গাঁৱে মাটি বাৰি দি পাতি লৈ কিনা কৰনিয়া গোলাম হৈ পৰিল। ইফালে আগতে আহি ৰাজ শক্তি হাতত লৈ থকা পদ্মনাভ ভট্টাচাৰ্য্য বঙ্গালৰ বংশধৰসকলে সৈতে সহযোগী হৈ অসমৰ ৰাজ গাদিত বহি থকা বৰৰজা ফুলেশ্বৰী কুৱঁৰী নটিনীৰ হুকুমত তন্ত্ৰ-মন্ত্ৰত দীক্ষিত হৈ মহাপুৰুষীয়া ধৰ্ম্ম ও অসমীয়া সমাজ ধ্বংস কৰিলে। ঘৰে ঘৰে শ্ৰাদ্ধ-বিধি, বিবাহ-বিধি, দহাকামৰ বিধি নানা তৰহৰ ভূত, প্ৰেত, দাইনি, যোগিনী, কালি ও দুৰ্গা পূজাই খুটি পুতি বহি ল'লে। বাৰেকুৰি বঙ্গালৰ পৰা হোৱা মহন্ত খিনিয়ে বঙ্গালৰ আৰ্হিৰে ব্ৰহ্ম সংহতি, পুৰুষ সংহতি, নিকা সংহতি পাতি শঙ্কৰদেৱৰ প্ৰৱৰ্ত্তিত সৌৰ মত ত্যাগ কৰি চান্দ্ৰ মতে চলিবলৈ ধৰিলে। অৰ্থাৎ সৌৰ মতে কোনো তিথি, পূজা-পৰ্ব্বণ ও মূৰ্ত্তি পূজা কৰিব নাপায়। সৌৰ মত বেদৰ অন্তৰ্গত। বাৰ মাহ ৩৬৫ দিন ৫ ঘণ্টাই বছৰ হয়। সেই কাৰণে শঙ্কৰদেৱে একাদশ স্কন্ধ ভাগৱতৰ মাজত লিখি গৈছে। "নপাই মোক একাদসি উপবাসে। নপায় মোক যোগ অভ্যাসে।।"

মাধৱদেৱেও ৰত্নাৱলীৰ মাজতে সেইদৰেই লিখিছে। এতিয়া আমাৰ শঙ্কৰদেৱৰ উত্তৰাধিকাৰীসকলে একাদশিত তিন দিনিয়াকৈ ব্ৰত কৰে, হাল খতি যে কৰেই, আহাৰৰ সাত তাৰিখে (যিদিনা নৰনাৰায়ণ ৰজাই চিলাৰায় দেৱানে ১৪০ জন মানুহ বলি দি) কামাখ্যা মন্দিৰ প্ৰতিষ্ঠা কৰে, সেই তাৰিখেই বাৰ্ষিক অধিৱেশন হিচাবে কামাখ্যাত উৎসৱ কৰে। (যেনেকৈ বৰদোৱাত বছৰি ফগ্লোৎসৱ কৰে) সেই কেইদিনত মহন্তবোৰে কামাখ্যা পূজা কৰা দি ভাগৱত বা মূৰ্ত্তি গোঁসাই পতা থাপনাতে কিবা কৰে। চুৱা বুলি একো নোছোৱে, হাল খতি, ভাত খতি ইত্যাদি সকলো কৰে। বছেৰেকীয়া উৎসৱৰ ভিতৰত এইটোৱেই চান্দ্ৰমত মানি লোৱা আৰু কামাখ্যা পূজা মানিলোয়া বঙ্গাল দেশৰ ভগনীয়া অসমৰ বুকুত সোমাই অজ্ঞাত সাৰে তেজপিয়া, মহাপুৰুষৰ ধৰ্ম্মত কুঠাৰ দিয়া জাতৰ বামুণ বা মহন্ত। শঙ্কৰদেৱ-মাধৱদেৱৰ মৃতাহ তিথিও থিক সেই দৰেই ৩৬০ দিনৰ মূৰত অৰ্য্যমাদি দেৱতাৰ নামেৰেই চলি আছে। এখন ডাঙ্গৰ সত্ৰৰ ঈশ্বৰ পুৰুষ এজনে শিষ্যলৈ দিয়া ছপা কৰা হুকুম এখনত পাইছোঁ, 'শ্ৰীশ্ৰী৺অমুক জনা অৱতাৰ ঈশ্বৰ পুৰুষৰ তিথি ইমান তাৰিখে, ঐ অৱতাৰৰ ভাৰ্য্যা আই গোসানীৰ তিথি ঐ তাৰিখে। সত্ৰলৈ আহিব পৰা সকল আহিব, নোৱাৰাসকলে আগ দিনাৰে পৰা ব্ৰতে উপবাসে থাকি আমাৰ ইয়াত শ্ৰাদ্ধ ভগাৰ পাছত নাম-কীৰ্ত্তন কৰি তিথি পালন কৰিব'— ইত্যাদি। এওঁলোকৰ

ঘৰত থকা বন্দী-বেটী এটা মৰিলেও সেই একে নিয়মে খৰম পিন্ধি গাই গৰুৰ নেগুৰত ধৰি বৈতৰণি পাৰ হৈ যম পুৰিৰ ৮৪ খন নৰক পাৰ হৈ অৰ্য্যমাদি নামৰ কোঠালি এটাত থাকিবলৈ হেজাৰ হেজাৰ শিষ্যৰ গুৰুগিৰি কৰা অৱতাৰী ঈশ্বৰ পুৰুষজনো সেই একে পোছাকেৰেই একে মন্ত্ৰেৰে একে কোঠালিতে থাকিবগৈ, আৰু চান্দ্ৰ মতে ৩৬০ দিনৰ মূৰত কাউৰিয়ে কুকুৰে নোখোৱা পিণ্ডতো খাব। শঙ্কৰদেৱে প্ৰথমেই বৰদোৱাতেই নামঘৰৰ কল্পনা কৰে। শ্ৰীকৃষ্ণৰ শৰীৰৰ ৩২ অলঙ্কাৰৰ কল্পনাৰে ৩২ অপৰাধ বৰ্ণনা কৰি ঘুৰণীয়া টুপেৰে গোলোক বৈকুণ্ঠ সাজিছিল। 'হৰিৰ নামৰ/ প্ৰমত্ত সিংহৰ/ শবদ শুনি ৰিণি ৰিণি। পাপময় মত্ত /মাটঙ্গ পলাই/মিলিল হেৰ বিঘিনি।।' —ইয়াৰ প্ৰতিমূৰ্ত্তি সিংহাসন সাজি তাৰ ওপৰত দ্বাদশ স্কন্ধ ভাগৱত। নামঘৰ সাজি সকলো বৰ্ণৰ ভকতক একে ঠাইতে বহুৱাই নাম গোৱাইছিল। সেই ঘৰৰ মূল উদ্দেশ্য একো নিবিচাৰি এই বাৰেকুৰি মহন্তয়ো নামঘৰ সজাৰ বন্দৱস্ত কৰি এটা নামঘৰ সাজিলে। এওঁলোকৰ লগত অহা কেইজনমান মুছলমানেও শঙ্কৰদেৱৰ একেশ্বৰবাদ ধৰ্ম্মত মুগ্ধ হৈ ভকত হৈছিল। নামঘৰ সজাৰ কাৰণে আগৰণুৱা হৈ চাণ্ডসাই নামৰ ভকতজনেই প্ৰথম খুটাটো 'লা ইলাহা ইলিল্লাহু মহম্মদৰ ৰচুল উল্লা' বুলি পুতিলে; কালক্ৰমত সেই খুটাটোৱেই 'লাইখুটা' বুলি গ্ৰাহ্য হ'ল আৰু সেই খুটাৰ গুৰিত বহাজন হে একেশ্বৰবাদী বুলি জনাজাত হ'ল। এই বঙ্গালসকলৰ লগত বৌধ ধৰ্ম্মৰ যিবোৰ আহিছিল সেই সকলো শঙ্কৰ দেৱৰ একেশ্বৰবাদৰ ভেটিত মাৰ গ'ল; কিছুদিনৰ পাছত ৰাণী ফুলেশ্বৰীয়ে তৰোৱালৰ বলেৰে কৃষ্ণৰাম ভট্টাচাৰ্য্যৰ মন্ত্ৰ লোৱালে; তেতিয়াৰ পৰা পুৰণিমটীয়া মহন্ত কিঘৰৰ বাহিৰে সকলো মহন্তই সেই লাই খুটাত মেখেলা পিন্ধাই কালি গোসানী পাতি ল'লে; সেই খুটাৰ গুৰিত বহাজনেই কালিৰ কোলাতে কৃষ্ণ হৈ বহে। নামঘৰবোৰো তিনিচুকীয়া টুপ কৰি যোনীৰ আকৃতিৰে মহা পীঠত পৰিণত কৰি তুলিলে। প্ৰত্যেক সত্ৰতে মৰিয়াই সজা পিতলৰ গোঁসাই প্ৰতিষ্ঠা হ'ল। বহুতে পূৰ্ব্বপুৰুষৰ নিয়ম এৰিব নোৱাৰি কবৰখানাৰ সলনি মৰিশালীত থানঘৰ, বৌদ্ধ স্তুপৰ ঠাইত থান ঘৰতে এঙ্গাৰ অস্থি বা বহা আসন বা পিন্ধা গাৰ কাপোৰ প্ৰতিষ্ঠা কৰি তাতো সেৱা সকাম কৰা হ'ল। শঙ্কৰদেৱৰ লেখা 'চৈতন্য ছোৰি কাহে জড় সেৱা। হৰি বিনে নাই অপৰ দেৱা।।' চৈতন্য কৃষ্ণক এৰি / জড়ক ভজিয়া মৰে/ কিনো লোক অধম মুগুধ।। অনাত্মা দেহক আত্মা বুদ্ধি কৰি হৰি হৰি হৰি এ, তুমি পৰমাত্মা ঈশ্বৰে ভৈলো বঞ্চিত।। ঢেকেৰি ছকুৰিৰ মহন্ত খিনিয়ে এই বঙ্গালৰ পৰা হোৱা মহন্ত খিনিৰ লগত একে লগে খাব লাগে বুলি এটা বুদ্ধি কৰি নামঘৰৰ মুধতে এখন ছালি দি তাতে খোৱা লোৱা কৰে। সেইখন ঢেকেৰি ছালিয়েই জনাজাত।

এটা আচৰিত কথা —ঢেকি এটা সোণেৰে সাজি হিৰা মুকুতাৰে বাখৰ খটাই

স্বৰ্গত নি পাতিলেও তাৰে ধানহে খুন্দিব, সেই দৰেই অসমীয়া শূদিৰ নামৰ মানুহ জাতিটোৱে মান-মৰাণৰ বিপ্লবৰ দিনটো বাদ দিলেও ইংৰাজ শাসনৰ দিনত এই এশ বছৰে বিলাত, আমেৰিকা, জাৰ্ম্মান, জাপান ফুৰি নানা ৰকম শিক্ষা জানিও শঙ্কৰদেৱক ঈশ্বৰৰ অৱতাৰ বুলি জানিও এই বঙ্গাল বাৰেকুৰি, ঢেকেৰি চকুৰিৰ কথা মতেই শঙ্কৰদেৱে চলাই যোৱা যজুৰ্ব্বেদৰ উপবেদ জ্যোতিৰ্ব্বেদৰ সৌৰ মত পৰিত্যাগ কৰি, ৩৬৫ দিন ৬ঘণ্টাই বছৰ প্ৰকৃতি উপাসক তন্ত্ৰই সমৰ্থন কৰা চান্দ্ৰমতে ৩৬০ দিনে বছৰটোত ৮৪ খন নৰকৰে এখন অৰ্যমাদি লোকতহে শঙ্কৰদেৱ-মাধৱদেৱ আছে বুলি তিথি পালন নামৰ পিণ্ড আৰু ধৰ্ম্মটোৰ নিকৃষ্টতা দেখুৱাবৰ কাৰণে পতা সভা-সমিতিবোৰ শিক্ষিত নামধাৰি শূদিৰসকলেও মানি আহিব পায়নে? যোৱা বছৰত জনমভূমি কাগজত সেই জাতৰে কোনোবা শিক্ষিত মহন্ত এজনাই লিখিছিল, — শঙ্কৰদেৱৰ জন্মোৎসৱ কৰিব নাপাই, কাৰণ শঙ্কৰদেৱৰ জন্মৰ থিকেই নাই, আৰু শঙ্কৰদেৱ এজন সামান্য মানুহ, সামান্য মানুহৰ জন্মোৎসৱ কৰাটো আধুনিক সভ্যতা, সেইবাবে কোনো সত্ৰতে গোসাইবোৰৰ জন্মোৎসৱ কৰাটো নিষেধ। (আধুনিক সভ্যতাৰে বি. এ., এম. এ. পাছ কৰি বিধৰ্ম্মীৰ ঘৰত কুলি খটা বাৰেকুৰি ফাঁকি দি ওকালতি কৰিবলৈ যাওঁতে পৌৰাণিক জ্ঞানটো কাৰ ঠেঙ্গত থৈ যায় ক'ব নোৱাৰি।) যিশুৰ, মহম্মদৰ, ৰামৰ, কৃষ্ণৰ, বুদ্ধৰ, জৈনৰ, দয়ানন্দ সৰস্বতীৰ, ৰামকৃষ্ণ পৰমহংসৰ জন্মোৎসৱ কৰাতো এই ক্ষেত্ৰত নাখাতে, কাৰণ তেওঁলোকে জন্ম হৈ আহোতেই ঈশ্বৰৰ লক্ষণ দেখুৱাই আহিছে, যেনে শ্ৰীকৃষ্ণই মাক বাপেকক চতুৰ্ভুজ মূৰ্ত্তি দেখুৱাইছিল। আন এঠাইত লিখিছিল শঙ্কৰদেৱে বৰদোৱাত সত্ৰ পতাটোৱেই মিছা কথা। বৰদোৱাৰ গৌৰৱ বঢ়াবৰ কাৰণে কোনোবা এখাপ মানুহে ইবোৰ লিখিছে। বটদ্ৰৱাৰ পৃষ্ঠাত লিখা শঙ্কৰদেৱৰ নিজ হাতৰ প্ৰমাণবোৰো কোনোবাই লিখা। শঙ্কৰদেৱে লিখা হ'লে 'কলিয়াপানী (বা তেলপানী) নামে গ্ৰাম, চাহেবীনে অনুপাম চাওদাঙ্গৰ আতি অনুকল' বুলি লেখিলেহেঁতেন। এঠাইত লিখিছে মহাপুৰুষেনো কাৰ পদশিলা প্ৰতিষ্ঠা কৰিছিল ভাৱিবই নোৱাৰি। মই কওঁ তেওঁৰ ঘৰত থকা বান্দী এজনীক আঁঠু লৈ শুধিলে বান্দী জনীয়ে কাণ দুখনত ধৰি মোহাৰি মোহাৰি কৈ দিব, যে আমাৰ দেশত কটাৰি ধৰোৱা শিল এটাৰ ওপৰতো ল'ৰা-ছোৱালীকো বহিব বা ভৰি দিব নিদিয়ে, ক'ব শিলত গোসাঁই থাকে। মহন্তৰ ৭ পুৰুষৰ মুৰত পানী এচলু দি থকা পুৰোহিত গুৰু বাপুৰ ঘৰলৈ গৈ চাওকগৈ ৰেলৰ আলিৰ পৰা নিয়া শিলগুতি এটা পূজা কৰি আছে। ৭ পুৰুষতো বৰদোৱা নেদেখা মহন্তদেৱক বুজায়ো কওঁ নিৰ্ভয়ো দিওঁ — শঙ্কৰদেৱে লিখিছিল — 'মনুষ্য জনম পাই হৰি নভজিলা। অৱশ্যে হৈবাহা ভাই তৃণ তৰু শিলা।।' এই শিলত থকা গোসাঁই বা গোসানীৰ মায়াটো ভাগিবৰ কাৰণে ছকুৰি ভকতৰ বহা আসন শিল, পানী ঘাটত, ঘৰৰ ভেটিত উঠা নমা কৰাত শিল, পায়খানাত

শিল, গা ধোৱাত শিল, কাপোৰ ধোৱাত শিল, বহি সৰুপানী ছোৱাত শিল, ভাত খোৱা পিৰা শিল; এই শিলৰেই ভেটিৰে এটা ঘৰ শিল, সকলো ভকতৰ পদেৰে গছকি থকা শিল। এতিয়া মহন্তদেৱক নির্ভয় দিছোঁ, কোনোবা জন্মত বৰদোৱালৈ আহিবলৈ ভাগ্য মিলিলে এই শিলত সেৱা কৰিবলৈ নাপায়, শৌচ-পেছাব কৰিবলৈও নাপায়। কাৰণ ঘৰটোত শিল এখনো নাই। মাটিৰ ভেটিত ঘৰ। মাথোন শঙ্কৰদেৱে পুথি লেখোতে বহা, গা ধোওঁতে বহা, ভাত খাওঁতে বহা শিল, যিখনকে ভেটিত থৈ তাৰ ওপৰত আসন ভাগৱত হে আছে; আন বোৰ শিল, গঙ্গা ঘাটত থকা মাটি পানী লোৱা শিলবোৰ গাৱঁৰ ভকতে গঙ্গাকে খুজি নি ঘৰে ঘৰে ঢেঁকিৰ খুবলি কৰিলেগৈ।

নগাঁৱৰ পৰা বটদ্ৰৱা ন মাইল দূৰ। এই ন মাইল দূৰৰ শিক্ষিত ভদ্ৰলোকসকলে শঙ্কৰদেৱ এইখন বৰদোৱাতে জন্ম হোৱা হয় নে নহয়, কি ধৰ্ম্ম প্ৰকাশ কৰিছিল ক'ব নোৱাৰে। মই এইটোও ক'ব নোৱাৰোঁ এই ভদ্ৰলোকসকল প্ৰাচীন অসমীয়া হয় নে নহয়। অৰ্থাৎ ঢাকা, ময়মনসিং, সাতগাওঁ বা কণৌজ নামৰ বঙ্গাল দেশৰ পৰা আহি কেই পুৰুষ মানৰ পৰা বসতি কৰি অসমীয়া হোৱা। আজি কেইদিনমানৰ আগতে "নতুন অসমীয়া"ত শ্ৰীমন্ত শঙ্কৰদেৱৰ মৃতাহ তিথি উৎসৱত বঙ্গাল খানৰে নে ঢেকেৰী খানৰে এজন ডাঙৰ সত্ৰাধিকাৰ মহন্তৰ সভাপতিত্বত হোৱা সভা এখনত কোনোৱা এজন দেৱশৰ্ম্মাই নির্দিষ্ট বক্তা হিচাবে বক্তৃতা প্ৰসঙ্গত কয়, শঙ্কৰদেৱক অসমীয়া সাহিত্যৰ ও সংস্কৃতিৰ নায়ক বুলিলে বুৰঞ্জীৰ অপলাপ কৰা হ'ব। শঙ্কৰদেৱৰ আগতো ৰজাঘৰলৈ গাড়ীয়ে গাড়ীয়ে কিতাপ-পুথি অনা প্ৰমাণ আছে। শঙ্কৰদেৱৰ বিশেষত্ব মাথোন এটা বৈষ্ণৱ ভাৱ আনি দিছিল আৰু তিব্বত পৰ্ব্বতৰ অনাৰ্য্যৰ পৰা গীত-মাত, সুৰ-সঞ্চাৰ, ভাৱনা-যাত্ৰা আনি ভৈয়ামত থকা অনাৰ্য্যসকলক আৰ্য্যৰ সমানে সহযোগী হৈ চলিব পৰা ভাৱ এটা আনি দিলে। ইত্যাদি দীঘলীয়া বক্তৃতাটোত অসমীয়া শঙ্কৰদেৱ, মাধৱদেৱৰ মহাপুৰুষীয়া ধৰ্ম্মৰ নিকৃষ্টতা প্ৰমাণ দি থাকোঁতেও মহন্ত ডাঙৰীয়া জনবো এখন সত্ৰ আছে, সত্ৰীয়া শিছ-ভকতো আছিল। দেশৰ বিষম বায়ুৰ বেগত শিছ-ভকতে গোসাঁই ও সত্ৰবোৰ নেওছা দি এৰাৰ বাবে গুৰুতিথি সত্ৰত নকৰি নগৰত সভাপতি কৰি অশৰণীয়া মানুহৰ মাজত মহাপুৰুষীয়া ধৰ্ম্মদ্ৰোহী শৰ্ম্মা এজনৰ হতুৱাই মহাপুৰুষৰ নিকৃষ্টতা ও ধৰ্ম্মৰ বিকৃতি বিশ্লেষণ কৰাই নিৰ্দ্দিষ্ট বক্তাৰ মুখলৈ চাই বেদবাক্য শুনাদি শুনি থাকি যশস্যা লৈ মহাপুৰুষৰ আৰু মহাপুৰুষীয়া ধৰ্ম্মৰ মূৰত বাগী কুঠাৰ মাৰে। মহাপুৰুষৰ জন্ম ঠাই বৰদোৱাৰ পৰা ৯ মাইল দূৰত, য'ত শঙ্কৰদেৱ সঙ্ঘ ও মিশ্যনৰ প্ৰধান কৰ্ম্মী ও বাসিন্দা শিক্ষিত অনেক ভদ্ৰলোকৰ মাজতে চপনীয়া শৰ্ম্মা এজনৰ নিকৃষ্ট ভাষা শুনি থাকিবলৈ শূদিৰ জাতিৰ শাস্ত্ৰজ্ঞান ধৰ্ম্মজ্ঞান নাথাকিলেও লাজ চৰমৰ জ্ঞান থাকিব লাগিছিল। পাছে থাকিব কেলৈ ? পৃথিৱীৰ ভিতৰত জন্ম লোৱা মহাপুৰুষ কোনো নমৰিল। মৰিল অসমৰ মাজত শূদিৰৰ ঘৰত জন্ম হোৱা

শঙ্কৰদেৱ আৰু মাধৱদেৱ। আৰু মৰিল ভাৰতৰ ভিতৰত মহাত্মা গান্ধী। শ্ৰীৰামচন্দ্ৰ ও শ্ৰীকৃষ্ণই মৰিশালি পূজা কৰিবলৈ থৈ নোযোৱাৰ দৰে শঙ্কৰদেৱ-মাধৱদেৱৰো মৰিশালিৰ চিন নাই। সৌৰ জগতৰ মাজত শিক্ষিত ও সভ্য যুগৰ কালত মহাত্মা গান্ধী মৰিল, পশু পক্ষীয়েও জানে, আৰু ভাৰতবৰ্ষ গোটেইখনত মহাত্মাৰ মৰিশালিৰে ভৰপুৰ। এওঁলোকৰ মহাপাপ শঙ্কৰ-মাধৱ শূদিৰৰ ঘৰত জন্ম হৈছিল কিয়? বেদ শাস্ত্ৰ পঢ়িলে কিয়? স্ত্ৰী, শূদ্ৰ, উচ্ছ, নিচ সকলো মানুহ ঈশ্বৰৰ স্ৰজিত সকলো সমান, সকলোকে হৰি ভক্তি লাগে বুলি প্ৰচাৰ কৰিলে কিয়? কোচবিহাৰৰ মহাৰাজ নৰনাৰায়ণৰ মুৰ্ত্তি ধৰি থকা ভিৰু কাপুৰুষৰ গুৰুগিৰি নকৰি হাতত তৰোৱাল লৈ ৰাজপুত্ৰ ও মন্ত্ৰীসকলক মুখৰ আগত বন্দী কৰি থৈ তিনি কুৰি ঘোঁৰাৰে ডাক অনাই শঙ্কৰদেৱক ৰাজ সভালৈ পঠোৱা বীৰ পুৰুষ চিলাৰায় দেৱানৰ গুৰুগিৰি কৰি ভীৰু কাপুৰুষৰ ধৰ্ম্ম নাই, বীৰ পুৰুষৰ হে ধৰ্ম্ম বুলি প্ৰমাণ কৰিলে কিয়? চান্দ্ৰমতে প্ৰকৃতি উপাসনাৰ ঠাই নথৈ সৌৰমতে 'পুৰুষে সহিতে/ সখিত্ব কৰিয়া/ চলয় হৰিৰ কাছে' বুলি চলালে কিয়? অন্তিম কালত তেওঁৰ প্ৰতিনিধি মাধৱদেৱৰ আগত—'শুনিও মাধৱ মোৰ থাকিবাৰ থান। দশম কীৰ্ত্তন মোৰ মূৰ্ত্তিৰ সমান।। নিপুণে যি জনে গুৰু মোহোক বোলয়। দশমতে কীৰ্ত্তনতে দেখিব নিশ্চয়।। দশম কীৰ্ত্তন পুথি থাকয় যথাত। জানিবা সাক্ষাত মই থাকোঁহো তথাত।। নাম-ঘোষা পুথি খনি লিখি শেষ কৰিবা। ঘোষা ৰত্নাৱলি মধ্যে তুমিও থাকিবা।।' বুলি কৈছিল কিয়? সেই কথাকে মনত ৰাখি মাধৱদেৱেও অন্তিম কালত কৈছিল— 'পৃথিৱীত ধৰ্ম্ম শাস্ত্ৰ আছে যত যত। সকলোৰে সাৰ আছে ঘোষাৰ মধ্যত।। শঙ্কৰদেৱৰ হন্তে যিবা খানি পাইলো। এহি ঘোষা শাস্ত্ৰতে তাহাঙ্কো নিবন্ধিলো।। শাস্ত্ৰ বিচাৰিয়া মই যিটো তত্ত্ব পাইলো। সি সব সকলো তত্ত্ব ঘোষাত লিখিলো। আপোনাৰ বুদ্ধি অনুসাৰে যিটো পাইলো। এহি ঘোষা শাস্ত্ৰতে তাহাঙ্কো নিবন্ধিলো।। নশ্বৰ আমাৰ দেহা হইবেক গত। থাকিবেক আত্মা মোৰ ঘোষাৰ মধ্যত।। হেন জানি ঘোষা শাস্ত্ৰ কেহোৱে নেৰিব। মোকে বুলি ঘোষা শাস্ত্ৰে শৰণ লৈইব।। ঘোষা ৰত্নাৱলী পুথি থাকয় যথাত। জানিবা সাক্ষাতে মই থাকোহো তথাত।।' — আজি দশম-কীৰ্ত্তন, ঘোষা-ৰত্নাৱলী পুথি দেৱশৰ্ম্মাসকলে গু-কৰতি, বেজালী পুথিৰ লগৰহে, ই কোনো শাস্ত্ৰ নহয়; শাস্ত্ৰ বুলিলে ঋষি-মুনি বাক্যম্ শাস্ত্ৰম বুলি তিনি হাজাৰমান শূদিৰৰ মাজত এজন বিদগ্ধ পণ্ডিতে আজি কুৰি বছৰৰ আগতে ঘোষণা কৰি থৈছে। এনে স্থলত শঙ্কৰ-মাধৱ মৰিল, দশম, কীৰ্ত্তন, ঘোষা, ৰত্নাৱলী পুথিও মৰিল। যদি কৰ'বাত আছে গু-কৰতি পুথিৰে পানী জাৰি খোৱাৰ দৰে ইয়াৰে মুৰ্খ শূদিৰে মাহ-চাউল জাৰি খাব। মহাত্মা গান্ধীৰ মহাপাপ আৰু বেছি, তেওঁ শূদিৰ। অনেককলীয়া গোলাম ভাৰতক স্বাধীন ভাৰত কৰিব কেলৈ, মদ, ভাং, কাণি খাবলৈ বন্ধ কৰিব কেলৈ, হাতে সূতা কাতি কাপোৰ বৈ ল'বলৈ ক'ব কেলৈ? শ শ জাত, জাতি প্ৰতি ধৰ্ম্ম; এটাইবোৰ মিহলি হৈ এটা ভাৰতীয় জাতি আৰু এজন ঈশ্বৰক যি

যেনে ভাৱে ভাল পায় সেই দৰেই চিন্তা কৰক, তথাপি আমি ভাৰতীয় এজাতি মানুহ বুলি ভাৱিবলৈ ক'ব কিয়? গতিকে মহাত্মা মৰিল। পশু, পক্ষী, জলচৰ, স্থলচৰ সকলোৱে জানে; গোটেই ভাৰতবৰ্ষ খনেই মহাত্মাৰ মৰিশালি আৰু সাত সাগৰৰ পানী মেঘে বুৰাই দিয়ক। তেওঁ জীয়াব নোৱাৰে। মহাত্মাই মানি চলা সৌৰ মতটো আছে নে নাই ক'ব নোৱাৰোঁ, তেওঁৰ বৰপুত্ৰসকলৰ হাতৰ পৰা যঁতৰটিও মৰিছে; সাধাৰণৰ হাতত আছে নে নাই ক'ব নোৱাৰোঁ। বিচাৰ কৰি পাৰিলে ২য় ভাগ বৰদোৱা লিখিম। এতিয়া ৺লক্ষ্মীনাথ বেজবৰুৱাৰ কামনা শান্তিৰ আঁতি গুৰি উলিয়াই প্ৰকাশ কৰা। যি সংগ্ৰহ কৰিলোঁ তাকে ২য় তাঙৰণত প্ৰকাশ কৰালোঁ। মুখে মুখে শুনা অনেক গীত-পদ সংগ্ৰহ কৰিব নোৱাৰি।

মাত্ৰ এটি গীত নমুনা স্বৰূপে দিয়া হ'ল—

(গীতটি শ্ৰীদেৱযানী হাজৰীকাৰ পৰা পোৱা)

—গীত—

আবেলি বেলিকা বানে বৰযুণে
সাতো সাগৰৰে জলে।
কল কাটি শঙ্কৰে ভেলকে বান্ধি লৈ
খোৱা পশ্চিমলৈ মেলে।।
বঙ্গাল বাৰেকুৰি টেঁকেৰী ছকুৰি
শঙ্কৰত ললে শৰণ।
টেমিনিয়া জানে পাৰকে ভাঙ্গি লৈ
ৰাইজৰ মিলাই মৰণ।।
দুজন ভকতক গুৰুৱে পাচিলে
শান্তী বিচাৰি যোৱা।
দুনাই সুধিলে চাৰিজন ভকতে
শান্তীৰ কি চিন কোৱা।।
দীঘল চুলি টাৰি গালত আঁক এজুৰি
শান্তীৰ এই চিন বৰ।
মাক যোগমায়া জীয়েক সুমেথিৰা
টেমিনিয়া তীৰতে ঘৰ।।
মাতৃ দিয়া নাম শান্তি সুমেথিৰা
পিতৃ দিয়া নাম জয়ন্তী।

স্বামী গুৰুৱে দিলে    হোমৰে গুৰিতে
"তৰা" হে দিবা কান্তি।।
ওলায়ে দেখিলে    শান্তী সুমেথিৰা
ভকত বা আহে কৈলৈ।
ভকতে বুলিলে    তোমাকে বিচাৰোঁ
গুৰুদেৱৰ আজ্ঞা লৈ।।
এখুজি দুখুজি    নৌকালৈ শান্তীয়ে
চলালে ভৰি দুখানি।
নৌকাতো এভৰি    বামতো এভৰি
যেনে চৰিয়াৰে পানী।।
গুৰি বঠা পেলাই    বঠাও নেবালে
বায়ুৱে চলালে নাওঁ।
পানীৰ মাজতে    সোধে জল কোৱঁৰে
কলৈ যোৱা শান্তী মাও।।
শ্ৰীশঙ্কৰ গুৰুৰ    আজ্ঞা পৰিছে
তালৈকে আহিছো আমি।
বোলে জল কোৱঁৰে    জানো শান্তী আই
যি কাৰ্য্যে আহিছা তুমি।।
বছৰি বছৰি    খহাওঁ বৰদোৱা
ইবেলি এৰিমে চাবা।
আৰৈ চাউলেৰে    খৰুৱা বেঙেনা
শান্তী আই নিৰামিষ খাবা।।
গুৱাপাণ নেখাবা    ভোজন নকৰিবা
এনেয়ে যোৱাগৈ আই।
খোৱানাই একোকে    এনেই আহিছে
বোলে জল কোৱঁৰলৈ চাই।।
এডাঁৰে দুডাঁৰে    পালে চাৰিডাঁৰে
তেনেতে দিলে ভেটাই।
গাৱো অশুচি    কুলো কৈৱৰ্ত্তনী
বিচাৰে কৈলৈ গোসাঁই।।
ভয়ে ভকতিৰে    আঁতৰতে থাকি
কৰে সেৱা শান্তী আই।

হৰষিত ভাৱে শ্ৰীশঙ্কৰ গুৰু
আজ্ঞা কৰে শঙ্কা নাই।।
হক অনাচাৰ হোৱা কৈৱৰ্ত্তনী
ধৰমত সমে সকল।
জলৰ হিৰ হিৰণি ৰ'বকে নোৱাৰি
ভক্তক আনি দিয়া জল।।
তিনিটা কাঠিৰে পলকে সজালে
শান্তী লৈ গ'লে ঘাটে।
তিনি ঢৌ মাৰি পলকে বুৰালে
চাকৰ চাৰি আঙুল টুটে।।
পল ভৰি জল মাঠাত ল'লে শান্তী
গুৰুদেৱৰ আগত থ'লে।
এই চাৰি আঙুল কিয় কমে হ'লে
কিনো দোষ গুৰুৱে বোলে।।
গুৰুৰ আজ্ঞা শুনি দোষকে সুৱঁৰি
কলে ভাঙ্গি শান্তী আই।
আবেলি বেলিকা স্বামী নাই ঘৰে
দেখিলো ভনি জোৱাই।।
কথাকে শুনিয়ে গুৰুৱে ভকতে
অতিকে সন্তোষ হ'ল।
ইমান দোষকে সবে বাতি ল'লো
দুনাই আনাগৈ জল।।
গুৰুৰ আদেশত পল হাতে লৈ
শান্তী ল'লে দোৱাই শিৰে।
তিনি সইত্ কৰি পলকে বুৰালে
চাকতকৈ চাৰি আঙুল চৰে।।
টেমিনিয়া জানে শান্তীজান হ'লে
থাকে মানে বেলি জোন।
কলিত ভকতে গাব এই বুলি
শঙ্কৰ শান্তী আইৰ গুণ।।—

বটদ্ৰৱা থান সংস্কাৰ কৰিবলৈ ধৰা, থানৰ ইতিবৃত্ত লিখা আৰু এই কিতাপ সংগ্ৰহ কৰা স্বয়ং ব্ৰহ্ম কৃষ্ণই শঙ্কৰদেৱৰূপে অৱতাৰ ধৰি ভাগৱতী একশৰণ ধৰ্ম্ম-প্ৰকাশ কৰা, গীত-নাট, খোল-তাল, ভাৱনা-যাত্ৰা, নাম-প্ৰসঙ্গ, ভাগৱতৰ পদ কৰা ১৩৭১ শকৰ ১০ আহিন শুক্লা দশমী তিথিৰ দিনা বটদ্ৰৱাতে জন্মহোৱা এইজনা শঙ্কৰদেৱক অসমত থকা আন সত্ৰৰ ভকতে নামানে। পাতকিবৰি নামে ঠাইত কছাৰি গাৱঁৰ মাজত ফাগুণত জন্ম হোৱা আৰু কাতি মহীয়া ১৪০০ শ মান শঁকত জন্ম হোৱা শঙ্কৰ নামৰ কোনোবা মানুহ এজনকহে মানে। আৰু উজনি অসমত মিৰি-দেউৰিৰ চাঙ্গত মদ্-মাংস খাই পৰমাৰ্থ শিকাই ফুৰা শঙ্কৰদেৱ এজনকহে মানে। এইবোৰ কথা জানিয়েই অসমীয়াৰ আদৰ্শ পুৰুষ শঙ্কৰদেৱৰ প্ৰকাশিত ৰীতি- নীতি, নাম-গুণ, নাট-গীত, শ্ৰৱণ-ভজন উদ্ধাৰ কৰি ৰক্ষা কৰিবৰ কাৰণে শিক্ষিত সমাজৰো দৃষ্টি আকৰ্ষণ কৰিবৰ কাৰণেই শঙ্কৰদেৱ সঙ্ঘ অশিক্ষিত পাহাৰীয়া আৰু বনুৱাসকলৰ মাজতো অসমীয়া সাজেৰে গঢ়িবলৈ বুলি শঙ্কৰ মিশ্যনৰ কল্পনা কৰিছিলোঁ। মোৰ অদূৰদৰ্শিতা বা মুৰ্খতা দোষত শিক্ষিত সমাজৰ মহাপুৰুষীয়া নিৰিখে অশৰণীয়া-অভকতীয়া বামুণীয়া মানুহক সভাপতি-সম্পাদক ধন-ভৰালী সকলো পাতি ললোঁ; ফলতঃ মহাপুৰুষীয়া ধৰ্ম্মৰ ভাষাৰে ওকালতি কৰি ভাৰে ভাৰে টকা ঘটি বৰ মানুহ বোলাই, কৃষ্ণৰ কিঙ্কৰ শঙ্কৰ, শিশুমতি শঙ্কৰ, কায়স্থ শঙ্কৰ, মুৰুখমতি মাধৱ দাসৰ ধৰ্ম্ম ল'বলৈ লাজ পাই স্বামী সিদ্ধানন্দ, শ্ৰদ্ধানন্দ, কৰুণানন্দ, ঠাকুৰ অনুকুল চক্ৰবৰ্ত্তীহঁতৰ চৰণত আঠু ল'লে গৈ। আমাৰ মিশ্যনৰ শিক্ষা লোৱা ল'ৰাই খোল, তাল, দবা, নেগেৰা, অঙ্কীয়া নাট লৈ মেলা মুখ মেলাতেৰ'ল। এতিয়া বৰুৱা, ফুকন, বৰা, হাজৰিকা, বি. এ., এম. এ.,সকলক হাতত লৈ দেৱ শৰ্ম্মা, দেৱ গোস্বামী, দেৱ মহন্ত সত্ৰাধিকাৰ ঈশ্বৰসকলে সঙ্ঘ ও মিশ্যনৰ মেলা দুৱাৰে সোমাই মেঘনাদ বধ যাত্ৰা আৰম্ভ কৰিছে। ফলতঃ সঙ্ঘ ও মিশ্যন ধ্বংস হ'ল। আমি সেইসকললৈ ২য় তাণ্ডৱণো প্ৰকাশ কৰিবলৈ দিয়া নাই। শঙ্কৰদেৱে ভাগৱতত ভৱিষ্যৎবাণী প্ৰকাশ কৰি থৈ গৈছে। 'ব্ৰাহ্মণ ক্ষত্ৰিয় বৈশ্য ইতো তিনি জাতি। নুশুনিবে হৰি ভকতিক কৰ্ণ পাতি।। শূদ্ৰ সৱ অনেক কৈৱৰ্ত্ত আদি কৰি। অন্ত্যজ পৰ্য্যন্তে ভজিবেক মহা-হৰি।। অপ্ৰয়াসে লভিব ঈশ্বৰ মহাজ্ঞান। এতেকে কলিত শূদ্ৰ কৈৱৰ্ত্ত প্ৰধান।।' **২০০৮০, দ্বাদশ স্কন্ধ ভাগৱত।**

— সেইসকলৰ কাৰণেহে প্ৰকাশ কৰা হ'ল। প্ৰথম তাণ্ডৱণৰ পৰা আৱশ্যক বুজি সাল-সলনি, বঢ়া-টুটা যি কৰিছোঁ, ভাষাৰ হীনডেঢ়ি, বৰ্ণাশুদ্ধি দোষ যিবোৰ আছে, সি সকলো লেখকৰহে, প্ৰকাশকৰ বা ছপাওঁতাৰ নহয়। লেখক যিমানৰ মানুহ সিমানেই

প্ৰকাশ হক। কোনোবা সাহিত্যিক বা শিক্ষিত লোকক হাত ফুৰাই শুধৰাই দিবলৈ নিবিচাৰিলোঁ কাৰণ এইবোৰ কিতাপ শ্ৰুতি-স্মৃতি বিশাৰদ, তৰ্কবাগীশ, বেদান্তবাগীশ দূৰেই থাওক, বি. এ., এম. এ. দূৰেই থাওক, দেৱ শৰ্ম্মা, দেৱ গোস্বামী, দেৱ মহন্ত সকলে হাতেৰেই নোচোৱে। এনে স্থলত ই স্কুলীয়া ল'ৰাৰ হাতত নপৰে। কাজেই আমি গাঁৱলীয়া, হজুৱা, নিৰক্ষৰ হোজা মানুহৰ মাজতে নাই মোমাইতকৈ কণা মোমায়েই ভাল হৈ চলি যাওক।

—লিখক—

# বটদ্ৰৱা

## প্ৰথম অধ্যায়

### বন্দন।

জয় জয় সকল-মঙ্গলাদি-ৱন্দনীয়-গুৰুদেৱ শ্ৰীশঙ্কৰ-নাৰায়ণ-অংশ-স্বকৃত-ভাগৱত-গুঢ়-প্ৰকাশিত গীত-তাল-অঙ্ক-গদ্য-পদ্য-ভাৱ-ভঞ্জয়-ভক্তি-বিমৰ্দ্দ সৌৰীসিষ্টসঙ্গিমা চাৰু চতুৰ্ভুজয়া গোপাল-গোৱিন্দ-গৰুড়ধ্বজ নতোস্মি নতোস্মি তস্য চৰণং শৰণ্যং ব্ৰজেম।।

পৰোদেৱ কেশৱান্ন ন নান্নাৎ ধৰ্ম্মমুত্তমম্।
শঙ্কৰান্ন পৰো গুৰু ন ভক্তি সজ্জনাদ্বিনা।।

নমো শঙ্কৰ নিজ গুৰুৰ চৰণ।
ভকত বৎসল নমো দৈৱকী নন্দন।।
গৰুড় বাহন যাৰ শঙ্খ চক্ৰ ধৰ।
দৈৱকীৰ পুত্ৰ ভৈলা সেহি মহেশ্বৰ।।
সকামি দেৱতাগণে কৃষ্ণ নুপাসিল।
মুদ বান্ধি ভক্তি বস্তু গুপ্ত কৰি থৈল।।
যিটো হৰি গোপী সমে ক্ৰীড়িলা অপাৰ।
শঙ্কৰ স্বৰূপে হৰি ব্ৰহ্ম অৱতাৰ।।
দুই ভূজ দৰশায়া গুৰু ৰূপ ভৈলা।
মুদ মেলি ভক্তি বস্তু সমস্তকে দিলা।।
ভকতৰ বান্ধৱ মাধৱ দেৱ হৰি।
কুসুম্বৰ ঘৰে আসি অৱতাৰ ধৰি।।
সংসাৰি লোকক কৃপা কৰিলা অপাৰ।

কৃষ্ণ গুণ নাম ধৰ্ম্ম কৰিলা প্ৰচাৰ।।
হেনয় গুৰুৰ দুই অভয় চৰণ।
কায়বাক্য মনে তাত পশিলো শৰণ।।
অনেক জনমে যাক কৰ্ণে নুশুনিলো।
হেনয় দুৰ্ল্লভ বস্তু হাততে লভিলো।
গুৰুৰো পৰম গুৰু দেৱতাৰো দেৱ।
তোমাৰ চৰণে কৰো লক্ষ্য কোটি সেৱ।।

সমুদায় পৃথিৱীৰ ভিতৰত ভাৰতবৰ্ষই বিৰাটমূৰ্ত্তি ভগৱন্তৰ হৃদয় ভাগ। কুৰুক্ষেত্ৰৰ মাজত অৰ্জ্জুনে শ্ৰীকৃষ্ণক, বলী ৰাজায় বটুৰূপী ভগৱন্তক আৰু যশোদাই বালক কৃষ্ণক এইদৰে দেখিছিল।

যেনে—
এহি শৰীৰত আছে সমস্তে জগত।
এতে বল বীৰ্য্যৰ প্ৰভাৱ নাহি অন্ত।।
শৰীৰে পৰ্ব্বত সিন্ধু সৰোৱৰ যত।
তৱ দেহে দেখো হেৰা একে প্ৰদেশত।।
তৱ মুখে অগ্নি শশী সূৰ্য্যনেত্ৰ বাপ।
শৰীৰৰ তেজে জগতকে কৰে তাপ।।
অদ্ভুত ৰূপক হেৰিলোহো নাৰায়ণ।
কাম্পন্তে আছয় দেখো চৈদ্ধয় ভুৱন।।
আকাশক সীমা কৰি মধ্য পৃথিৱীৰ।
দশোদিশ ঢাকিলেক তোমাৰ শৰীৰ।।
১১ অঃ গীতা।।

যশোদা সুন্দৰী দেখন্ত পাছে।
সমস্তে জগত গৰ্ভতে আছে।।
সাতোখান দ্বীপ সাতো সাগৰ।
গিৰি বন নদী গ্ৰাম্য নগৰ।।
বায়ু সূৰ্য্য শশী দিশ আকাশ।
তাৰাগণ তৈতে কৰে প্ৰকাশ।।
সমস্তে জীৱ জ্যোতি তেজ বল।

সত্ব ৰজ তম ইন্দ্রিয় বল।।
মন বুদ্ধি কাল কর্ম্ম যতেক।
সৱাকো গর্ভতে দেখে প্রত্যেক।।
যতেক ধেনু গোপ গোপী জাক।
যশোদা দেখে তৈতে আপোনাক।।
—কীৰ্ত্তন।।

তুমি স্রজা তুমি পালা তুমিসে সংহাৰা।
নানা অৱতাৰে তুমি ভূমিক উদ্ধাৰা।।
তুমি চৰাচৰময় পুৰুষ অনাদি।
জগত স্বৰূপে আছা তুমি ব্রহ্মবাদী।।
স্বর্গে শিৰ ভৈল তযু ক্ষিতি পদতল।
নাভি ভৈল গগন ৰেতসে বৃষ্টি জল।।
পঞ্চ উপনিষদে বদন পঞ্চ দেখি।
জিহ্বা ভৈল অনল সাগৰ ভৈল কুক্ষি।।
সূৰ্য্য ভৈল চক্ষু তযু চন্দ্রে ভৈল মন।
কর্ণ ভৈল দশোদিশ পৱনে বসন।।
বৃক্ষে ৰোম ভৈলেক পৰ্ব্বত অস্থি চয়।
নদীসৱ নাড়ী ধৰ্ম্ম ভৈলেক হৃদয়।।
—ভাগৱত।।

আত্মতত্ত্ব সৃষ্টিতত্ত্ব মিলাই চালে বুজিব পাৰি যে এইয়েই ঈশ্বৰ তত্ত্বও। শৰীৰৰ হৃদয় ভাগ যেনেকৈ সাত ধাতু, সাত আবৰণ, সাত প্ৰকৃতি দ্বাৰায় আবৃত, সেই দৰেই ভাৰতবৰ্ষ দেশখনকো সাত দ্বীপ, সাত সাগৰ, সাত স্বৰ্গ, সাত পাতালে আবৃত কৰি ধৰি আছে। এই ভাৰতবৰ্ষতেই ঈশ্বৰে দশ অৱতাৰ-চৌৱিশ অৱতাৰ ৰূপ ধাৰণ কৰে। এই কাৰণে গোটেই ভাৰততে ঈশ্বৰৰ লীলা-ভূমি জন্ম-ভূমিবিলাকে সদাই মানুহৰ মন-বুদ্ধি পৱিত্র ৰাখিবলৈ অনেক মনীষীসকলে পৱিত্র ধামবিলাক স্থাপন কৰি জয় পাতকা উৰাই থৈ গ'ল।

এই পৱিত্র ধাম ভাৰতৰ ভিতৰতেই অসম কামৰূপ দেশখনি। বিৰাট-মূৰ্ত্তি ভগৱন্তৰ হৃদয়ৰ ভিতৰত অন্তঃকৰণ যেনে, থিক ভাৰতৰ ভিতৰতো অসম তেনে। গোটেই ভাৰতত যেনেকৈ পৱিত্র ভূমি আছে গোটেই আসামটো সেই দৰেই পৱিত্র ভূমি আছে।

অত্রৈৱহিস্থিতো ব্ৰহ্মা প্ৰাঙ্ নক্ষত্ৰং সসৰ্জ্জহ।
ততঃ প্ৰাগ্‌জ্যোতিষাখ্যেয়ং পুৰী শক্ৰ পুৰী সমা।।
—কালিকাপুৰাণ।।

যি দেশত ব্ৰহ্মাই নিজে বহি নক্ষত্ৰ গণনা কৰে, যি দেশ ইন্দ্ৰ পুৰীৰ সমান, যি দেশে প্ৰাগ্‌জ্যোতিষ্‌পুৰ নাম পাইছিল, যি দেশত বশিষ্ঠ, কপিল, ঋষ্যশৃঙ্গ, অষ্টবক্ৰ, বাল্মিকী, শ্ৰৱণ আদি মহা মহা মুনিসকলৰ সিদ্ধাশ্ৰম আছিল, যি দেশত হৰি, বলি বাসৱৰ যুদ্ধ হৈছিল, যি দেশত কামদেৱে নতুন জন্ম পাইছিল, যি দেশত চিত্ৰ-বিদ্যা প্ৰকাশ কৰোঁতা চিত্ৰলেখা আছিল, অন্যস্থানে বিৰলাদেবী কামৰূপে গৃহে আছিল। —কামাক্ষা তন্ত্ৰ।। যি দেশত কামাখ্যা দেবী ঘৰে ঘৰে বিৰাজমান আছিল, সেয়েই কামৰূপ বা আসাম দেশ; এই দেশতে বৈষ্ণৱ ধৰ্ম্ম বা ভাগৱতী ধৰ্ম্ম যুগ-প্ৰবৰ্ত্তক শ্ৰীশ্ৰীশঙ্কৰদেৱ, শ্ৰীশ্ৰীমাধৱদেৱ, গোপালদেৱ, দামোদৰ দেৱ, গোপাল আতা, বদুলা আতা, ঠাকুৰ আতা ইত্যাদি যুগধৰ্ম্ম প্ৰৱৰ্ত্তক সকল অৱতাৰ হয়।

---

# দ্বিতীয় অধ্যায়

(ঈশ্বৰ অৱতাৰ হোৱাৰ কাৰণ।)

যদা যদাহি ধৰ্ম্মস্য গ্লানির্ভৱতি ভাৰত।
অভ্যুত্থানমধৰ্ম্মস্য তদাত্মানং সৃজাম্যহম্।।
পৰিত্ৰাণায় সাধুনাং ৱিনাশায়শ্চ দুস্কৃতাম্।
ধৰ্ম্মসংস্থাপনাৰ্থায় সম্ভৱামি যুগে যুগে।।
—গীতা ৪ অঃ ৭।৮

নিজ অংশে হৰি যুগে যুগে অৱতৰি।
নিজ ভৃত্যবৰ্গক দুখক হৰা হৰি।।
পাষণ্ড অধৰ্ম্মীগণ বিনাশি মৰ্দ্দন্ত।
নিজদাস সন্তভক্ত ৰাখন্ত পালন্ত।।
যদা যদা যুগে ধৰ্ম্ম লুপুত হোৱন্ত।
তদা এক ৰূপে হৰি ধৰ্ম্মক পালন্ত।।

যেতিয়া ধৰ্ম্ম লুপ্ত প্ৰায় হয়, অধৰ্ম্মীৰ অত্যাচাৰ অসহনি হয়, তেতিয়া নিৰাকাৰ ব্ৰহ্মই বা বিৰাটমূৰ্ত্তি ভগৱন্তই নিজ মায়াক আশ্ৰয় কৰি অংশ-কলা-বিভূতি স্বৰূপে, দেশ কাল পাত্ৰ চাই একোটি অৱতাৰ ধৰি অধৰ্ম্মীক বিনাশ কৰি ধাৰ্ম্মিকক ৰক্ষা কৰি সময়োপযোগী ধৰ্ম্ম পথ দেখুৱাই থৈ যায়।

সন্তপ্তা অসি সংস্থিতস্য পয়সো নামোপী ন শ্ৰুয়তে।
মুক্তাকাৰ ত্বয়া ত্বদেৱ নলিনী পত্ৰোদৰে লক্ষ্যতে।।
মুক্তাস্ফোট পুনৰ্মুখে নিপতিতং মুক্তেৱ সাক্ষাৎ ভৱেৎ।
প্ৰায়েনাধমধ্যমোত্তমযুয়াং এৱম্বিধা বৃত্তয়া।।

যেনেকৈ লোহা এদুখৰি তপত কৰি তাত যদি পানী এটোপাল দিয়া হয়, সি তৎক্ষণাৎ ধোঁৱাৰ আকৃতি ধৰি নাইকীয়া হয়, পদ্ম-পত্ৰত পেলাই দিলে মুকুতাৰ আকাৰ হয়। সাগৰত থকা মুক্তা স্ফোটৰ মুখত পৰিলে সচাঁকৈয়ে মুকুতাই হয়। এইদৰেই ঈশ্বৰে অৱতাৰ ধৰি অধৰ্ম্মীক নাশ কৰি সত্যপথ হেৰুৱাই কশামুৰি লগা মানুহক ধৰ্ম্মপথ দেখুৱাই থৈ যায়। যেনে—পৃথিৱীয়ে নিজ শক্তি হৰণ কৰা বাবে দেশত অধৰ্ম্মৰ

বল বাঢ়ে, সেই অত্যাচাৰ নিবাৰণৰ নিমিত্তে পৃথু অৱতাৰ হয়, ৰাৱণৰ অত্যাচাৰ নিবাৰণৰ নিমিত্তে ৰাম অৱতাৰ, হিৰণ্যাক্ষৰ নিমিত্তে হৰি অৱতাৰ, কংসৰ নিমিত্তে কৃষ্ণ অৱতাৰ হয়, এইদৰেই ভণ্ডামি শাক্তৰ বিৰুদ্ধে শঙ্কৰদেৱ অৱতাৰ হয়।

## শ্ৰীশ্ৰীশঙ্কৰদেৱ অৱতাৰৰ কাৰণ

পুৰুষানুক্ৰমে চলি আহোঁতে আহোঁতে আচল সত্য ও অহিংসা ধৰ্ম্ম পাহৰি সংসাৰৰ খেলি মেলিত পৰি আকৌ সমাজে আন বাট ল'লে। ধৰ্ম্মৰ ভাৱেৰে বেদৰ নাম কৈ তন্ত্ৰৰ আৰ্হি দেখুৱাই শক্তি উপাসাৰ আশ্ৰয় লৈ দেশত নানা ৰকম ভ্ৰষ্টাচাৰী পথ অবলম্বন কৰি বাটে, ঘাটে, গছৰ গুৰিত, পোতা পুখুৰী পাৰত, তিনি আলীৰ মুৰত পূজা কৰা, হাঁহ, পাৰ, কুকুৰা, গাহৰি আদি কটা-চিঙ্গা কৰি হিংসা ধৰ্ম্মত পৰিপূৰ্ণ হৈ লাহে লাহে নৰবলি পৰ্য্যন্ত হ'বলৈ ধৰিলে। বাহঁৰ কাঠি ফটা-কানিৰ পুতলা এখনৰ আগত মহামায়াৰ নাম কৈ যেতিয়া এই ভয়ঙ্কৰ হিংসা ধৰ্ম্মৰ টোৱে তল ওপৰ লগাবলৈ ধৰিলে, তেতিয়া আদ্য শক্তিয়ে ভাৱিবলৈ ধৰিলে।

মম নাম্না পশুং হত্বা ৱধভাগি নৰাধমঃ।
অস্য তত্ত্বং ন জানাতি মাতা কিং খাদতি সুতং।।

মোৰ নাম কৈ নৰাধমহঁতে পশুবধৰ ভাৰ লয় মাথোন। এইদৰে নেজানেনে সংসাৰৰ পশু-পক্ষী, কীট-পটঙ্গ সকলো মোৰে পুত্ৰ। ইয়াৰ ভিতৰত মানুহকিটা বলবান; পশু-পক্ষী বোৰ নিৰ্ব্বলি। তেনে মোৰ নিৰ্ব্বলি সন্তানবোৰক বলবান কিটাই কাটি মোক খাবলৈ দিলে মই কিমান ভাল পাম? নিৰ্ব্বলী বা নুমলিয়া পুতেকৰ ওপৰত মাকৰ যে মৰম বেছি তাক সকলোৱে জানে; সকলোৱে দেখিছে। সুপুত্ৰ-কুপুত্ৰ দুই মাতৃৰ চকুত সমান। ইত্যাদি পৰমাত্মা পৰমব্ৰহ্মায়ে মনে মনে ভাৱিবলৈ ধৰিলে।

সকলো লোকত মই আত্মা ৰূপে স্থিত।
বহু হিংসা তথাপি আচৰে সেহি পথ।।
পুত্ৰতুল্য পশু পক্ষী পোষে স্নেহ্র পাই।
যি বেলাত কাটে তিল মাত্ৰো স্নেহ নাই।।
কাটিবাৰ বেলা জ্ঞাতি আনন্দ কৰয়।
যদি আনে নষ্ট কৰে-শোক অতিশয়।।
সেহি মই একে জীৱ হেন জ্ঞান নাই।

তাক কাটি দিয়া পূজে তাৰে মাংস খাই।।
মই আত্মা মোকে কাটে কেনে মহা দুষ্ট।
মোহোৰ হিংসাত কোন দেৱ হৈবে তুষ্ট।।
যিতো দেৱ পূজয় তাহাৰো অন্তৰ্য্যামী।
শুভাশুভ ইষ্ট নিষ্ঠা ফল দাতা স্বামী।।
আৰু সংসাৰৰ দেখা মই নিজ বাপ।
পিতৃ দ্ৰোহ তথাপি আছৰে নিজ পাপ।।
পৰ জীৱ বধে আপোনাৰ ভাল অৰ্থে।
এহি নৰকৰ হেতু জন্ম ভৈলা বৃথে।।
দৈৱ-বশে চিৰকাল নৰক এড়াই।
তভো সিংহ ব্যাঘ্ৰ শ্বান সৰ্প যোনি পাই।।

এইবিলাক ভাৱি নিৰাকাৰ ব্ৰহ্মাই আকৌ ভাৰতৰ চাৰিদিশে চাৰি অংশে অৱতাৰ গ্ৰহণ কৰে। এই চাৰি জনৰ ভিতৰত প্ৰধান অৱতাৰ আৰু যুগ ধৰ্ম্ম প্ৰৱৰ্ত্তকৰ নিজ মুৰ্ত্তি ধৰি পূব দিশে আসাম কামৰূপৰ মধ্য বৰদোৱাত শ্ৰীশ্ৰীশঙ্কৰ দেৱৰ জন্ম হয়। শঙ্কৰদেৱ যুগ-ধৰ্ম্ম প্ৰৱৰ্ত্তকৰ ঈশ্বৰ অৱতাৰ, এওঁৰ জন্ম ভূমি বৰদোৱা।

---

## তৃতীয় অধ্যায়

(শ্ৰীশ্ৰীশঙ্কৰদেৱৰ অৱতাৰৰ সময় ও প্ৰমাণ)

১ ৭ ৩ ১

শশাঙ্কে তুৰঙ্গে ৰহ্নৌ নিশানাথেশ্চ ধীমতি।

শাকে প্ৰীতি কৰিষ্যামি যশোদা নন্দয়ো তথা।।

৯ ১১

গ্ৰহ ৰুদ্ৰৱৰ্ষাণি শঙ্কৰ স্থিতি ভূতলে।।

০ ৯ ৪ ১

আকাশং গ্ৰহ ৱেদ ব্ৰহ্ম নিষজ্জৌজ্ঞানান্ধকাৰান্তকৃৎ।

স লোকান্ ৰঞ্জন গুণগুণৈ ৱৈকুণ্ঠলোক যযৌ।।

কলৌ আদ্য গতে ৱৰ্ষে 'খ' 'ৱাণ' 'ইষু' বেদকে।

ৱটদ্ৰৱা নাম গ্ৰামে ৱিষ্ণুৰৱষ্যতি।।

ৱকাৰাদিনি নামানি শকাৰ হৰিৰুচ্যতে।

ভক্তি পন্থা প্ৰকাশিতঃ ৱৰ্ণিতং কৃষ্ণ চৰিতঃ।।

—হৰগৌৰী সংৱাদে।

ভাদ্ৰ উকলিয়া দশ দিন আশ্বিনৰ।

শুকুলা দশমী তিথি ভৈল শঙ্কৰৰ।।

আশ্বিন প্ৰৱেশি দশ দিন বহি গৈলা।

সেহি দিনা শঙ্কৰদেৱৰ জন্ম ভৈলা।।

জগত গুৰুৰ খ্যাতি জন্ম শুক্ৰ বাৰ।

জনম মৰণহীন লীলা যোনীদ্বাৰ।।

পাঞ্চ হাঁছি মাৰি বাজ ভৈলা নাৰায়ণ।

মহাপুৰুষৰ মাৱ সতীৰ সাধন।।

মহাপুৰুষ শঙ্কৰদেৱ ১৩৭১ শঁকত বৰদোৱা থানত জন্মহৈ ১১৯ বছৰ পৃথিৱীত

একশৰণ নাম-ধৰ্ম্ম হৰি-ভক্তি প্ৰকাশ কৰি ১৪৯০ শকত বৈকুণ্ঠ লোকলৈ গুছি গ'ল।

ব্যাস শিষ্য মহা প্ৰাজ্ঞ সৰ্ব্বৱেদ ৱিদ্যাম্বৰ।
শ্ৰুতৱৰ মুখাম্ভোজ্যাৎ পুৰাণ সংহিতা শুভা।।
সত্য ত্ৰেতা দ্বাপৰাণাং ব্যৱস্থাতে মুখাৎ শ্ৰুত।
চতুৰ্থস্য যুগশ্চৈৱ ধৰ্ম্মাৰ্ম্মৱস্থাদা নঘ।।

শৌনকাদি ঋষি পুছে সুত মহাজন।
তযু মুখে শুনি আছো সংহিতা পুৰাণ।
সত্য ত্ৰেতা দ্বাপৰৰ শুনি আছো কথা।
কলি যুগ ধৰ্ম্ম আৰে কহিওক এথা।।

সাধু পৃষ্ট মহাভাগাঃ মুনয়ো ৱিমলাশয়াঃ।
যদাহ ভগৱান ৰূদ্ৰঃ পৃষ্টো গিৰীজয়া ৱিভুঃ।।
শৃণুশ্চ তন্মুখান্মহ্যং সাৱধানে মহৰ্ষয়।।২।।

সুত নিগদতি শুদ্ধাশয় মুনিগণ।
পৰম পৱিত্ৰ কথা কহিবো এখন।
যিটো কথা মহেশানি দেৱীৰ প্ৰশ্নত।
ৰূদ্ৰদেৱে প্ৰকাশিয়া কহিলা পূৰ্ব্বত।।
তাক প্ৰপঞ্চিয়া কহো শুনিলোহো যেন।
সাৱধানে শুনিওক মুনি মহাজন।।

দেৱ দেৱ মহাদেৱ সৰ্ব্ব সংহাৰ কাৰক।
দুষ্টেন কলিনা ধৰ্ম্মে নাশিতে ক্ষোণী মণ্ডলে।।
সংসাৰাৰ্ণৱতৰণেকিমূপায়েনৃনাংপ্ৰভো।
এতন্মে ব্ৰুহি ভগৱান কৃপয়া পৰমেশ্বৰ।।

পাৰ্ব্বতী ৱদতি স্বামী প্ৰভো শূলপাণি।
সৰ্ব্ব সংহাৰক দেৱ দেৱ মহামানি।।
দুষ্ট কলি পৃথিৱীৰ ধৰ্ম্মক নাশিব।
সংসাৰ তৰিতে নৰে কি উপায় হৈব।।

তাক কহিওক কৃপাময় মহেশ্বৰ।
শুনিয়া দিলন্ত শিৱে দেৱীক উত্তৰ।।

শৃণুতৎপৰমেশানী যথা মে পৰিপৃচ্ছসি।
আদৌ সত্যে শুদ্ধধৰ্ম্মো আসীদ্বৈ হৰিনামকং।।
অকৃতা যজ্ঞ দানানি মন্ত্ৰ হোমাদিকানি চ।
বৈকুণ্ঠ লোকে তৎস্থানং হৰি নাম্নৈৱ লভ্যতে।।
যজ্ঞদান ৱহিৰ্ভূতাঃ লোকান্ দৃষ্টা দিৱৈকশঃ।
কপতে নৈৱ নামানি গোপয়া মানুযো যথা।।
তান্যেৱ হৰি নামানি ৰাম কৃষ্ণাৱতাৰতঃ।
ৱ্যক্তিকৃত্য কলৌলোকান্ বহুশঃ চোদ্ধৰিষ্যতি।।

শুনিও পাৰ্ব্বতী যেন পুচিলা আমাত।
আদি সত্য যুগে হৰি নাম আছিলন্ত।।
যজ্ঞ দান হোম কিছু লোকে নকৰন্ত।
দেখি দেৱগণে তাত বিষাদ পাইলন্ত।।
যজ্ঞাদি নকৰি লোকে বৈকুণ্ঠক যায়।
জানি দেৱগণে তাত কপত কৰায়।।
নামক গোপন কৰাই থোৱাইলন্ত আতি।
তাত পাছে সেহি নাম প্ৰকাশ ভৈলন্তি।।
ৰাম কৃষ্ণ অৱতাৰ ধৰিয়া মাধৱ।
নাম ব্যক্ত কৰি কলি লোক উদ্ধাৰিব।।

ধৰ্ম্মলোপ সমাজ্ঞায় ভগৱান হৰিৰীশ্বৰ।
স পাৰ্ষদ স্বাৱতীৰ্য্য সধৰ্ম্মম্পালয়িষ্যতি।।

ধৰ্ম্মল্োপ কৰে জানি জগত আধাৰ।
পাৰ্ষদ সহিতে গৈয়া হৈব অৱতাৰ।।
বৌদ্ধ ধৰ্ম্ম বিনাশিয়া ধৰ্ম্মক পালিব।
সিকাৰণে হৰি চাৰি অংশে গৈয়া হৈব।।
শ্ৰীচৈতন্যোহৰিব্যাসোৰমানন্দোচশঙ্কৰঃ।
এতে খলু ভৱিষ্যন্তি কলৌ ধৰ্ম্ম প্ৰৱৰ্ত্তকঃ।।

পূৰ্ব্বেচপশ্চিমেশ্চৈৱদক্ষিণেচোত্তৰে তথা।
এতেষাং উপদেশেন তৰিষ্যন্তি কলৌ নৰাঃ।।

শ্ৰীচৈতন্য শ্ৰীশঙ্কৰ আৰু হৰিব্যাস।
ৰমানন্দ সমে চাৰি হৈৰন্ত প্ৰকাশ।।
তাহাৰা কলিত হৈব ধৰ্ম্ম প্ৰবৰ্ত্তক।
দক্ষিণ পশ্চিম পূৰ্ব্বে উত্তৰ দিশক।।
ইসৱৰ উপদেশে কলিৰ লোকৰ।
তৰণ উপায় হৈব জানা দেৱী সাৰ।

নীলকণ্ঠ মহাভাগ ৱদতো ৱদাতাম্বৰ।
কামৰূপস্তু যৎ স্থানং মমক্ষেত্ৰং সুখাৱহং।।
কামাখ্যাৰূপিণী চাহমভৱন্ যত্ৰ শঙ্কৰ।
ৱিশুদ্ধ যত্ৰ তে লিঙ্গং ৱিশ্বনাথং মহেশ্বৰঃ।।
যত্ৰ শ্ৰীমাধৱো ৱিষ্ণুঃ হয়গ্ৰীৱ স্বৰূপধৃক।
তত্ৰ অনন্ত লোকানাং আচাৰ্য্যকোভৱিষ্যতি।।

পাৰ্ব্বতী বদতি নীলকণ্ঠ মহাদেৱ।
কহিও আমাকি তযু পদে কৰো সেৱ।।
কামৰূপ স্থান মোৰ ক্ষেত্ৰ সুখাবহ।
কামাখ্যাৰূপিণী মই কৰোহো নিৰ্ব্বাহ।।
যিটো স্থানে তৱ লিঙ্গ আছে বিশ্বনাথ
মাধৱ নামত হয়গ্ৰীৱ জগন্নাথ।।
তথাত আছন্ত যত লোক নিৰন্তৰ।
তাৰ ধৰ্ম্মাচাৰ্য্য লোক হৈব মহেশ্বৰ।।

কামৰূপস্তু তে ক্ষেত্ৰং কমনীয়ং ৱৰাণনে।
অৱতৰিস্য তদ্দেশে ৱিষ্ণু ব্ৰহ্মাদিভিৰ্ৱৃতঃ।।
ততো পন্যে আচাৰ্য্যাঃ ৱিমলাশয়াঃ।
ভক্তি মাৰ্গোপদেষ্টাৰ সৰ্ব্বলোক হিতে ৰতাঃ।।
মহাদেৱ নিগদতি শুনা বৰাণনী।
কামৰূপ তৱ ক্ষেত্ৰ আছয় শোভনী।।

তাত ব্ৰহ্মা আদি দেৱগণ সমন্বিতে।
হৈবে অৱতাৰ হৰি কহিলো সাম্প্ৰতে।।
আন আন আচাৰ্য্য সকল সুনিৰ্ম্মল।
ভক্তি প্ৰদৰ্শক পথ দেখাইয়া বিপুল।।
লোকৰ হিতৰ অৰ্থে প্ৰচাৰ কৰিব।
যাক লভি লোক সৱে ভৱ পাৰ পাইব।।

কস্মিন্ গ্ৰামেহি ভগৱান নাম্না কেন জগদ্গুৰু।
সম্ভৱিষ্যতি ৱৈ ৱিষ্ণু ৱেদনঃ কৃপয়েশ্বৰ।।

পাৰ্ব্বতী বদতি শুনা জগতৰ গুৰু।
কোন দেশে কিবা নামে হৰি কল্পতৰু।।
প্ৰকাশ হৈবেক যেন প্ৰভু কৃপাময়।
তাক কহিয়োক যেন জানা পৰিচয়।।

কুসুমো নামতঃ ভাৰি কায়স্থঃ সুমহাযশাঃ।
নামনি ৱটদ্ৰৱা গ্ৰামে তজ্জায়া সত্যসন্ধিকা।।
অপত্ৰস্য প্ৰৱয়সঃ কুসুমস্য মহাত্মনঃ।
মতিৰ্ভৱিষ্যতি শুভা শিৱলিঙ্গ প্ৰপূজনে।।

ঈশ্বৰ বদতি শুনা পাৰ্ব্বতী গোসানী।
যেন মতে অৱতাৰ হৈব চক্ৰপানি।।
হৈবেক কুসুম নাম কায়স্থ প্ৰধান।
বটদ্ৰৱা নাম গ্ৰামে মহাযশৱান।।
তান ভাৰ্য্যা হৈব সত্যসন্ধিকা নামত।
অপুত্ৰক হন্তে বহু বয়স যাইবন্ত।।
মনত ভাৱিয়া পাইব কুসুম প্ৰধান।
শিৱ অৰ্চ্চা কৰি মই হৈবো পুত্ৰবান।।

ততঃ সম্পূজ্য গিৰীশং নিদ্ৰয়া স্থাস্যতে নিশি।
জায়ায়া সত্যসন্ধায়া স্বপ্নেহং ৰুচিৰাণনে।।
মূণ্ডমালি জটাধাৰী পঞ্চবক্ত্ৰ পিণাকধৃক্।

সাক্ষাত্ত্বয় ৱদিস্যমি স্থানং মে দেহি সুন্দৰী ।।
ইত্যুক্তৱন্তং মাং দৃষ্টা ৱিকটং ঘোৰ ৰূপিণং ।
ভয়াৱেসেন সা দেৱী নেত্ৰং সংমূদ্ৰয়িষ্যতি ।।

তাত পৰে আমাক পূজিয়া দুই জন ।
শয়ন কৰিয়া ৰৈব আনন্দিত মন ।।
স্বপ্নে সত্যসন্ধাক দৰ্শন দিবো মই ।
মুণ্ডমালি জটাধাৰী পঞ্চ বক্ত্ৰ হুই ।।
সাক্ষাতে কহিবো স্থান দিয়োক সুন্দৰী ।
মোৰ ঘোৰ মুৰ্ত্তি দেখি তেহো যাইব ডৰি ।।
ভয় পায়া দেৱী পাছে নেত্ৰক মুদিব ।
শুনা দেৱী তাত পৰে যেন কথা হৈব ।।

এতস্মিন্নন্তৰে ৱিষ্ণুৰ্ভক্তানাং অভয়ংকৰ ।
চতুৰ্ভুজাতু চক্ৰাসি গদাশঙ্খাম্বুজাযুধঃ ।।
মমস্কন্ধসমাৰুঢ়ঃ তস্যা প্ৰাদুৰ্ভৱিষ্যতি ।
ততঃ সা সনৈকৈৰ্ন্নেত্ৰে উন্মিল্যে শান্ত ৰূপিণং ।
হৰি দৃষ্টা চতুৰ্ব্বাহুং জাত হৰ্ষো ভৱিষ্যতি ।

পাছে ভকতৰ ভয় নাশন মুৰাৰি ।
চতুৰ্ভুজ শঙ্খ চক্ৰ গদা পদ্মধাৰী ।।
সেহি ৰূপে মোহোৰ স্কন্ধত আৰোহিয়া ।
দেৱী সত্যসন্ধাক দৰ্শন দিব গৈয়া ।।
পাছে দেৱী লাসে লাসে নয়ন মেলিব ।
শান্ত মূৰ্ত্তি চতুৰ্ভুজ হৰিক দেখিব ।।
তাঙ্ক দেখি পৰম আনন্দ হৈয়া ৰৈব ।
দেখি বিষ্ণু মোক পাছে বচন বুলিব ।।

তন্নাম্না সম্ভাৱিষ্যামি অস্যা গৰ্ভে মহেশ্বৰ ।
খেদং মা কুৰু ভুতেশ এৱমুক্তেহৰৌময়ী ।।

বিষ্ণু নিগদতি শুনা দেৱ মহেশ্বৰ ।
তযু নামে আন গৰ্ভে হৈবো অৱতাৰ ।।

খেদ নকৰিবা তুমি দেৱ পশুপতি।
তোমাৰ বাঞ্ছিত মই কৰিবো সম্প্ৰতি।।

হৰিমদংসমাৰূঢ়ংসত্যসন্ধোত্তমাঙ্গকে।
স্থাপয়িত্বা গমিষ্যামি পৰিশ্ৰম্য জগৎপতে।।

বিষ্ণুৰ সিমত বাণী আনন্দে শুনিয়া।
স্কন্ধ হৈতে নিয়া সত্যসন্ধা স্কন্ধে দিয়া।।
তাত স্থাপি প্ৰদক্ষিণে নমি মাধৱক।
চলিয়া আসিবো দেৱী আপোন স্থানক।।

দৃষ্টা তাৱৎ সত্যসন্ধা জাত হৰ্ষাস্ব ৱেপথুঃ।
নিদ্ৰায়া সা সমৎকায় ভৰ্ত্তুৰগ্ৰে ৱদিষ্যতি।।
তদ্বাক্য কুসুমো শ্ৰুত্বা প্ৰশংসস্যগৃহে স্থিতে।

দেখি সত্য সন্ধা সকম্পিত হৰ্ষ মনে।
নিদ্ৰা ত্যজি স্বামীক কহিব সাৱধানে।।
শুনিয়া কুসুম ভূঞাঁ প্ৰসংশিয়া আতি।
আপোন গৃহক গৈয়া ৰহন্তে তহিতি।।
ততশ্চ দশভি মাসৈ পুত্ৰাজাতো ভৱিষ্যতি।
শ্ৰীশঙ্কৰো ইতি খ্যাতো গঙ্গাধৰ ইতি স্মৃতঃ।।
ততশ্চানুদিনন্তস্য ৱালকৈ ৱিহৰিষ্যতি।
পঠিতুং শাস্ত্ৰসঙ্ঘানি ভৱিষ্যত্যমলামতি।।

পাছে সত্যসন্ধা দেৱী গৰ্ভাৱতী হৈল।
দশমাস পূৰ্ণ ভৈলে পুত্ৰ প্ৰসৱিল।।
শ্ৰীশঙ্কৰ গঙ্গাধৰ নাম হৈব আগে।
ক্ৰমে বিহাৰিব নিজ বালকৰ লগে।।
শাস্ত্ৰসকলক পঢ়িবাৰ অৰ্থে তান।
সুনিৰ্ম্মল মতি আতি হৈব বিদ্যমান।।

কস্মিন স্থানে শঙ্কৰস্তু শাস্ত্ৰ পাঠং কৰিষ্যতি।
কৈৱৰ্ব্বাকস্য মুখাদ্বাপি কতি ধৰ্ষাণি ৱা প্ৰভো।।

পাৰ্ব্বতী বদতি মহেশ্বৰ ভগৱান।
কোন স্থানে কাৰমুখে কত বৰ্ত্তমান।।
শঙ্কৰে পঢ়িব শাস্ত্ৰ তাক কহিওক।
পৰম আনন্দ মনে শুনো যেন তাক।।

গোপেশ্বৰস্য নিকতে ব্ৰহ্মপুত্ৰ তটে তথা।
ৱিসেশ্বৰী নদী যত্ৰ ঘগৰা নামকো হ্ৰুদঃ।।
শৃঙ্গি নাম নগো যত্ৰ তৎক্ষেত্ৰং সুখদং নৃনাং।
ঋষ্যশৃঙ্গ নাম ঋষিস্তত্ৰ জাতো ভৱিষ্যতি।।
মহেন্দ্ৰ কন্দলি নাম্না ৱিপ্ৰ ৱেদ ৱিশাৰদা।
সবহূন ৱিপ্ৰ পুত্ৰাংশ্চশাস্ত্ৰনাধ্যাপিয়িষ্যতি।।

ঈশ্বৰ কহন্ত শুনা দেৱী ভগৱতী।
ব্ৰহ্মপুত্ৰ তীৰে গোপেশ্বৰ আছে যৈতি।।
শিঙ্গৰি নামত নগ পৰম প্ৰখ্যাত।
বিশেশ্বৰী নদী তাত ৱহন্ত সাক্ষাৎ।।
ঘগৰা নামত তাৰ হ্ৰুদ অনুপম।
পৰম সুখদ ক্ষেত্ৰ নাহি তাক সম।।
ঋষ্যশৃঙ্গ ঋষি আসি তহিতে জন্মিব।
মহেন্দ্ৰকন্দলি বিপ্ৰ তান নাম হৈব।

তস্যাৱৈ পাঠশালায়াং শঙ্কৰঃ কুসুমাত্মজঃ।
ৰাম ৰামেণ মিত্ৰেণ শাকং শাস্ত্ৰ পঠিষ্যতি।।

পাঠশালা পাতি বহু বিপ্ৰ পুত্ৰগণ।
তেহে পঢ়াইবেক কৰি অনেক যতন।।
সেহি পাঠশালাক শঙ্কৰদেৱ যাইব।
ৰাম ৰাম মিত্ৰ সমে শাস্ত্ৰ অধ্যাপিব।।

শঙ্কৰস্য যো মিত্ৰ ৰাম ৰাম বৃষধ্বজ।
শ্ৰোতুমিশ্চামি তন্দেৱ কৃপয়া ব্ৰুহিমেনঘ।।

পূনু পুছিলন্ত দেৱী পাৰ্ব্বতী গোসানী।

যিটো শঙ্কৰৰ মিত্ৰ দেৱ শূলপাণি।।
তাহাৰ কহিও কথা শুনিবাক চাওঁ।
তযু মুখে শুনি বৰ আনন্দক পাওঁ।।

যো হৰের্ন্নাভি কমলে স্বয়ম্ভূ চতুৰাণনঃ।
অশ্ৰাক্ষিত জগতিমেতাং সাব্ধিদ্বীপাং।

সৱিধি ৱিপ্ৰ ৰূপেণ তত্ৰ যাতো ভৱিষ্যতি।
ৰাম ৰাম ইতি খ্যাতো কলয়াৰচিৰাণনে।
শঙ্কৰেণ সমংতস্য সখিত্বং সম্ভৱিষ্যতি।
কেশৱাৰ্জ্জুনয়োৰেৱ নভৱিষ্যন্তি চান্তৰং।।

বদতি শঙ্কৰ শুনা দেৱী বৰাণনী।
সেই কথা কহো মই শুনিয়ো ঐশানি।।
হৰিৰ নাভিত হন্তে যিটো উতপন।
জগত স্ৰজিলা দেৱ চতুৰ আনন।।
অংশে বিপ্ৰৰূপে শঙ্কৰৰ মিত্ৰ হৈব।
ৰাম ৰাম নাম বুলি সকলে কহিব।।
সখিত্ব হৈবেক অতি তথা দুইহান্তৰ।
কৃষ্ণাৰ্জ্জুন মধ্যে যেন নহৈব অন্তৰ।।
পঠন্তং শঙ্কৰং দৃষ্টা সৰ্ব্বে ছাত্ৰাদ্বিজাত্মজা।
আজ্ঞায় ঈশ্বৰশ্চাংশং শূদ্ৰং মত্বাহিদাম্ভিকাঃ।।
কৰিষ্যন্ত্যসূয়াং ভদ্ৰে শৃনুৱন্তং যথা সতী।।

শঙ্কৰক পঢ়িবাৰ দেখি ছাত্ৰগণে।
ঈশ্বৰাংশ নজানিয়া শূদ্ৰ মানি মনে।।
অসূয়া কৰন্তে যেন হৈবন্ত বৃত্তান্ত।
তাক শুনিয়োক দেৱী হুয়া মন শান্ত।।

মহেন্দ্ৰো দ্ৰক্ষতি স্বপ্নে মহাপুৰুষ লক্ষণং।
ৰাম ৰামেণ সাকংহি শঙ্কৰং পাৰয়িষ্যতি।।
মত্বা নাৰায়ণ স্যাংসশ্ৰদ্ধয়া দশ ৱৎসৰং।

কলাপ কাব্য জ্যোতিষং ইতিহাসং শ্রুতিস্মৃতিন্।।
পুৰাণাদিনী শাস্ত্রাণি গুৰুৰধ্যাপয়িস্যতি।।

সপোনত দেখিব মহেন্দ্র দ্বিজ বৰ।
ৰাম ৰাম সমে শ্রীশঙ্কৰক ঈশ্বৰ।।
নাৰায়ণ অংশ জানি কৰিয়া সাদৰ।
দশবর্ষ পঢ়াইবেক শাস্ত্র বহুতৰ।।

পঠিত্বা শাস্ত্রসম্ঘাশ্চ ৰামৰামেণ শঙ্কৰঃ।
গুৰৱে দক্ষিণাং দত্বা যাস্যতি নিজমন্দিৰে।।
মহেন্দ্রকন্দলি ৱিপ্রঃ পৰলোকং গমিষ্যতি।
গৃহে স্থাস্যন্ শঙ্কৰস্তু যোগাভ্যাসং কৰিষ্যতি।।

গুৰুক দক্ষিণা দিয়া ঘৰক চলিব।
তথাত প্রথমে যোগ অভ্যাস কৰিব।।
মহেন্দ্রকন্দলি দ্বিজ যাইবে পৰলোক।
শঙ্কৰেও গৃহে থাকি কৰিব যোগক।।

ৱর্ষাণকতিপয়ান্ দেৱী তীর্থানি পর্য্যতিষ্যতি।
গঙ্গাম্বাৰাণসীং ক্ষেত্রং বৃন্দাৱনমুখানিচ।।
সংসেক ৰাম ৰামেণ যাশ্যতি নিজ মন্দিৰে।
যৎ ভৱিষ্যতি কৈল্যাণী বৃত্তান্ত শৃণুতৎপৰঃ।।

পাছে কতিপয় বর্ষ তীর্থ যাত্রা কৰি।
গঙ্গা জগন্নাথ আদি সেৱিব সাদৰি।।
পাছে ৰামৰাম সমে ঘৰক আসিয়া।
যি কৰিবে শুনা মন স্থিৰক কৰিয়া।।

ৱৈয়াশিকির্ম্মহা যোগী শুকোৱৈ ব্রহ্মৰূপধৃক্।
ধৰ্ম্মে পৰমহংসেচ নিষ্ঠিতো ৱিমলাশয়ঃ।।
জগদীশ ইতিখ্যাতো জগন্নাথ প্রচোদিতঃ।
আনিত্বা শ্রীভাগৱতং সাত্বতং তন্ত্রমুত্তমং।।

সৰাম ৰামস্তত্ৰেত্য শঙ্কৰ শ্ৰাবয়িষ্যতি।
ৱিষ্ণোৰ্ন্নাম্নাং সহস্ৰাঞ্চ গীতা শাস্ত্ৰং তথৈৱচ।।
এতানি প্ৰত্যহং শ্ৰুত্বা ৱিচাৰ্য্যচ পুনঃ পুনঃ।
কেশৱান্ন পৰো দেৱো ন নাম্নাৎ ধৰ্ম্মমুত্তমঃ।।
ন তৎজ্জনাৎ পৰো বন্ধুঃ ন ভক্তি সজ্জনাদ্বিনা।

ব্যাস পুত্ৰ মহাভাগৱত শুক মুনি।
জগদীশ নামে দ্বিজ হৈবেক আপুনি।।
তেহো জগন্নাথৰ আদেশ প্ৰতিপালি।
ভাগৱত শাস্ত্ৰ পঞ্চৰাত্ৰ তন্ত্ৰ আনি।।
ৰামৰাম সমে শঙ্কৰক শুনাইবেক।
বিষ্ণুৰ সহস্ৰ নাম আৰৱ গীতাক।।
তাক শুনি শঙ্কৰে মনত বাৰম্বাৰ।
বিচাৰিয়া স্থিৰ পাছে কৰিবন্ত সাৰ।।
কেশৱেশে দেৱ ধৰ্ম্ম নামেসে নিশ্চয়।
ভক্তেসে পৰম বন্ধু ভক্তে ভক্তিময়।।
আতপৰে নাহি নাহি কলিৰ লোকৰ।
তাকে স্থিৰ কৰিবন্ত নাহিকে আৰৱ।।

এৱংশাণ্ডিল্যে গিৰীজে কেশৱে ভক্তিমুত্তমাং।
আচৰিস্যন্ স্বয়ং দেৱী লোকান্ সমুপদেশ্যতি।।
তস্যোপদেশমাশ্ৰিতা বহৱো মনুজস্তদা।
ভৱবন্ধ ৱিনিৰ্মুক্তা যাস্যতি কেশৱালয়ং।।
তস্মাৎ সপ্তভৱিষ্যন্তি আচাৰ্য্যাঃ হৰিতৎপৰাঃ।
ৰামৰামো হৰিশ্চৈৱ দামোদৰ ইতিদ্বিজাঃ।।
মাধৱশ্চৈৱ তন্মুখ্য আসিৎ নাৰায়ণ্তথা।
মনু হৰি হৰশ্চৈৱ এতে তৎধৰ্ম্মধাৰকাঃ।।

তাক চিন্তি কেশৱত ভক্তি ধৰি আতি।
তাক উপদেশ দিৱ লোকত তহিতি।।
সেই উপদেশক আচৰি বহুলোক।
ভৱবন্ধ তৰি যাইব কেশৱৰ লোক।।

তানহন্তে হইবে আচাৰ্য্য সাত জন।
সি সৱাতো হন্তে হৈবে লোকৰ তৰণ।।
ৰাম ৰাম হৰি দামোদৰ দ্বিজবৰ।
মনু হৰি নাৰায়ণ মাধৱ শ্ৰেষ্ঠতৰ।।

কুতোऽপি কাৰণাৎ পূৰ্ব্ব দেশংত্যক্ত্বাচ শঙ্কৰঃ।
ৱাসং কৰিষ্যতি স্থানে সৰ্ব্বোপদ্ৰৱ ৱৰ্জ্জিতে।।
তৎতে ৱদামি কৈল্যাণী শৃণো বৃত্তমতঃ পৰং।
পাট্টৱাস্যাহ্বয়ং স্থানং ৱেত্ৰ কিচক সংকুলং।।
ফলৱৎ বৃক্ষ সংচিন্ন পশুপক্ষী নিনাদিতং।
দৃষ্টাশ্চৈৱম্বিধং ক্ষেত্ৰং ৰাম ৰামেণ শঙ্কৰঃ।।
স মাধৱশ্চ তত্ৰৈৱ নিৱাসিস্যতি পাৰ্ব্বতী।।

কোন কাৰণত দেৱ শঙ্কৰ প্ৰধান।
পূৰ্ব্বদেশ চাৰি বাস কৰি আন স্থান।।
তাহাৰ বৃত্তান্ত আৰে শুনিয়ো কল্যাণী।
যিটো স্থানে ৰহিব শঙ্কৰ মহামানী।।
পাটবাউসি নাম মহা পৰম শোভন।
বেত্ৰ বাংস উপবাংস যৈত বিতোপন।।
নানা ফলে ফুলে সুশোভিত যিটো স্থান।
সদা পশু পক্ষী নাদ কৰয় শোভন।।
সেহি ক্ষেত্ৰ ৰাম ৰাম শঙ্কৰে দেখিয়া।
মাধৱ সহিতে বাস কৰিবন্ত গৈয়া।।

মমৱংশ সমুদ্ভুতো নৰনাৰয়ণাভিধঃ।
নৃপতি শঙ্কৰং তত্ৰ অভিৱেস্যতি সুন্দৰী।।
ধৰ্ম্মৰাজং মহদ্বৰ্য্যং ভক্তিমাৰ্গ প্ৰৱৰ্ত্তকং।
স্থানে তস্মিন্ ৱৰাৰোহে শঙ্কৰঃ সাধুভিৰ্ব্বৃতঃ।।
ধৰ্ম্ম ভাগৱতং শুদ্ধং অষ্টাধিক দশাব্দকং।
মাসষ্টকাধিকম্বিষ্ণোঃ শ্ৰৱণং কীৰ্ত্তনং শিৱং।।
উপদিশ্য কলের্লোকান্নোদ্ধৰিষ্যতি পাৰ্ব্বতী।।

মোহোৰ বংশত উৎপন্ন ৰাজ্যবৰ।

নৰনাৰায়ণ নাম গুণে শ্ৰেষ্টতৰ।।
তেহো শঙ্কৰক তাত অভিষেক কৰি।
স্থাপিবেক জানা তুমি পৰম সুন্দৰী।।
পৰম ধৰ্ম্মৰ মহাবীজ ভক্তি পন্থ।
তথাত কৰিব ভক্তি প্ৰৱৰ্ত্তক গ্ৰন্থ।।

যান্মাস অধিক তথা আঠাৰ বৎসৰ।
মহা ভাগৱত ধৰ্ম্ম কৰিয়া প্ৰচাৰ।।
উপদেশ দিয়া শুদ্ধ শ্ৰৱণ কীৰ্ত্তন।
কৃপাকৰি উদ্ধাৰিব দেৱী নৰগণ।।

ভগৱান শ্ৰোতুমিচ্ছামি চৰিত্ৰং মাধৱৈসচ।
দামোদৰস্যচ ৱিভোঃ কৃপয়া কথয়েশ্বৰ।।

পাৰ্ব্বতী বদতী পুনৰ্বাৰ মহেশ্বৰ।
শুনিবাক ইচ্ছাকথা মাধৱ দেৱৰ।।
দামোদৰ দ্বিজৰ চৰিত্ৰ সুশোভন।
কৃপায়ে কহিয়ো যিটো কথা বিতোপন।।

ৰোহিণী তনয়ো ভাৱি মাধৱো নামতঃকলৌ।
প্ৰবৃত্তিমাৰ্গ নিৰতং সচ পূৰ্ব্বং ভৱিষ্যতি।।
ততস্তু শঙ্কৰং প্ৰাপ্য ৱদতো মাধৱস্যচ।
দেৱী পূজামৃতে বুদ্ধিঃ ভৱিষ্যত্যচ্যুতাৰ্চ্চনে।।
আচাৰ্য্যং শঙ্কৰংমত্বা হৰি ভক্তি পৰস্যচ।
তস্যোপদেশমাশ্ৰিত্য তৰিস্যতি কলৌ নৰাঃ।।

কহন্ত ঈশ্বৰ শিৱ দেৱীৰ আগত।
ৰোহিণী তনয় হৈব মাধৱ নামত।।
প্ৰথমত প্ৰবৃত্তিৰ পথে ৰত হৈব।
শঙ্কৰক পাই সেহি পথক চাৰিব।।
শঙ্কৰক গুৰুলভি তান আজ্ঞা মানি।
দেৱী পূজা ছাৰি হৰি পূজিব তৈসানি।।

সেহি মাধৱৰ উপদেশক আশ্ৰয়ে।
তৰিবে কলিৰ লোক জানিবা নিশ্চয়ে।।

ৱংশী গোপালশ্চৈৱ তথৈৱচ যদুমণি।
শ্ৰীহৰিশ্চৈৱ এতৈৱে ৱিপ্ৰা ৱেদৱিশাৰদাঃ।
ভাগিনেয় তস্য ৰামচৰণঃ সু মহামতিঃ।
গোপালো মথুৰাদাস গোৱিন্দশ্চ তথৈৱচ।।
ৱিষ্ণুশ্চৈৱ লক্ষ্মীকান্ত পদ্মপাণি তথৈৱশ্চ।
গোপাল কেশৱশ্চৈৱ আচাৰ্যাঃ হৰি তৎপৰাঃ।।
মাধৱাৎ সম্ভাৱয্যতি কলৌ পৰ্ব্বত নন্দিনী।
ৱিপ্ৰদামোদৰো যস্তু কৃষ্ণ মিত্ৰ প্ৰশান্তধীঃ।।
দামোদৰোপি সৱিদ্বান্ সম্ভৱিষ্যতি নিশ্চিতং।
ততোপি দ্বাদশাচাৰ্য্যঃ কৱিৰত্নাদয়ো মলাঃ।।
হৰি ভক্তি ৰতাং সৰ্ব্বে তৰিষ্যন্তি ৱৰাননে।।
মাধৱত হন্তে হৈবে আচৰ্য্য যতেক।
তাক কহো শুনা দেৱী নামক প্ৰত্যেক।।
বংশীগোপাল যদুমণি আৰু শ্ৰীহৰি।
এই তিনিজন দ্বিজ বেদজ্ঞ সুন্দৰী।।
মাধৱ ভাগিনা ৰামচৰণ মহন্ত।
গোপাল মথুৰা দাস গোৱিন্দ নাম সন্ত।।
বিষ্ণু লক্ষ্মীকান্ত পদ্মপাণি মহোদয়।
গোপাল কেশৱ হৈব আচাৰ্য্য শুনয়।।
কৃষ্ণ মিত্ৰ যিটো বিপ্ৰ দামোদৰ সন্তু।
তেহো দ্বিজ দামোদৰ নামত হৈবন্ত।।
তান হৈতে হইবে আচাৰ্য্য সাতজনা।
কবিৰত্ন আদি বিষ্ণু ভক্ত বৰাণনা।।
শঙ্কৰ মাধৱ দুয়ো স্বধামক গৈলে।
তান ধৰ্ম্মগ্ৰাহ্য কোনো আচাৰ্য্যসকলে।।
আপোনাৰ মতকো সহজে চলাইবেক।
পৰ্ব্বত নন্দিনী তুমি জানিবা প্ৰত্যেক।।

যঃ শঙ্কৰো হৰিৰ্ভাৱি তৎ পুত্ৰো কো ভৱিষ্যতি।

ৱৈকুণ্ঠে চ গতে তস্মিন্ কো ধৰ্ম্মং পালয়িস্যতি।।

শুনিয়া কহন্ত দেৱী হিমালয় সুতা।
যিটো হৰি শঙ্কৰ স্বৰূপে অৱতৃতা।।
হৈবেক তাহান কোন কোন পুত্ৰ সাৰ।
বৈকুণ্ঠ গমনে ধৰ্ম্ম পালিব তাহাৰ।।
সূৰ্য্যৱতী চ কালিন্দি দ্বে ভাৰ্য্যে শঙ্কৰস্য চ।
অপুত্ৰা কথিতা পূৰ্ব্বা দ্বিতীয়াচৈৱ পুত্ৰিনী।।
জেষ্ঠ পুত্ৰো ৰমানন্দো মধ্যঃ কমললোচনঃ।
হৰিচৰণস্তু কনিষ্ঠান্ সুতঃ সম্ভৱিষ্যতি।।
ৰমানন্দস্যতনয়ঃ পুৰুযোত্তম সংজ্ঞকঃ।
ৱিদ্যাৱান শীল সম্পন্নঃ অপুত্ৰঃ সম্ভৱিষ্যতি।।
অপুত্ৰঃ কমলাক্ষশ্চ কনিষ্ঠস্য চতুৰ্ভূজ।
ভৱিষ্য আত্মজো দেৱী হৰি কীৰ্ত্তন তৎপৰঃ।।
তাভ্যামাদেশতঃ দেৱী চতুৰ্ব্বিংশতি সাধৱঃ।
ভৱিষ্যন্তি ধৰ্ম্ম দৃষ্টা হৰি কীৰ্ত্তন তৎপৰঃ।।

মহাদেৱ বদতি শুনিয়ো বৰ প্ৰিয়া।।
তান ভাৰ্য্যা সূৰ্য্যৱতী কালিন্দি দ্বিতীয়া।
সূৰ্য্যৱতী অপুত্ৰিণী কালিন্দি পুত্ৰিণী।
হৈবেক নিশ্চয়ে জানা নগেন্দ্ৰ নন্দিনী।।
ৰামানন্দ জ্যেষ্ঠ হৰিচৰণ কনিষ্ঠ।
মধ্যপুত্ৰ কমললোচন মহা শিষ্ট।।
এহি তিনি তনয় হৈবেক শঙ্কৰৰ।
ৰামানন্দ পুত্ৰ পুৰুযোত্তম প্ৰবৰ।।
মহা গুণৱন্ত সৰ্ব্ব বিদ্যাত পাৰ্গত।
ঈশ্বৰৰ ইচ্ছায়ে পুত্ৰ নহৈবেক জাত।
হৰিচৰণৰ হৈব পুত্ৰ এক জন।
চতূৰ্ভুজ নাম হৈব পুৰুষ প্ৰধান।।
পুৰুযোত্তম চতুৰ্ভুজৰ আজ্ঞাত।
চতুৰ্থ অধিক বিংশ আচাৰ্য্য হৈবন্ত।।

শঙ্কৰে ৱাসুদেৱাং সে ধৰ্ম্ম সংস্থাপ্য মাধৱে।
পশ্চিমায়ান্দিশি নিজ ধামনি প্ৰাপ্স্যতি প্ৰিয়ে।।
মাধৱো তস্য তৎধৰ্ম্মং কৃতিৱৰ্ষাণি পালয়ন।
পুৰুষোত্তমস্য স্থানে ৱৈধৰ্ম্মং সমৰ্পয়িস্যতি।।

বাসুদেৱ অংশে দেৱ শ্ৰীমন্ত শঙ্কৰ।
মাধৱত ধৰ্ম্ম থাপি হৈয়া অৱসৰ।।
ভাটি দেশে কিছুকাল থাকিয়া তহিতি।
নিজ ধাম বৈকুণ্ঠক চলিয়া যাইবন্তি।।
মাধৱদেৱে সেহি ধৰ্ম্ম কতো বৰ্ষ মানে।
প্ৰচাৰিয়া অৰ্পিব পুৰুষোত্তম স্থানে।।

—শ্ৰীশ্ৰীহৰ-গৌৰী সম্বাদ ৰূদ্ৰ যামল সুত সংহিতাৰ
আচাৰ্য্য সংহতি নামক ষষ্টিত্তম পতল।

হামো কবিৰ হাৰামু খোৰি।
চৌদিশে শঙ্কৰ গেল বিথোৰি।।
হামাকু বকত দীন হীন বিধি।
বিফল জনম নভৈল সিদ্ধি।।
যোহি পূৰ্ণব্ৰহ্ম নিৰাকাৰা।
গোকুলে কৃষ্ণ ৰূপে অৱতাৰা।।
সোহি কৃষ্ণ পুনৰ্ব্বাৰ ফিৰি।
কলিত শঙ্কৰ নামক ধৰি।।
নিজ যশ গুণ কৰি উত্তান।
দোদ্‌কি জীৱ কয়লি ত্ৰাণ।।
চৈত্যন্য ৰামানন্দ হৰি ব্যাসা।
জ্ঞানকৰ্ম্ম যোগ কৰি প্ৰকাশা।।
নিত্যানন্দ বৃন্দাবনকু দাস।
ভক্তি জ্ঞান যোগকু কৰি প্ৰকাশ।।
ৰূপ সনাতন্ পাত্‌সা দো ভায়া।
তে উপদেশ ভক্তিক পাইয়া।।

নামত কবিৰ অশিছ জাতি।
কেৱল ভক্তি কৰিলাম স্থিতি।।
হামাকু তেহি নপাৰলো লাগ্।
ধিক হামাৰ কৰমেহি ভাগ্।।
হামাকু বেত্তি জন্ম সাম্ফলা।
চিদানন্দ পতিক দৰশন পাইলা।।
হামাকু বস্ত্রে দিলা চিয়হি পাও।
হামু পকুৰিয়ে কিয়ে শীৰে বনাও।।
তোহো শঙ্কৰ দায়াল স্বামী।
তোহো মেৰি চাহেব্ চাকৰ হামি।।
তোহাৰি ভকতৰ সঙ্গক বাঞ্ছা।
ভিক্ষুক কবিয়ে কৰিছো ইচ্ছা।।
—৺মহাত্মা কবিৰায় বচন।

সাৰ্ব্বভৌম ভট্টাচাৰ্য্য জ্যোতিষত সাৰ।
দেৱী উপাশক আছিলোহোঁ দুৰাচাৰ।।
শঙ্কৰৰ সঙ্গে বহু বাদক কৰিলো।
বাদ ভঙ্গ হুয়া শাস্ত্ৰ পঢ়িবাক গৈলো।।
কাশী দেশে বিপ্রশ্রেষ্ঠ চক্রবর্ত্তী নাম।
চাৰিবেদ পঢ়িলোহোঁ তৈতে অনুপাম।।
পঞ্চবর্ষ তৈতে বেদ শাস্ত্রক পঢ়িলো।
অনেক শাস্ত্ৰক শিকি জ্ঞানক লভিলো।।
এক দিনা গুৰু মোত কৰিয়া শাস্বত।
কহিলন্ত গোপ্য কথা জানিয়া মনত।।
পূৰ্ব্বদিশে নিজ শক্তি হৰি অৱতাৰ।
নিজ যশ ধৰ্ম্ম কীৰ্ত্তি ভকতি প্ৰচাৰ।।
নামত শঙ্কৰ হৈব শূদ্ৰকুলে জাত।
ব্ৰহ্মাহৰ আদি দেৱ জন্মিব তথাত।
লোকৰ কাৰণ হেতু শান্ত মূৰ্ত্তিধৰ।
তাহান চৰণে কৰো শত নমস্কাৰ।।

শঙ্কৰক শূদ্ৰ বুলি পণ্ডিতে নিন্দয়।
কেন মতে হৰি অংশ বুলি নমানয়।।
মৎস্য কুৰ্ম্ম শূকৰাদি পশু অৱতাৰ।
কিমতে পণ্ডিতে সেৱে দুষ্ট দুৰাচাৰ।।
স্বৰ্গখণ্ড ৰহস্যত সঞ্জাত নোযোৰা।
বশিষ্ঠসংহিতা সূত সংহিতাত চোৱা।।
অগস্ত্য সংহিতা পঞ্চৰুদ্ৰ যামলত।
বিষ্ণুধৰ্ম্মোত্তৰ কৃত যুগ বিচাৰত।।
যোগিনী তন্ত্ৰত ইতিহাস ভৱিষ্যত।
হৰ গৌৰী সম্বাদত সিৱে নাৰদত।।
ইসবত বিচাৰিয়া যদ্যপি নাপাই।
পণ্ডিতে নিন্দিবা তেৱে বুজো মুনিসাই।।

মহেন্দ্ৰকন্দলি দন্ডৱৎ কৰিলন্ত।
কৰজোৰ কৰি সমাজক বুলিলন্ত।।
শুনা সভাসদ বোলো নিশ্চয় বচন।
শঙ্কৰ দেৱত মই পশিলো শৰণ।।
শুনা কৰ্ণপুৰ চতুৰ্ভুজ দুয়োজন।
নৰোত্তম বৃদ্ধ তুমি পণ্ডিত গহন।।
উৰ্দ্ধবাহু কৰি মই কৰো অঙ্গীকাৰ।
শঙ্কৰত পৰোগুৰু নাহিকে আমাৰ।।
শূদ্ৰ বুলি যিটো পাপী কৰে তিৰস্কাৰ।
তাহাৰ ব্ৰাহ্মণ জন্ম আছোক ধিক্কাৰ।।
বৈশ্যনন্দ ৰাজন্য জাতিত বসুদেউ।
তাহাৰাৰ পুত্ৰ ৰূপে ভৈলা কৃষ্ণদেউ।।
দেৱ ব্ৰহ্মঋষি কিম্বা তাঙ্ক নেসেৱিলা।
যাৰ গুণ নামে লোক সংসাৰ তৰিলা।।

গৈৱো ধৰ্ম্ম হৰি ভূমৌ চতুৰ্ভাগেণ ভাৰতে।
শঙ্কৰ চৈতন্য ৰাম হৰিব্যাস ইতিৰ্য্যতে।।

।। পদ।।

কৃষ্ণনিগদতি শুনা ৰহস্য কাহিনী।
ভাৰতে মানৱি জন্ম ধৰিবো যৈশানি।।
পশ্চিমে চৈতন্য উত্তৰত হৰিব্যাস।
দক্ষিণ দিশত ৰামানন্দৰ প্ৰকাশ।।
ধৰিয়া শঙ্কৰ নাম পূৱৰ দিশত।
হৰিগুণ কীৰ্ত্তন প্ৰকাশ হৈব তাত।।
মোৰ অংশে তিনিজন তিনিদিশে হৈব।
যোল্ল দশ অষ্ট নাম প্ৰকাশ কৰিব।।
বকাৰাদি গ্ৰামে ব্ৰহ্মপুত্ৰৰ নিকটে।
গোলোকৰ লীলা যত প্ৰচাৰি প্ৰকতে।।
নিজানন্দ পঙ্কজযে শ্বেত বিলাসৰ।
সৱাৰো ৰহস্য ভক্তি কৰি একতৰ।।
জ্ঞান বিজ্ঞান তদঙ্গ ৰহস্য।
চাৰিও শ্লোকৰ সাৰ বেদান্তৰ গুহ্য।।
অৰ্জ্জুনত যিটো ভক্তি কহিয়া আছন্ত।
অনন্য শৰণ ভক্তি ব্যক্ত কৰিলন্ত।।
যাগ যোগ তন্ত্ৰ মন্ত্ৰ ধৰ্ম্ম কৰ্ম্ম বিধি।
সকলে অসাৰ কিঞ্চিতেকো নাহি সিদ্ধি।।
কেৱল কলিত হৰি কীৰ্ত্তন বিনাই।
অন্যত্ৰ ধৰ্ম্মত কিঞ্চিতেকো ফল নাই।
সমস্তে ধৰ্ম্মৰ ৰাজা কৃষ্ণ গুণ যশ।
হৰিৰ কীৰ্ত্তন বিনে নাহিকে সৰ্ব্বস।।
কেৱল শৰণ এক ভক্তি প্ৰচাৰিলা।
শুদ্ধ জীৱগণে আসি নিশ্চয়ে ধৰিলা।।

—সুকবিশেখৰ ধৰ্ম্মনাৰায়ণ সম্বাদ।।

কুসুম্বৰ ঘৰে দেৱ দামোদৰে
ভক্তৰ অন্তৰে জন্মিলা সত্বৰে।।
কৃষ্ণ শঙ্কৰৰ কিঞ্চিতো অন্তৰ।

নাহি ভেদপৰ একে কলেৱৰ।।

ত্ৰিভূৱন বন্দন দৈৱকী নন্দন
যো হৰি মাৰল কংস।
জগজ্জন তাৰণ দেৱ নাৰায়ণ
শঙ্কৰ তাকেৰি অংশ।।

শঙ্কৰ স্বৰূপে হৰি নিজ অংশে অৱতৰি
ভকতি প্ৰদীপ লগাই থৈলা।
মাধৱ স্বৰূপে নিয়া তাতে তৈল বত্তি দিয়া
অজ্ঞান আন্ধাৰ দূৰ কৈলা।।
মাধৱক সঙ্গে লই অনেকত জ্ঞান কই
নানা ভকতক লগে নিব।
অমূল্য ভাণ্ডাৰ ভক্তি তাহাক মেলিব গৈয়া
যাকে যেই লাগে তাকে দিব।।
যিটো পূৰ্ণব্ৰহ্ম হৰি শঙ্কৰ স্বৰূপ ধৰি
পৃথিৱীত অৱতাৰ ভৈলা।
অসঙ্গি জীৱক সঙ্গ কৰাইলা শৰণ দিয়া
ধন্য কলিযুগ বুলি কৈলা।।
দামোদৰ সঙ্গে গৈয়া যত যত বিপ্ৰগণ
সৱলোকে ভকতি কৰিব।
শুনিয়ো পাৰ্ব্বতী তুমি তোমাত কহিলো আমি
ভজন্তা জনক তাৰি নিব।।

তোমাৰেসে অংশ আমি যত জীৱ জাক।
তোমাৰ মায়ায়ে প্ৰভু বান্ধিলে আমাক।।

শঙ্কৰদেৱে নিজেও নিজৰ চিনাকি দিওঁতে সকলো ঠাইতে "কৃষ্ণৰ কিঙ্কৰে শঙ্কৰে ভণে। বোলা হৰি হৰি সমস্ত জনে।।" কৃষ্ণৰ কিঙ্কৰ বোলোতে তলতীয়া দাস বা বন্দী নহয়; কৃষ্ণৰ সম্পূৰ্ণ প্ৰতিনিধিকহে কিঙ্কৰ বোলে। যমৰ প্ৰতিনিধিক যমৰ কিঙ্কৰ বোলে।

শ্ৰীমন্তমীশ্বৰং দেৱ পূৰ্ব্ব দিশে ৰিৰাজতে।
ধৰ্ম্ম সনাতনং যস্য প্ৰকাশো ক্ষিতি মণ্ডলে।।
অকৃত কৰ্ম্মনাশায় সদ্‌সঙ্গো লভ্যতে নৰাঃ।
ভৱবন্ধ ৰিনিৰ্ম্মুক্তৌ কলৌ মলঞ্চ নাশনং।।
—পঞ্চৰাত্ৰ তন্ত্ৰত নাৰদৰ বাক্য।।

শ্ৰীমন্ত ঈশ্বৰ এজন পূৱ দেশত অৱতাৰ হ'ব। সনাতন ধৰ্ম্ম দেশ জুৰি প্ৰকাশ হ'ব। মনুষ্যৰ অকৰ্ত্তব্য কৰ্ম্ম নাশ হৈ সদ্‌সঙ্গ লাভ কৰি ভৱবন্ধৰ পৰা মুক্তি পাব। কলিৰ মল, পাপ বুদ্ধিবোৰ নাশ হৈ লোকে পৰম্পদ লাভ কৰিব।

গুপ্তাং হৰি যশশ্চৈৱ ৰিপুলাং কীৰ্ত্তি দেৱতা।
হৰি শঙ্কৰ ৰূপেণ নিজ ভক্তি প্ৰচাৰয়েৎ।।
—কৃত যুগ বিচাৰত।।

দেৱতাসকলে হৰি ভক্তি গুপ্ত কৰি নিজৰ পূজা-সেৱাক প্ৰাধান্য কৰি ৰাখিছিল। সেই ভক্তি ঈশ্বৰে নিজে শঙ্কৰ ৰূপে অৱতাৰ হৈ নিজৰ ভক্তিকে প্ৰকাশ কৰিব।

শঙ্কৰং মাধৱংহিত্বা যোऽহন্য গুৰুমুপাশ্যতে।
শিৰহীনং কবন্ধানাং ভক্তিহীনং প্ৰকৃৰ্ত্তীতা।।
—ৰূদ্ৰ যামলে হৰ পাৰ্ব্বতী সম্বাদে।।

যুগ-ধৰ্ম্ম অৰ্থাৎ নাম-ধৰ্ম্ম প্ৰচাৰক শঙ্কৰ-মাধৱ দুজনা গুৰুক যি উপাসনা নকৰে, সি সকলো ধৰ্ম্মৰ মূৰ হৰিভক্তি লাভ কৰিব নোৱাৰে; কাৰণ মানুহ হৈও মূৰ নাইকীয়া কন্ধৰ দৰে হৈ থাকিব।

শঙ্কৰং মনুষ্যা বুদ্ধি যে কুৰ্ব্বন্তি নৰাধমাঃ।
তে সৰ্ব্বে নৰকং জান্তি যাৱৎচন্দ্ৰ দিৱাকৰৌ।।১।।
ভৱ ভাৰয় তাৰয় ভগৱান্ ভূত ভাৱন।
অৱতাৰ নিজাংশেন অস্ত্ৰংশ্ৰৱণ-কীৰ্ত্তনাং।।২।।
—বৃহৎ যামলৰ মতে।।

ভৱ সংসাৰৰ তৰণৰ উপায় শ্ৰৱণ-কীৰ্ত্তন মহা অস্ত্ৰ হাততলৈ ভগৱন্তে নিজ অংশে অৱতাৰ হ'ব। সেই শঙ্কৰক যি মানুহ বুদ্ধি কৰিব, তেনে নৰাধম যাৱৎ চন্দ্ৰ সূৰ্য্য থাকে, তাৱৎ নৰকত থাকিব।

নন্দস্তু কুসুমো সাক্ষাৎ যশোদে সত্যসন্ধকা।
শূদ্ৰকুলে দ্বয়োৰ্জাত কামৰূপে ভৱিষ্যতি।।

তৱৱীৰ্য্যে মমজাত শঙ্কৰ ক্ষাতিমত্তক।
জগদুদ্ধাৰ হেতুনাং অৱতৰ্য্য সমাধিকং।। ১ ।।
তথা অৱতীৰ্ণ হৰি সাক্ষাৎ লোকানাং হিতকাময়া।।
নানাগীত কৰিত্বেন সুকৃত সততং ৱিভু।।
পৰমব্ৰহ্ম ৰূপেণ তস্য শঙ্কৰ নামতঃ।।
ৱৰদোৱা নামে গ্ৰাম নিজভক্তি প্ৰচাৰয়েৎ।। ২ ।।
—কুৰুক্ষেত্ৰ পুৰাণত নন্দযশোদাক প্ৰতি
ভগৱান দেৱৰ বাক্য।।

কামৰূপৰ ভিতৰত বৰদোৱা নামে ঠাইত নন্দ গৈ কুসুম্বৰ, যশোদা গৈ সত্যসন্ধা হ'বা। তোমালোকৰ ঔৰসে শূদ্ৰকুলত মই শঙ্কৰ নামেৰে অৱতাৰ হৈ লোকৰ হিতৰ অৰ্থে নানা প্ৰকাৰে গীত, কবিতা, নাট-ভটিমাৰে নিজভক্তি প্ৰচাৰ কৰিম।

শঙ্কৰো পৰমো ব্ৰহ্ম মাধৱস্য হলায়ুধ।
চতুৰ্ভুজশ্চানিৰূদ্ধচ্ছ প্ৰদ্যুম্নো পুৰুষোত্তম।।
—সাত্বতন্ত্ৰৰ মতে।।

পৰমব্ৰহ্ম শ্ৰীকৃষ্ণই শঙ্কৰদেৱ হ'ব, বলোভদ্ৰই মাধৱদেৱ হ'ব, প্ৰদ্যুম্নই পুৰুষোত্তম, অনিৰুদ্ধই চতুৰ্ভূজ নামে শ্ৰীনাৰায়ণ চাৰি অংশে অৱতাৰ হ'ব।

শঙ্কৰদেৱ যে অৱতাৰ তাক যিমান পোৱা হৈছে দেখুওৱা হৈছে। এই প্ৰমাণৰ দ্বাৰায় দেশ, কাল, পাত্ৰ চাই যুগ-ধৰ্ম্ম প্ৰৱৰ্ত্তক অৱতাৰ যদিও চাৰিজন হয়, তথাপি শঙ্কৰদেৱহে পূৰ্ণাৱতাৰৰ প্ৰমাণ হয়। কাৰণ সত্য যুগৰ অধিপতি ব্ৰাহ্মণ, ধৰ্ম্ম ধ্যান; ত্ৰেটা যুগৰ অধিপতি ক্ষত্ৰিয়, ধৰ্ম্ম যজ্ঞ; দ্বাপৰ যুগৰ অধিপতি বৈশ্য, ধৰ্ম্ম পূজা; কলি যুগৰ অধিপতি শূদ্ৰ, ধৰ্ম্ম নাম।

এই চাৰিজন ধৰ্ম্ম-যুগ প্ৰৱৰ্ত্তকৰ ভিতৰত শঙ্কৰদেৱেই শূদ্ৰ, ধৰ্ম্মতো কেৱল নাম। "কলিত কেৱলে / কীৰ্ত্তন বিনাই / আন মতে চাহে গতি। যেন কুল বধু/ নিজ স্বামী তেজি/ ভজে গৈয়া উপপতি।।" "কলিৰ ধৰ্ম্ম হৰি নাম জান। পাপীৰ নিন্দাত নিদিবা কান্।।" এতিয়া সকলো অসমীয়াৰ মস্তকমণি এই জন ধৰ্ম্মযুগ-নাট্যযুগ-সাহিত্যযুগ প্ৰৱৰ্ত্তকৰ জন্মভূমি পৱিত্ৰ ক্ষেত্ৰৰ বিষয়ে আলোচনা কৰা হ'ব। জন্ম ঠাইৰ

বিষয়ে অনেক দ্বিধাভাৱ আছে। শঙ্কৰদেৱৰ বৈকুণ্ঠ প্ৰয়াণৰ ৩।৪ পুৰুষৰ পাছত চৰিত্ৰ লেখকসকলে শঙ্কৰদেৱৰ জন্ম ঠাই আলিপুখুৰী, আৰু সেই আলিপুখুৰীও বৰদোৱাৰ পৰা বহুত দূৰত, এনে ভাৱ দৰ্শোৱাৰ বাবেই দ্বিধা ভাৱ অহা হৈছে। এনে ভাৱ আঁতৰ হ'বৰ কাৰণেই ও আচল সত্যটো বুজিবৰ কাৰণে এই পুথিত সমালোচনা কৰি দেখুৱা হৈছে। শঙ্কৰদেৱ যে বৰদোৱাত জন্ম, তাৰ প্ৰমাণ যিমান পোৱা হৈছে তাক সংগ্ৰহ কৰি দিয়া হ'ল।

স্থান বৰ্ণনৰ গীত-ভট্টিমাবিলাকেও বৰদোৱাত শঙ্কৰদেৱ জন্মৰ প্ৰমাণ কৰে। প্ৰথমে তাকে দেখুৱা হৈছে।

---

# চতুৰ্থ অধ্যায়

জয় জয় বটদ্ৰৱা বৈকুণ্ঠৰ সাৰ।
যাৰ নাম শ্ৰৱণে হৰয় ভৱ পাৰ।।
পঙ্কজবিলাস নামে আসি ভৈলা থান।
শ্ৰীমন্ত শঙ্কৰ গুৰু কৰিছে নিৰ্ম্মাণ।।
পূৰ্ব্বত বৰাহে তাঙ্ক আছন্ত আশ্বাসি।
বৰ শব্দ নামে বটদ্ৰৱা ভৈলা আসি।।
কুণ্ডিলক যাইতে পাছে গোৱিন্দ তহিতি।
খানিতেক জুৰাইলেক উদ্ধৱে সহিতি।।
শ্ৰৱণ কীৰ্ত্তন ধৰ্ম্ম কৰিয়া প্ৰচাৰ।
নিবন্ধিলা পদ বন্ধে ভাগৱত সাৰ।।
পূবত কীৰ্ত্তন ঘৰ উত্তৰে পদশিলা।
চৈধ্য প্ৰসঙ্গ নামৰ দোকান পাতিলা।।
দক্ষিণে যাত্ৰাৰ দৌল নিৰ্ম্মিলন্ত গুৰু।
পশ্চিমে শিলিখা বৈকুণ্ঠৰ কল্পতৰু।
উত্তৰে আকাশীগঙ্গা ধনুৰ অন্বয়।
তাহাত স্নানিলে হয় পাপৰ প্ৰলয়।।
চাৰিফালে চাৰি হাটি ভক্তৰ আৱাস।
তাক দৰশনে হোৱে পাপৰ বিনাশ।।
নাট গীত কৰিলেক শাস্ত্ৰ সাৰ ধৰি।
সপ্ত ষাঠি বৰ্ষক বঞ্চিলে গুৰু হৰি।।
থানৰ চৰিত্ৰ শুনি তৰিও সংসাৰে।
দ্বিজ বিন্দ্ৰাবণে কহে পুৰুষো উদ্ধাৰে।। ১।।

---

জয় জয় বটদ্ৰৱা বৈকুণ্ঠ দুতয়।
সেহি স্থানে নিজ গুৰু ভৈলন্ত উদয়।।
সেহি থানে নিজ গুৰু পাৰিলন্ত পাট।

ৰাম নাম মহাৰত্ন বেসাইলন্ত হাট।।
মধ্যে পদশিলা দক্ষিণে নামঘৰ।
মণিকূট গৃহ বান্ধি ৰহিলা শঙ্কৰ।।
দক্ষিণে যাত্ৰাৰ দৌল মহাপুৰুষে নিৰ্ম্মিলা।
সাতো বৈকুণ্ঠৰ চিহ্ন আঁকিয়া দেখাইলা।।
পশ্চিমে শিলিখা বৃক্ষ হালিয়া আছয়।
তাহাতে আউজি গুৰু পুস্তক লিখয়।।
উত্তৰে আকাশীগঙ্গা ভক্তি সৰোবৰ।
মধ্য ৰাতি নমাইলন্ত শ্ৰীমন্ত শঙ্কৰ।।
চাৰি ফালে চাৰি হাটি মহাভক্ত গণ।
চৈদ্ধয় প্ৰসঙ্গ কৰে নামৰ কীৰ্ত্তন।।
সেহি থানে নিজ গুৰু কৰিলন্ত বাস।
কহয় পুৰুযোত্তম দাসকো দাস।। ২।।

ভটিমা।।

জয় জয় জগজীৱ শ্ৰীমন্ত শঙ্কৰদেৱ
সকলো বৈকুণ্ঠ মাজে সাৰ
কামৰূপ মধ্যে জন্ম যাৰ গুণ নাম কৰ্ম্ম
বটদ্ৰৱা থান নাম যাৰ।।
সেহি গুৰুৰূপে যিটো দেৱকীনন্দন সিটো
সন্তৰূপে ভৈলা অৱতাৰ।
আলিপুখুৰীত জন্ম যাৰ গুণ নাম কৰ্ম্ম
কুসুম্বৰ গৃহে অৱতাৰ।।
সেহি মহাস্থানে গ্ৰাম্য শাস্ত্ৰে কহে যাৰ নাম
তিনিও ৰাজ্যত ব্যক্ত ভৈলা।
শান্তি সমে ধৰ বান্ধি মহিমা দেখায়া আতি
সেহি যশে জগত যুৰিলা।।
শুনিয়ো ভকত যত স্থানৰ বুজিয়া তত্ত্ব
কোন কৈত স্থিতি হৈয়া ৰৈলা।
পঙ্কজবিলাস নামে বৈকুণ্ঠ বোলয় যাক
সোহি পদে থান আসি ভৈলা।।

বৰ শব্দে বৰদোৱা কহিলো তাহাৰ ওৰা
ৰহিলা ভূমিত হুয়া থিৰ।
নুহিকে ভূমিৰ ভাগ তৰু তৃণ কৃষ্ণদাস
সকলো স্থানৰ আদি শিৰ।।
পূৱত কীৰ্ত্তন ঘৰ দক্ষিণত দৌলবৰ
উত্তৰত গঙ্গাযে আকাশী।
চাৰি ফালে চাৰি হাটি গুণ গাৱে দিবা ৰাতি
যেন বৃন্দাবনক প্ৰকাশি।।
সেহি মহাস্থানে যশি ভক্তৰ সঙ্গত বসি
পূৰ্ণচন্দ্ৰ যেন প্ৰকাশিলা।
ভকতক দয়া কৰি উপদেশ দেন্ত হৰি
কৃষ্ণে যেন উদ্ধৱত কৈলা।।
সেহি মহা গুৰু বাপ দৰশনে হৰে পাপ
যেন চান্দ সুচান্দ কৰয়।
হেনয় শঙ্কৰ বিনে গুৰু নাহি ত্ৰিভূবনে
দ্বিজ বিন্দ্ৰাবণে ওহি গায়।।

---

সুপ্ত বৈকুণ্ঠৰ শক্তি বৰদোৱা থান।
তথাতে ৰহিলা সৱে কৰিয়া কীৰ্ত্তন।।
যৈত আসি গুৰুজনে ভৈলা অৱতাৰ।
অন্য ভূমি কোন সম হৈবে বৰদোৱাৰ।।
সত্ৰ খান চক্ৰ আদি মত অস্ত্ৰচয়।
চাৰি ৰূপে চাৰি বস্তু আসিয়া আছয়।।
কদম্ব শিলিখা বেল আৰু বৃক্ষ আম।
এই চাৰি বৃক্ষ চাৰি দিশে ভৈলা ধাম।।
ধ্বজ আদি পদশিলা মধ্যে নাম ঘৰ।
মুক্তে মণিকুট কৈলা শ্ৰীমন্ত শঙ্কৰ।।
চাৰি দিশে চাৰি হাটি মহাভক্ত গণ।
চৈধ্যয় প্ৰসঙ্গ কৰে কৃষ্ণৰ কীৰ্ত্তন।।
উত্তৰে আকাশীগঙ্গা ভক্তি সৰোবৰ।

থান পূৰ্ব দিশে থাকে ৰামদামোদৰ।।
দক্ষিণত বাসুদেৱ লক্ষ্মী সৰস্বতী।
বাৰভক্ত চাৰিধাম পশ্চিমত স্থিতি।।
অনন্ত অচ্যুত প্ৰভু মধ্যে নিৰাকাৰ।
জীৱক তাৰিবে লাগি ধৰিলা আকাৰ।।
পঞ্চক্ষেত্ৰ আদি ব্ৰহ্মাপুত্ৰ তীৰ্থৰাজ।
ভক্তি পাই ইসৱেও তৰে সামৰাজ।।
ব্ৰহ্মগীতা শাস্ত্ৰ দিয়া জলৰ মধ্যত।
ব্ৰহ্মাপুত্ৰে শৰণ লৈলেক শঙ্কৰত।।
কি কহিবো সিটো মই মহিমা থানৰ।
বৈকুণ্ঠৰ সম সেই থান মনোহৰ।।
হেন বৈকুণ্ঠক পৃথিৱীত নিৰ্ম্মলন্ত।
সেহি বৈকুণ্ঠত প্ৰভু শঙ্কৰ ৰৈলন্ত।।
আৰু কথা বুলিলা বামন দেৱ হৰি।
সেই কৃষ্ণ জন্মিব শঙ্কৰ ৰূপ ধৰি।।
কামৰূপ মধ্যে বৰদোৱা গ্ৰামে যাই।
তোৰা দুয়ো যাইবা তৈতে বুলিলো দঢ়াই।।
সত্যসন্ধা কুসুম হইবেক দুইৰো নাম।
মোহোৰ প্ৰসাদে ভক্তি পাইবা অনুপাম।।
ইটো বৰদোৱা মহা গুণৰ সাগৰ।
যাহাক আশ্ৰয় ভৈলা ভক্ত নিৰন্তৰ।।
এহি হেতু বৰদোৱা বুলিয়া কহিল।
বৈকুণ্ঠৰ সম্পত্তি আসি লোকৰ মিলিল।।
ইহাৰ মহিমা মই কিকহিবো আৰ।
যাক সেৱা কৰি পাৱে সংসাৰৰ পাৰ।।
পুনঃ ভক্তসৱে তাতে প্ৰাৰ্থিলন্ত বৰ।
দুইবাৰ দোৱা নাম ভৈল গুৰুত্তৰ।।
বাসনা সকল সৱে কৰিলন্ত ক্ষয়।
শ্ৰৱণ কীৰ্ত্তন কৰি ভক্ত সমস্তয়।।
বৈগুণ কুবুদ্ধি সৱে লোকৰ গুচান্ত।
এতেকেসে বৰদোৱা বুলিয়া কহন্ত।।

বৈকুণ্ঠৰ শক্তি বৰদোৱা ভৈলা আসি।
মহা শুদ্ধধৰ্ম্ম তাতে কহিল প্ৰকাশি।।
—"বংশীগোপালদেৱৰ বায়েক ভিনিহিয়েকে কৈছিল।
বিপ্ৰ হৰিবৰৰ সম্পত্তি কৈক গৈল।।"
যাৰ নাতি গোপাল ভৈলেক একেশ্বৰ।

এহি মতে দুয়ো প্ৰাণী আলোচনা কৰি।
মৃদু কৰি গোপালক বুলিলা সাদৰি।।

সদাগৰ লগে তুমি ধন বেহায়োক।
গোপালে বোলন্ত ভাল লগ লগাই দিয়া।।
এহি বুলি সদাগৰ সহিতে ফুৰিল।
একদিনা বৰদোৱা গ্ৰামত পসিল।।
সেহি বেলা শ্ৰীশঙ্কৰক দেখিলন্ত।
হৰি কথা তুলিয়া আসনে বসিলন্ত।।
পাছে গোপালক দেখি শঙ্কৰে পুছিলা।
কোন থানে থাকা তুমি কি কামে আসিলা।।

বিপ্ৰ হৰিবৰ নাতি বোলয় আমাক।।
বাপ মাৱ নাহি কোনো থাকো পৰ ঘৰে।
গোপাল বুলিয়া মোক মাতে সৱে নৰে।।

শঙ্কৰ বদতি আৱে শুনিয়ো গোপাল।
আমাৰ সঙ্গত তুমি থাকা কত কাল।।

শঙ্কৰদেৱে মাধৱদেৱক ভৱিষ্যৎ বাণী কৈ যোৱাত মাধৱদেৱে গোপালক লগ পাওঁতেই মনত পৰি কৈছিল।—

যি কালত বৰদোৱা বিলৰ কাষত।
আছিলাহা দণ্ডচাৰি শঙ্কৰ সহিত।।

এইখিনি স্থানবৰ্ণনৰ দ্বাৰাই থানৰ পুৰ্ব্বাপৰ কাৰণো দৰ্শাই গৈছে। শঙ্কৰদেৱো বৰদোৱাত জন্ম হোৱাৰ প্ৰমাণ কৰিছে। আৰু বৰদোৱাক "টেমিনিয়াজান", এসময়ত "বৰদোৱা", এসময়ত "আলিপুখুৰী", এসময়ত 'ব্ৰটদৰা' বোলা হৈছিল; তাক চৰিত্ৰই বিশেষকৈ দেখুৱাই থৈছে। এতিয়া সেই খিনিৰ অলপ দেখুৱা হক।

---

# পঞ্চম অধ্যায়

(বৰদোৱাক আলিপুখুৰী বোলাৰ কাৰণ ও সময়।)

মাধৱযে নাৰায়ণদাস আদিকৰি।
সমস্তে বসিলা ৰামৰাম মধ্য কৰি।।
নাৰায়ণ বদতি শুনিয়ো গুৰু তুমি।
গুৰুৰ চৰিত্ৰ কথা কহা শুনো আমি।।
বৰদোৱা স্থান জানো শুদ্ধ ভূমি আতি।
সেহি স্থানে জন্মলভে জগতৰ পতি।।
পূৰ্ব্বেবা আছিল কোন কহিও একান্তে।
ৰঙ্গমনে শুনো বাপ তযু মুখ হন্তে।।
ৰামৰাম গুৰু বোলে শুনা নাৰায়ণ।
ইসব কথাক মই কৰাইবো শ্ৰৱণ।।
পূৰ্ব্বাপৰ কথা মই কৈবো প্ৰপঞ্চিয়া।
ভাল পুছিলাহা বাপু ৰঙ্গ কৰে হিয়া।।
সত্যযুগে এক সিদ্ধে তপস্যা কৰিল।
উঁয়ে আৱৰিয়া তান শৰীৰ ঢাকিল।।
যৌনকা সদৃশ মাত্ৰ নয়ণ জ্বলয়।
একদিনা যযাতিও তহিকে চলয়।।
মৃগয়াক যায় ৰাজা সুকন্যাও সঙ্গে।
ঋষিৰ আশ্ৰম পাইল অতি ৰঙ্গ মনে।।
আশ্ৰমতে কন্যাকযে থৈলন্ত নমাই।
প্ৰজাসমে ৰাজা পাছে অৰণ্যক যাই।।
উইছিলা মাজে জ্বলে ঋষিৰ নয়ন।
সুকন্যা নাজানে ইটো কথা বিৱৰণ।।
ইটো কি জ্বলে বুলি খোঞ্চা মাৰিলন্ত।
ঋষিৰ নয়নে লাগি ৰুধিৰ বজান্ত।।
ৰাজা প্ৰজা নিৰুৎসাহ ভৈল সিবেলাত।
যেন প্ৰলয়ৰ কাল মিলিল তথাত।।

ৰাজা প্ৰজা হাঁহাকাৰ হৈল নিৰন্তৰ।
মনে বিমৰিষি শীঘ্ৰে আসে নৃপবৰ।।
সুকন্যাত পুছে তুমি কৈত কিকৰিলা।
সকলো কথাক কন্যা কহে যেন ভৈলা।।
ঋষিৰ আগত পৰি ৰাজা স্তুতি কৰে।
তপস্যা ভাগিয়া ঋষি বোলে অনন্তৰে।।
নশাপিবো ৰাজা মই নির্ভয়ে থাকিও।
এহি খানি কন্যা ৰাজা আমাসাক দিও।।
ৰাজা মনে বোলে কিনো অকাৰ্য্য মিলিল।
অস্থি মাত্ৰ আছে তবু কন্যা বাঞ্চা কৈল।।
নিদিলেও ঋষি শাপি ভষ্ম কৰিবন্ত।
ৰাজাও দিলন্ত ঋষি বিহা কৰিলন্ত।।
ঘৰবাৰি কৰিলন্ত ঋষি চমৎকাৰ।
ভোগ কৰিবাক শক্তি নাহিকে ঋষিৰ।।
মনে বিমৰিষি দুখে ঋষি আছে ত্ৰাসে।
সেহিবেলা অশ্বিনীকুমাৰ দুই আসে।।
দেৱৰ শাৰীত ভাগ নপাই দুই জনে।
ঋষিত পাৰ্থিব আসে কৰি দৃঢ়মনে।।
দুইজনে পাৱে পৰি প্ৰণাম কৰিলা।
তাসম্বাক চাই ঋষি বচন বুলিলা।।
তোৰা দুইৰ আগমন কথা জানো মই।
মোৰ এক কাৰ্য্য সাধি দিয়া তোৰা দুই।।
কন্যা বিহাইলো ভৈল সম্পূৰ্ণ যৌৱন।
ভোগ কৰিবাক নোৱাৰোহো যেন মন।।
যৌৱন সম্পন্ন সুকুমাৰ কৰা মোক।
দেৱৰ শাৰীত ভাগ দিবোহোঁ দুইক।।
শুনি দুই সাতো সাগৰৰ আনি জল।
সিদ্ধে বিনির্ম্মিত হ্ৰদে সিঞ্চে কৌতুহল।
দুইহস্তে ঋষিক ধৰিলা দুইজন।
সেহি হ্ৰদে বুৰ দিলে শুনা ভক্তগণ।।
ক্ষণমাত্ৰ থাকি পুনু আসে পূৰ্ব্বস্থানে।

তিনিও শৰীৰ একে দেখি বিদ্যমানে ।।
ৰামৰাম বদতি শুনিয়ো নাৰায়ণ ।
দেখিয়া বিস্ময় ভৈলা সুকন্যাৰ মন ।।
তাৰা দুই বোলে নিও কোন স্বামী তোৰ ।
কন্যা বোলে চিনিবে নপাৰো স্বামী মোৰ ।।
তোৰাসৱে কৃপাকৰি বাজকৰি দিয়া ।
তিনি একে দেখিয়া আকুল কৰে হিয়া ।।
শুনি দুয়ো ঋষিক দিলন্ত বাজ কৰি ।
ঋষিও দিলন্ত দুইক দেৱতাৰ শাৰী ।।
স্বৰ্গত ভৈলন্ত যজ্ঞ গৈলন্ত শ্ৰৱণ ।
অশ্বিনীকুমাৰ দুই অতি ৰঙ্গমন ।।
দেৱৰ শাৰীত ভাগ দেই ঋষিৰাজ ।
দেখি ইন্দ্ৰে বজ্ৰ ধৰি উঠিলা সমাজ ।।
বজ্ৰ প্ৰহাৰিবে চাৱে ক্ৰোধে সুৰপতি ।
ঋষি বোলে হাতে বজ্ৰ থাকোক সম্প্ৰতি ।।
ঋষিৰ বাক্যত বজ্ৰ নেৰাইল হাতৰ ।
ভয় হুয়া ইন্দ্ৰে ভাগ দিলা দুইহান্তৰ ।।
দেখি ঋষি তুষ্ট হুয়া চাহে কৃপা দৃষ্টি ।
হাতৰ খসিল বজ্ৰ ৰঙ্গ সুৰপতি ।।
যৌৱন সপন্ন ঋষি নানা ভোগ কৈল ।
এক দিনা যযাতিও ঋষি পাসে গৈল ।।
সুকন্যা আসিয়া পাছে প্ৰণাম কৰন্ত ।
অধোমুখ হুয়া ৰাজা কন্যাক বোলন্ত ।।
হাইৰে পাপিষ্ঠি তই কি কৰ্ম্ম কৰিলি ।
তপস্বী ঋষিক এৰি কাহাক ভজিলি ।।
নখঙ্গিবা বুলি কন্যা কৃতাঞ্জলি কৈলা ।
আপুনি দিবাৰ ঋষি এন ৰূপ ভৈলা ।।
সকল কথাক কন্যা কৈলা প্ৰপঞ্চিয়া ।
গৃহক গৈলন্ত ৰাজা সন্তোষ লভিয়া ।।
অৰাজ্য ভৈলন্ত পাছে ঋষিৰ পাছত ।
অনন্তৰে যেন কথা শুনা ভক্ত যত ।।

কৃষ্ণৰূপে দৈৱকীত ভৈলা অৱতাৰ।
কৰিলা অনেক লীলা জগততে সাৰ।।
ভীষ্মকৰ গৃহে ভৈলা লক্ষ্মীও বেকত।
কৃষ্ণৰ চৰিত্ৰ কথা শুনিলা লোকত।।
ৰুক্মিণী সুন্দৰী স্বামী বৰিবে কৃষ্ণক।
বেদনিধি দ্বিজক পঠইলা দ্বাৰকাক।।
দ্বিজ মুখে শুনি কৃষ্ণে ৰুক্মিণীৰ কথা।
ৰথে চড়ি যায় কৃষ্ণ কুণ্ডিলক তথা।।
দাৰুকে ডাকন্ত ৰথ পবনতো বেগে।
ৰথ মাজে বেদনিধি পৰে অনুৰাগে।।
কৃষ্ণৰ ৰথৰ বেগে নিৰুৎসাহ ভৈলা।
দেখি কৃষ্ণদেৱে ৰথ তথাতে ৰাখিলা।।
ৰথহন্তে নামি জল আনিলা হ্ৰদৰ।
গাৱত সিঞ্চিলা উঠি বসে দ্বিজবৰ।।
চিতিকি পৰিল জল কৃষ্ণে দেখি আছে।
কৰ্পুৰ তাম্বুল প্ৰভু ভুঞ্জিলন্ত পাছে।।
হাতৰ পৰিল টেমি টেমিনিয়া জান।
গুৱা ভুঞ্জি পিক চৰ্ব্ব পেলাই সেহি থান।।
পৰম ৰহস্য থান জগততে সাৰ।
বোলে ছদ্মৰূপে আত হৈবো অৱতাৰ।।
"ব" গ্ৰাম "ক" পিতৃ "স" মাতৃ নাম।
জীৱক তাৰিবো ভক্তি ধৰাই অনুপাম।।
কলিযুগে "শ" নাম ধৰিবোহোঁ আমি।
তৰুণ কালতে মই হৈবো তীৰ্থগামী।।
চৈতন্য যে ৰামানন্দ হৰি ব্যাস এহি।
মোৰ অংশে দশোদিশে ভক্তি ধৰাই মহি।।
সমস্তে শাস্ত্ৰৰ তত্ত্ব ইথানে মথিবো।
ৰাম নাম সাৰ কৰি জীৱক তাৰিবো।।
মোৰ নাম কীৰ্ত্তন কৰিব ভক্তগণে।
আঠ কোটী তীৰ্থ ৰৈবে শুদ্ধ হৈবে মনে।।
পঞ্চবিধ মোক্ষে মুৰ্ত্তি ধৰি কৰে স্তুতি।

ত্রিংশ কোটী দেৱ ইটো থানত বসতি।।
এতেকে ৰহস্য স্থান হৈব ইটো ভূমি।
আকাশৰ দৌল গঙ্গা নির্ম্মিবো আপুনি।।
আনো নানা লীলা ভক্তি কৰিবো সাক্ষাত।
এক চিহ্ন থৈয়া যাওঁ বুলি জগন্নাথ।।
জগতৰে ভৰ দিলা ৰথৰ ওপৰে।
ৰথ ভৰে ভূমি খান টলবল কৰে।।
ঘোটকৰ পাৱ তথা দাবি বহিলন্ত।
তাসম্বাৰ নাম আবে শুনা সৱে সন্ত।।
সব্য সুগ্ৰীৱ মেঘ পুষ্প যে বিলাস।
এহি চাৰি ঘোৰা ৰথ বহে জগবাস।।
এহি মতে কৃষ্ণে গৈয়া ৰুক্মিণীক আনি।।
পুনু তৈতে তম্ভি গুৱা ভুঞ্জে চক্রপাণি।
বৰ "দ" ভৈল ভূমি নাম বৰদোৱা।
আউৰ কিবা শুনিবাৰ বাঞ্ছা আছে কোৱা।।
নাৰায়ণ বদতি কহিয়ো ইটো কথা।
অৱতাৰ হুয়া গুৰু কি কৰিল তথা।।

* * * *

পূৰ্ব্বহ্রদ আছে তাৰ কাষে পথ ভৈলা।
এক পসাৰীয়ে মৎস্য বিকিবাক গৈলা।।
গেলা মাছ নলইবে ধুইতে মন ভৈলা।
জল পৰশনে মৎস্য জীয়া সৱে গৈলা।।
লোক মুখে শঙ্কৰেও এহি কথা শুনি।
অকাৰ্য্য মিলিল বুলি পাছে মনে গুণি।।
ইটো হ্রদ থাকিলে নহৈবে আউৰ ভাল।
ভাৱি মায়া বলে লুপ্ত কৰে তত্ত কাল।।
তাহাৰ ওপৰে গঙ্গা নমাইলা আপুনি।
দক্ষিণে যাত্ৰাৰ দৌল জগতে বখানি।।

শ্ৰীমন্ত শঙ্কৰ বিনে নাহি নাহি ত্ৰিভুবনে
জানিবাহা সাধু নিৰন্তৰ।

তাহাৰ ভৃত্যৰ ভৃত্য ব্ৰাহ্মণ কুলত থিত
শঙ্কৰ কিঙ্কৰ অনুচৰ।।
একে দ্বিজ কুলোত্তম তাতে গুৰু আশীৰ্ব্বাদে
জন্ম পাওঁ নাম ভৱদেউ।
কুমাৰ কালৰে পৰা বৃথা আয়ু পাত কৰা
যাৰ সম মূৰ্খ নাহি কেউ।।
— ৺ভৱদেউ বিপ্ৰ বিৰচিত চৰিত্ৰৰ পৰা।

এই চৰিত্ৰ আৰু সাধুসকলৰ চৰিত্ৰ তোলাৰ আৰ্হিৰ পৰা অলপ দেখুওৱা হ'ক। শঙ্কৰদেৱে পঢ়া শুনা শেষ কৰি পঢ়াশালি এৰি ঘৰত নানা ৰকমৰ পুথি পঢ়ি তাৰ প্ৰকৃত মৰ্ম্ম বুজিবলৈ চেষ্টা কৰে। সেই সময়ত টেমিনিয়া জানৰ উত্তৰ পাৰে আলি-পুখুৰী নামে কায়স্থ ভূঞাসকলৰ গাওঁ। দক্ষিণ পাৰে ব্ৰাহ্মণ ভূঞাসকলৰ নলছা নামে এখন ব্ৰাহ্মণ গাওঁ। দুইখন গাৱঁৰ বাজে কিছুমান লালুং কছাৰিসকলৰ গাওঁ আৰু ভূঞাসকলৰ তলতীয়া ৰায়ত কুলিন শূদ্ৰসকলৰ গাওঁ। সমুদায় চহৰখনক বৰদোৱা বোলা হৈছিল। ব্ৰাহ্মণ ভূঞাসকল ও কায়স্থ ভূঞাসকলৰ অৰ্থ সম্পত্তিৰ বা বিদ্যা বুদ্ধিৰে কোনো কম নাছিল। ঘৰে ঘৰে পুথিৰ ভৰাঁল, ঘৰে ঘৰে পঢ়া শুনাৰ চৰ্চ্চা, ঘৰে ঘৰে পূজা-সেৱা, দিনক দিনে উন্নতি কৰিছিল। সকলো ল'ৰাই পূজা কৰে, যোগ কৰে, ব্ৰহ্মচৰ্য্য কৰে, প্ৰাণায়াম-ব্যায়াম কৰে। এই বিলাক কাম কৰোঁতা আমাৰ শঙ্কৰদেৱো আছিল। আন ল'ৰাই সন্ধ্যা কৰিব লাগে কৰে, পূজা কৰিব লাগে কৰে, প্ৰাণায়াম কৰিব লাগে কৰে, গা ধুব লাগে ধোৱে। কিন্তু কিয় গা ধুব লাগে, কিয় প্ৰাণায়াম কৰিব লাগে, সন্ধ্যা পূজা কি? কিয় কৰিব লাগে? কেনেকৈ কৰিব লাগে? কাকো নোসোধে। মাথোন 'আমাৰ ওপৰ পুৰুষে কৰিছে আমিও কৰিব লাগে।' শঙ্কৰদেৱ এনে ধৰণৰ লোক নাছিল। যি কাম কৰিব লাগে তাৰ উপকাৰ, অপকাৰ, আৱশ্যক কি তন্ন তন্নকৈ ফঁহিয়াই চায়হে কৰে। এইদৰে চাওঁতে চাওঁতে দিনে দিনে নতুন নতুন ভাৱে ঠাই লৈছে। গঞা জ্ঞাতিয়ে যিবোৰ কাম কৰা দেখিছে তাত পদে পদে দোষ দেখিছে, এইবোৰ কাম যে এই যুগৰ কাম নহয়; ইয়াক কেনেকৈ আঁতৰোৱা হ'ব; দেশ-কাল-পাত্ৰ লৈ যি কাম কৰিলে দেশৰ নৰ-নাৰী সকলো প্ৰজাৰ উপকাৰ হ'ব, তাকে ভাৱি চিন্তি হাতত কাপ আৰু সাঁচিপাত লৈ প্ৰথমে হৰিশ্চন্দ্ৰ উপাখ্যান লিখি নিজে নিজে ভাৱি চাইছে যে অসত্য আৰু অনিত্য স্বপ্ন ৰাজ্যৰ পৰা সত্য আৰু নিত্য ধৰ্ম্ম ৰাজ্যলৈ যাব খুজিলে এই হৰিশ্চন্দ্ৰৰ গতিয়েই হ'ব। যি হক তথাপি মই যাম, যাব পাৰিম। কিন্তু এই যুদ্ধলৈ যাবলৈ সঁজুলি খিনি ঠিক কৈ ল'ব লগিব। অৰ্থাৎ প্ৰথমে সত্যকে ব্ৰত বুলি ধৰিব লাগিব। ২য়ত গছৰ চাল, গছৰ গুটি, গৰু মূত, বাঁহ

জেঙ্গনীকে কৃষ্ণদেৱৰ হাতৰ শঙ্খ, চক্ৰ, গদা, পদ্ম, এই চাৰি অস্ত্ৰ লোৱাদি ল'ব লাগিব। প্ৰত্যেক অস্ত্ৰৰ লগত মৰম, স্নেহ, শ্ৰদ্ধা, প্ৰীতি, মন্ত্ৰ অভিষেক কৰিব লাগিব। যাহক এই এটাইবোৰ কৰিব পাৰিম। মাথোন শেষ পৰিণামত কোন খিনি পাবগৈ লাগিব আগেয়ে তাকে ঠিক কৰি লওঁ। এই বুলি শ্ৰীমদ্ভাগৱত মূলৰ পৰা অসমীয়া পদ কৰি আছে। ঈশ্বৰৰ ইচ্ছা শঙ্কৰদেৱ যে যুগাৱতাৰ যি কাম হাতত ল'ব খুজিছে সি যুগ ধৰ্ম্ম আৰু অচল। তাকে উৎসাহ দি আগ বাঢ়িবলৈ ঈশ্বৰে হুকুম দি পঠাইছে। জগদ্বীশ মিশ্ৰই জগন্নাথৰ আগত ভাগৱত শুনাবলৈ যাওঁতে জগন্নাথে তেওঁক স্বপ্নত দেখা দি কলে* 'মই জড় জগন্নাথ, মোক ভাগৱত শুনালে কি হ'ব, যি পূৱদিশে অসম ৰাজ্যত বৰদোৱা নামে ঠাইত শঙ্কৰ নামে শূদ্ৰ কুলত চৈতন্য জগন্নাথ অৱতাৰ হৈছে, এই ভাগৱতী ধৰ্ম্মকে প্ৰচাৰ কৰিব; তেওঁক এই ভাগৱতৰ আচল মৰ্ম্মতো বুজাই দিলে ধৰ্ম্ম প্ৰচাৰৰ অনেক উপকাৰ হ'ব; তুমি তালৈ যোৱা।'

তিৰত দেশৰ এক বিপ্ৰবৰ
ভাগৱত গ্ৰন্থ লৈলা।
জগন্নাথ আগে পঢ়িবাক ৰঙ্গে
ক্ষেত্ৰক লাগি আসিলা।।
জগন্নাথে তাঙ্ক স্বপ্নত বুলিলা
শুনিয়োক বিপ্ৰবৰ।
উদয় ৰাজ্যত বৰদোৱা গ্ৰামে
আচন্ত শঙ্কৰ বৰ।।
তান আগে গৈয়া পঢ়িওক ইটো
মহাগ্ৰন্থ ভাগৱত।
তাহান আমাৰ নাহিকে অন্তৰ
কৈলো ইটো সাৰ তত্ত্ব।
চেতন লভিয়া মনত গুনিয়া
দেখিয়া স্বপ্ন বিশেষ।
উদয় ৰাজ্যক যাইবে জগন্নাথে
কৰিলা মোক আদেশ।। ১৬৫

* * * *

* * * *

---

* ভাল বিদ্যা এটা শিকিলে প্ৰথমে তীৰ্থ ক্ষেত্ৰত বা সেই বিদ্যাটো জনা এজনৰ আগত বা কোনো এজন সজ সাধু পুৰুষৰ আগত প্ৰকাশ কৰা নিয়ম এতিয়াও আছে।

অনুক্ৰমে সৱে দেশক এৰায়া
ৰাইজ পাইল অসমৰ।
টেম্বৱানী বন্ধ বৰদোৱা গ্ৰাম
পাইলা পাছে শঙ্কৰৰ।। ১৬৭
আমি তিৰোতীয় ব্ৰাহ্মণ জানিবা
পঢ়িলোহো ভাগৱত।
জগদীশ মিশ্ৰ নাম দিলা গুৰু
আনন্দ কৰি মনত।। ১৭৪
জগন্নাথ আগে ইটো ভাগৱত
পঢ়িবাক ৰঙ্গে গৈলো।
স্বপ্নে জগন্নাথে* দেখা দিলা মোক
নয়ন ভৰি দেখিলো।।
মোক আজ্ঞা কৰি- লন্ত জগন্নাথে
শুনিয়োক দ্বিজৱৰ।
বৰদোৱা গ্ৰামে আছন্ত শঙ্কৰ
যায়োক তৈকে সত্বৰ।। ১৭৪।।
শঙ্কৰৰ মোৰ নাহিকে অন্তৰ
তৈতে পঢ়া ভাগৱত।
হেন শুনি মই আনন্দে লৰিলো
আজ্ঞা কৰি শিৰোগত।।

---

শঙ্কৰ বদতি শুনা বিপ্ৰ মহাশয়।
জগন্নাথ দায়া মোক সম্পূৰ্ণে আচয়।।
কৃপা কৰি তোমাক পঠাইলা মোৰ পাশে।
তুমি হেন বিপ্ৰক লভিলো ভাগ্য বশে।।
কালি আৰম্ভিবা মহা গ্ৰন্থ ভাগৱত।
গীত পদ কৰি আমি আছোহোঁ পূৰ্ব্বত।।
তাত কৰি অৰ্থ কিবা বিলক্ষণ হয়।
শুনিবাক মোৰ মহা আনন্দ আছয়।।

জগন্নাথ আজ্ঞা বিপ্ৰে কৰি শিৰোগত।
পঢ়িলা হৰিষে বাহুস্কন্ধ ভাগৱত।।
দৈৱকী নন্দনে শঙ্কৰক অংশ মানি।
পঠাইলা বিপ্ৰক শুনিলাহা সৱে প্ৰাণী।।*

জগদীশ মিশ্ৰৰ স্বপ্নৰ বৃতান্ত শুনি আৰু ভাগৱতৰ সাৰ মৰ্ম্ম শুনি এইবাৰ শঙ্কৰদেৱ আনন্দয়, বেজাৰে, ভাৱে-চিন্তাই উগুল থুগুল কৰিবলৈ ধৰিলে; "হায়! আমি সেই ভগৱন্তৰ অংশ লৈ আহি কি কাম কৰিছোঁ। অল্পমতি প্ৰজাই প্ৰতাৰকৰ প্ৰতাৰণাত পৰি ঘোৰ আন্ধাৰত সোমাইছে। এতিয়া ভাৱি থাকিলে একো নহ'ব। মোৰ মনৰ প্ৰবল ইচ্ছাৰ সোঁত বোৱাই দিছে জগন্নাথ মহাপ্ৰভুৱে। এতেকে এতিয়া সেইজনা মহাপ্ৰভুৰ গুণ চৰিত্ৰকে প্ৰকাশ কৰোঁ, লগে লগে নিজ কাৰ্য্যতো হাত দিওঁ।ϒ এই বুলি ব্ৰহ্মপুৰাণৰ পৰা উৰেষা বৰ্ণনৰ পদ কৰি দৌল নিৰ্ম্মাণ কৰি ফল্গুৎসৱ পাতি এখন নাট লিখি চিহ্ন-যাত্ৰা ভাৱনা পাতিছে। এই ভাৱনাত যিবিলাক গীত, সুৰ-সঞ্চাৰ, খোল-তালৰ বাজনা উলিয়াইছিল আৰু চিহ্ন আঁকি যি সাত বৈকুণ্ঠৰ আৰ্হি দেখুৱাইছিল, সি একেবাৰে নতুন আৰ্হি। এনে সুৰসঞ্চাৰ, এনে গীত মাত, এনে বাজনা, এনে চিত্ৰ কোনো যুগত চলা নাছিল, কোনো দেশৰপৰা তাৰ সঁচ-কঠিয়া অনাও নাছিল। এই ভাৱনাত নিজে ভাৱৰীয়া শিকাই, গায়ন শিকাই মূলত নিজে থিয় দিছিল। এই ভাৱনাত নিজেই বৰ বায়ন বৰগায়ন হৈ খোল, তাল আঁৰিয়া, ছোঁতৰাবোৰ কি বস্তু, বাজনাবোৰত কি শব্দ ওলাইছে, কোন শব্দই ঈশ্বৰৰ কি নাম লয় তাক সকলোৱে বুজিব পৰাকৈ বুজাই দিছিল। কোন বৈকুণ্ঠখনৰ কেনে গঢ় তাক আঁকি দেখুৱাইছিল, আৰু সেই বৈকুণ্ঠখন পাবলৈ কেনেদৰে কি ভক্তি কৰিব লাগে তাক ভাগে ভাগে এনেদৰে বুজাই দিছিল, যে ভাৱিব চিন্তিবৰ শক্তি নোহোৱা কোনো দিনে নাম ধৰ্ম্মৰ গোন্ধ নোপোৱা সমাজৰো ঈশ্বৰলৈ ভক্তি ভাৱ আহিছিল। ৰামৰাম গুৰু, মহেন্দ্ৰকন্দলী, অনন্তকন্দলী আদি গম্ভীৰ স্বভাৱী ধৰ্ম্মভীৰু কোমল হৃদয়ৰ বেদজ্ঞ ব্ৰাহ্মণ কিছুমানৰ, শঙ্কৰদেৱৰ পাণ্ডিত্য আৰু ঐশ্বৰিক শক্তিৰ বল, ধৰ্ম্মৰ ভাৱ-ভঙ্গিৰ মহাগুণত মোহিত হৈ দ্ৰবিভূত হ'ল। স্বাৰ্থলোভী বামানয় শাস্ত্ৰৰ প্ৰলোভনত থকা কিছুমানৰ শৰীৰত অগ্নি জ্বলিবলৈ ধৰিলে। এই

---

* পাঠ শেষ হোৱাৰ দিনাই জগদীশ মিশ্ৰ সামান্যজন হৈয়েই মৰিল। সকলোৱে কাঠ সংস্কাৰ কৰিলে। সকলোৱে ব্ৰত উপবাসো কৰিলে।

ϒ মৃতক বিপ্ৰৰ অন্তেষী ক্ৰিয়া হঁকে তিথি মহোৎসব কৰো, কাললৈ মৃতকৰ স্মৃতি ৰক্ষা আমাৰ কৃতজ্ঞতা প্ৰকাশৰ চিনো থাওক।

ভাৱনাৰ চিনচাৰ সঁচ-কঠিয়াৰ লেশ মাত্ৰাও নাই যদিও বৰদোৱাত এই ফল্গুৎসৱ যাত্ৰাই ডাঙৰ গৰ্ব্ব; মহাপুৰুষীয়া ধৰ্ম্মৰো এইয়ে আদি পৰ্ব্ব হৈ থাকিল। এই ভাৱনাত দিনে ৰাতিয়ে সাদিন গ'ল, চাওঁটা মানুহে সাদিন বুলি ক'বই নোৱাৰিলে, মাথোন এদিন বুলিহে ভাৱিলে। এই ভাৱনালৈ যোৱা এজনী পোহাৰীয়েও এপাচি মাছ লৈ "ৰাতি ভাৱনা চাই পুৱা মাছ বেচি আহিম" বুলি বহি আছিল। কিন্তু ভাৱনা সাতদিন হোৱা কথা তাই ক'ব নোৱাৰে। পুৱা বেলা ভাৱনাৰ শেষ হ'ল; পোহাৰী মাছ সলাবলৈ আহিল। পাছিত দেখে যে মাছবোৰত পোক দিছে। পোহাৰীয়ে ভাৱি চালে ফাগুন মহীয়া ৰাতিটোত মাছ গেলিব নোৱাৰে; আন কোনো কাৰণতহে মাখিয়ে বেয়া কৰিছে। এতেকে মাছবোৰ ধুই পৰিস্কাৰকৈ বেছিলে কোনো দোষ নহয়। এই বুলি য'ত পূৰ্ব্বৰ তপস্বী সিদ্ধৰ নিৰ্ম্মিত হ্ৰদ আছিল তাতে মাছবোৰ ধুলেগৈ। পানীত তিওৱা মাত্ৰেই মাছবোৰ জীয়াহৈ লৰ মাৰিলে। তেতিয়া পোহাৰীয়ে ভাৱিলে, এই পুখুৰীটোৰ পানীত গেলামাছ জীয়াৰ দৰব আছে; ভালেই হ'ল, আজিৰ পৰা মাছ গেলিলে এই বুদ্ধিৰেই জীয়াই ল'ম। এইদৰে অনেক দিন পোহাৰীয়ে গেলামাছ জীয়াই সলাই আছে। পোহাৰী অপুত্ৰক আছিল। পোহাৰীৰ গাওঁ বামুণ গাৱঁৰ বহুত আঁতৰ নাছিল। দৈবাৎ বামুণ এঘৰৰ ল'ৰা এটি মৰিল, পুটি থলে। পোহাৰীয়ে ভাৱিলে, যি পুখুৰীত গেলামাছ জীয়ে, ঠিক সেই পুখুৰীত এই মৰা ল'ৰাটোও জীৱ। ইয়াকে নিশ্চিয় কৰি ৰাতিয়েই পোহাৰীয়ে ল'ৰাটো পোটাৰ পৰা খানি আনি সেই পুখুৰীত গা ধুৱাই দিলত সঁচাকৈয়ে ল'ৰাই হাঁহিব-কান্দিবলৈ ধৰিলে; পোহাৰীয়ে ৰংমনেৰে ল'ৰালৈ ঘৰলৈ গ'ল। (আজি এই স্বপ্নৰ কথাও বুলিব পাৰে; তথাপি এনে এটা কাল আছিল, সেই কালত এনে আচৰিত অদ্ভুত কাম অসংখ্য আছিল।) এদিন পোহাৰীৰ ঘৰৰ ল'ৰা বামুণে দেখি চিনিপাই পোহাৰীৰ পৰা আতিগুৰি লৈ ল'ৰা আনিবলৈ ধৰে। নিৰ্ধনীৰ ধন, অপুত্ৰৰ পুত্ৰ, কেনেকৈ আনে। শেহত শঙ্কৰদেৱৰ ওচৰতে গোচৰ হ'ল। শঙ্কৰদেৱে পোহাৰীৰ পৰা কেনেকৈ সেই হ্ৰদৰ পৰা মাছ জীয়ালে, কেনেকৈ বামুণৰ ল'ৰা পোটৰ পৰা খানি আনি জীয়াই লৈছে, সমূদাই বৃতান্ত জানি ল'লে আৰু এই হ্ৰদ থাকিলে অনেক অকাৰ্য্য মিলিব ভাৱি, এই হ্ৰদ কি প্ৰাকাৰে পোটা হ'ব, তাৰে উপায় উলিয়াবলৈ ধৰিলে। শেষত এটা বুদ্ধি সাজি সকলো ভকতক গাৱঁৰ মানুহক গোটাই ক'লে যে, "বৰদোৱা এনেয়ে বৰ দ, তাতেইটো মিনিয়া জানৰ পানীয়ে সকলোৰে খেতি পঠাৰ নষ্ট কৰিছে। এতেকে এই জানটো গাৱঁৰ মাজতে ভেটা মাৰি বাজে বাজে পঠাই দিয়া হক।" এই কথা মতেই পাছ দিনাৰ পৰা সকলো মিলিজুলি জান বান্ধিবলৈ লাগি গ'ল। এই ধৰতো বান্ধোতে বান্ধোতেই শঙ্কৰদেৱৰ মনত আন এটা ভাৱে ঠাই ল'লেহি।

অৰ্থাৎ প্ৰত্যেক অৱতাৰি পুৰুষবিলাক আবিৰ্ভাৱ হৈ সমাজত গা দেখা দিবৰ সময়ত প্ৰজাৰ দহ ৰকমৰ দৃষ্টি পৰে।

"অধমে কেৱলে দোষ লৱয় মধ্যমে গুণ
দোষ লৱে কৰিয়া বিচাৰ।
উত্তমে কেৱলে গুণ লৱয় উত্তমোত্তমে
অল্পগুণ কৰয় বিস্তাৰ।।"

শ্ৰীকৃষ্ণই পূৰ্ণশক্তিৰে কংস সভাত প্ৰৱেশ হওঁতেও ৰজা-প্ৰজা পাত্ৰ-মন্ত্ৰী আদি সভাসদসকলে এই দৰে দেখিছিল। যেনে—

"কৰিলা প্ৰকাশ ৰামে সমে সমজ্যাত।
দেখে দশ প্ৰকাৰে কৃষ্ণক সিবেলাত।।
মালে বোলে কিনো বজ্ৰ সম কলেৱৰ।
অন্য জনে বোলে এহেন্তেসে নৰবৰ।।
নাৰীগণে বোলে মূৰ্ত্তি ধৰিলা মদনে।
আমাৰেসে বন্ধু বুলি মানে গোপগণে।।
আমাৰেসে শাস্তা বোলে দুষ্ট ৰাজাচয়।
বসুদেৱ দৈৱকীয়ে বোলয় তনয়।।
কংসে বোলে এহি কৃষ্ণ অন্তক আমাৰ।
অজ্ঞানী সকলে বোলে নন্দৰ কুমাৰ।।
যোগীগণে বোলে এহেন্তেসে ব্ৰহ্মতত্ত্ব।
কৃষ্ণ বংশে বোলে এন্তে কুলৰ দৈৱত।।
ধৰি মল্লবেশ পিন্ধি ৰত্ন আভৰণ।
ৰঙ্গ মধ্যে প্ৰকাশন্ত ৰাম-নাৰায়ণ।।" কংসবধত।।

এইদৰেই সেই সময়ত শঙ্কৰদেৱৰ ওপৰতো দশ দৃষ্টি পৰিছিল। তাৰ ভিতৰত অভিমানী পায়সভোগী আগমী বিপ্ৰসকলৰ দৃষ্টি অতি প্ৰবল হৈ পৰিছিল। গতিকে এই চলতে এই অহঙ্কাৰী বিপ্ৰসকলক গৰ্ব্বপৰ্ব্বতৰ পৰা নমাবৰ মনেৰে এটি আলৌকিক ঘটনা প্ৰকাশ কৰিলে। অৰ্থাৎ ধৰ বান্ধোতে টেমিনিয়া জানৰ মুখ কোনো ৰকমে বান্ধি ৰাখিব নোৱাৰা হ'ল। তেতিয়া বিবুদ্ধি হৈ শঙ্কৰদেৱক সকলোৱে সুধিলে, "এতিয়া কি উপায় হ'ব?" এই চলতে শঙ্কৰদেৱে শ্ৰীবৎসচিন্তাৰ উপাখ্যান কৈ সতী তিৰুতাৰ মহাত্ম্য কৈ, এজনী শান্তী তিৰোতা বিচাৰিবলৈ ক'লে। সকলোবিলাক মানুহে

চাৰিও ফালে শান্তী তিৰোতাৰ বিচাৰ লগালে। সেই সময়ত শান্তী পুৰস্কাৰ ও যশস্যা লভিবলৈ অনেক ভট্টাচাৰ্য্য পণ্ডিতসকলৰ ভাৰ্য্যা গোট খালে। পণ্ডিত সকলোকে শঙ্কৰদেৱে সুধিলে—"আপোনাসকলৰ ভাৰ্য্যা শান্তী নে?" বিপ্ৰ সকলোৱে উত্তৰ দিলে— "আমি ধৰমবিয়া কৰাই গৌৰী অৱস্থাত আনিছোঁ; আমাৰ ভাৰ্য্যা শান্তী নহৈ কোন হ'ব পাৰে?"

"তৰ্ক বিদ্যাপতি ভট্টাচাৰ্য্যৰ ঘৰিণী।
শান্তীৰ মধ্যত মঞি বোলে অগ্ৰগণি।।
মই যাইবো সমজ্যাক স্বামীয়ে থাকোক।
মোহোৰ যশস্যা সৰ্ব্বজনে দেখন্তোক।।
এহি বুলি কন্যা আথে বেথে চলি যাই।
বোলয় শঙ্কৰে কোন প্ৰমাণক চাই।।
তাহাৰ পৰীক্ষা চাওঁ বুলিলে বুজাই।
জল এক পল যিবা জনে আনে যাই।।
অনন্তৰে মাটি ব্যাকি জল মাজে দিব।
সৰ্ব্বলোকে তাতে তেৰে প্ৰমাণ দেখিব।।
এহি শুনি আচাৰ্য্যৰ ভাৰ্য্যা পালটিলা।।"

তেতিয়া বনগঞা গিৰিয়ে ক'লে যে "এশ পতি নহ'লে শান্তী হ'ব নোৱাৰে।" ঠিক সেইসকলৰ মাজতে এশ উপপতি ভজা শান্তীও অনেক ওলাল। দুই চাৰি দিনৰ ভিতৰত এশ পুৰাই দিবলৈ গাত লওঁতা শান্তীও অনেক ওলাইছিল। শেষত শান্তীৰ পৰীক্ষাৰ নিমিত্তে তিনটা কাঠিৰে পল এটাত পানী এপল আনিবলৈ ক'লে। এইবাৰ শান্তী হ'বলৈ কোনো আগ নাবাঢ়ি পাছ হুহঁকি গ'ল। আকৌ নতুনকৈ শান্তী বিচাৰিব লগা হ'ল। এই পৰীক্ষা দি শান্তী হ'বলৈ আহোঁতা নাইকিয়া হ'ল। এই হুলস্থূলৰ সময়তে মিনিয়া জানত জালোৱা মতা-মাইকী এহালে জাল বাই আছিল। তিৰোতা জনীয়ে অনেক মানুহৰ সমাগম দেখি সুধিলে—"এইখন কিহৰ মেল হৈছে? মতাটোৱে ক'লে, 'এই জানটো বান্ধি গাৱঁৰ বাজে পঠিয়াব খুজিছে। তাকে বান্ধি ৰাখিব পৰা নাই। এজনী শান্তী কন্যা লাগে, এতিয়া শান্তীকে বিচাৰি পোৱা নাই।' এই কথা শুনিলতে সুমথিৰা নামৰ তিৰোতা জনীয়ে খং কৰি ক'লে—"এই অতবোৰ পণ্ডিত বামুণৰ তিৰোতা শান্তী হ'ব পৰা নাইনে? মইয়েই দেখোন শান্তী হ'ব পাৰোঁ।" জয়ন্তীৰ কথা শুনি মতাটোৱে খং কৰি উঠিছে, তায়ো ঘনে ঘনে তাকে কয়। দুয়োৰো দন লাগি থাকোতেই বাটে যোৱা মানুহে শুনি শঙ্কৰদেৱক কৈ দিলে। শঙ্কৰদেৱে তেতিয়াই মানুহ

পঠিয়াই জয়ন্তীক ধৰাই নি সুধিলে— 'তই শান্তী হ'ব পাৰিবি।' জয়ন্তী ভাল মানুহ দেখিলে মিচিকা-মিচিকী, ফিচিকা-ফিচিকী কৰি এচলিয়াকৈ মুখ ঢাকি পিছ হোহঁকা বিধৰ তিৰুতা নাছিল; সঁচা কথাত পৰিলে, ধৰ্ম্মবাট দেখিলে প্ৰাণ দিব পৰা আছিল।

তিনি মাস বিছাৰিয়া নাপাইল সতী।
শুনা পৰে যি কৰিলা কন্যা অন্ত্য জাতি।।
জয়ন্তী নামৰ এক ধিৱৰ গৃহিণী।
শঙ্কৰৰ আগে হেন বুলিলন্ত বাণী।।
কিবা হেতু শান্তী কন্যা বিচাৰা গোসাঁই।
আমি শান্তী পতিব্ৰতা আসিছোঁ ইঠাই।।
পিতৃ-মাতৃ মোৰ নাম সুমথিৰা দিল।
জয়ন্তী নামেৰে পাছে কন্যা দান কৈল।।
স্বামী গুৰু মাতে মোক তৰাৱতী বুলি।
পুৰ্ণানন্দ নামে স্বামী কৰো কৃতাঞ্জলি।।
নিগদতি শ্ৰীশঙ্কৰ শুনিয়ো বচন।
কহিয়োক পতিব্ৰতা শান্তীৰ লক্ষণ।।
জয়ন্তী বদতি প্ৰভু শুনিয়ো গোসাঁই।
সমভাৱে ভুত দায়া কৰোহোঁ সদায়।।
স্বামী জপ স্বামী তপ স্বামী কৰো ধ্যান।
স্বামীৰ কুশল বিনা নিছিন্তোহো আন।।
স্বামী বিনা পৰ পুৰুষক কদাচিতো।
কাম ভাৱে নছাওঁ নোছোওঁ কথাকো নাপাতো।।
সত্য শৌচ ক্ষমা দয়া অতিথি সৎকাৰ।
কদাচিতো নকৰোহোঁ কাকো তিৰস্কাৰ।।
সকলোৰে গুণ দেখোঁ মোৰ দেখো দোষ।
নাপালে নাখালে নকৰোঁ অসন্তোষ।।
ভাল উপদেশ দিয়া চলাওঁ স্বামীক।
মাস মধ্যে একবাৰ কৰোহোঁ ৰতিক।।
স্বামী সহ নকৰোহোঁ দণ্ড খৰিয়াল।
সুখে দুখে ৰংমনে থাকো সৰ্ব্বকাল।।
নেদো কাকো লজ্জা নকৰোহোঁ পৰাঙ্মুখ।
পৰ সুখে সুখী পৰ দুখে পাওঁ দুখ।।

নাই বস্তু বুলি নকৰোহোঁ উতপাত।
স্বামী বিনা কাকো মই নকৰোঁ সঞ্জাত।।
স্বামীক এৰিয়া কতো নকৰোঁ গমন।
স্বামীক নিদিয়া অগ্রে নকৰোঁ ভোজন।।
প্ৰাতসে উঠিয়া কৰোঁ গৃহ-কৰ্ম্মগণ।
বাটে ঘাটে গৃহে কৰোঁ গোময় সিঞ্চন।।
নেদেখোঁ স্বামীৰ দোষ দেখোহোঁ গুণক।
মাৰিলে বা গালি দিলে পাওঁ আনন্দক।।
যদি স্বামী পাপ মণ্ড কৰে আচৰণ।
মিষ্ট কথা কহি তাক কৰোঁ নিবাৰণ।।
মুখে মুখে কদাছিতো নকৰোঁ উত্তৰ।
কহিলোঁ সকলো কথা শ্ৰীমন্ত শঙ্কৰ।।
শঙ্কৰে বোলন্ত তুমি সতী সুকুমাৰী।
পানী আনি দিয়া তুমি পলটোত ভৰি।।
আনিলেক পানী তাই একাঙ্গুল কম।
শঙ্কৰে বোলয় কেনে দেখোহোঁ বিষম।।
নমস্কাৰ কৰি বোলে শুনিয়োক বাপ।
কৰি আছোঁ মই এক অজ্ঞানত পাপ।।
"মোৰ স্বামী এক দিনে ঘৰে নাহি হয়।
বহিনী জমাই আসি ঘৰে মিলিলয়।।
ৰান্ধিলোঁহো ভাত পাত কাটি দিওঁতা নাই।
তাকে কাটিবাক কাছি দিলোঁহো পেলাই।।
কাছি দিওঁতে মোৰ মুখ জমাই দেখিল।
এহি পাপ গুটি বাপ আমাৰ সিজিল।।
..................................................
শঙ্কৰে বোলন্ত আত কিছু ছিদ্ৰ নাই।।"

এইবাৰ সকলো সমাজেই কৈ দিলে, "বাৰু, সেইকণ দোষেই হয় যদি আমি লৈছোঁ; তই আকৌ পানী আনগৈ।" এইবাৰ পানী আনিলে, চাকতকৈ চাৰি আঙ্গুল চৰি আহিল। কুতৰ্কী সকলৰ মুখ ক'লা পৰি গ'ল। গুণৰ মোল্ বুজাসকলে "চাকতকৈ চাৰি আঙ্গুল চৰিল" বুলি খলকি লগাই দিলে। সেই পানী য'ত পেলাইছিল তাত এটা

দুবিহে গ'ল। সেই দিনাৰ পৰা টেমিনিয়া জানৰ নাম শান্তীজান বুলি বিখ্যাত হ'ল। শান্তীয়ে মাটি এছপৰা দিলতে জান বন্ধ হ'ল; সেই ধৰটোৰ নামো "শান্তীধৰ" বুলিয়েই বিখ্যাত হ'ল।

"শঙ্কৰে বোলন্ত শুনা সুকন্যা সুন্দৰী।
এক পল মৃতিকাক দিয়া পল ভৰি।।
আজ্ঞা শিৰে ধৰিয়া জানত মাটি দিল।
পেলাইল মাত্ৰকে জান তেখনে নবৈল।।
মাটি দিয়া যেবে জান বান্ধিলেক ধৰ।
তেতিক্ষণে উঠিলন্ত দেৱতা শঙ্কৰ।।
বাহু ভূঞা বোলে ধন্য ধন্য ডেকাগিৰী।
জগতত বিচাৰি নপাইলা শান্তী নাৰী।।
তোমাৰ প্ৰভাৱে এই থানে মিলিলেক।
আনিলেক পানী পলো সবে দেখিলেক।।

এতিয়া ধৰটোৰ ওপৰে নগাবঁৰ পৰা ঢিঙলৈ ডাঙৰ আলি যোৱাৰ বাবে শান্তীধৰৰ চিনচাব্ নাইকিয়া হৈছে। শান্তীৰ মাহাত্ম্য সকলো সমাজে দেখিলে, তেতিয়া শঙ্কৰদেৱে ক'লে—

"শঙ্কৰে বোলন্ত ধিক্ ধিক্ বিপ্ৰগণ।
বেশ্যাৰেসে হাতে তোৰা সৱে খোৱা অন্ন।।
অন্ত্যজাতি দেখা কেনে শান্তী বিপৰীত।
ভক্তি নভৈলেসে তেজ হৰয় কলিত।।
এতেকেসে বোলো শুনা ব্ৰাহ্মণসকল।
ভক্তি বিনে তপ জপ সকলো বিফল।।"

এই এশ পতি ভজা শান্তিসকলৰ পৰাই আসামত চঁৰালৰ উৎপন্ন বুলি কিম্বদিত শুনা যায়। শান্তিধৰ বন্ধা শেষ হ'ল। এই জান বন্ধ কৰাৰ বাবে সেই বছৰেই খৰালি পানী একেবাৰেই নাইকিয়া হ'ল। গৰু, ম'হ, মানুহ পানীৰ লগত হাঁহাঁকাৰ কৰিবলৈ ধৰিলে। সকলো ভকত বৈষ্ণৱ গাঁয়া-ভূঞা মিলি শঙ্কৰদেৱৰ ওচৰত এটা পুখুৰী খানিবৰ বন্দবস্ত কৰিলেহি। কোন খিনিত খানিলে ভাল হ'ব, তাক ঠিক কৈ দিবৰ নিমিত্তে শঙ্কৰদেৱ নিজেই চাবলৈ গ'ল। য'ত পূৰ্ব্বৰ ঋষিৰ হ্ৰুদ আছিল, তাৰ পাৰলৈকে গ'ল; সেই পুখুৰীৰ পাৰতে এজোপা বটবৃক্ষ আছিল। এই বৃক্ষত যেতিয়া শ্ৰীকৃষ্ণই ৰুক্মিণী হৰণ কৰিবলৈ আহোঁতে ৰথৰ বেগত বেদনিধি বাপু বিমূৰ্চ্ছিত হৈ পৰে, তেতিয়া এই বটবৃক্ষৰ

তলতে ৰথ ৰাখি বৃক্ষৰ গাতে সাৰেঙ্গ ধনু আউজাই থৈ; এই হ্ৰদৰ পানী মুৰত দি স্বস্থ কৰিছিল। সিফালে ধনুখন কাতিহে বৰগছ ও হ্ৰদক মাজতে লৈ পৰিছিল। তেতিয়া কৃষ্ণদেৱে ভৱিষ্যৎ ভাবি এটা চিন ৰাখি গৈছিল। এতিয়া নিজৰ কাম নিজে সুঁৱৰি সেই ধনুৰ সাঁচে সাঁচে এটা চিন দি থৈ আহিল; পিচদিনাৰ পৰা সেই সাঁচে সাঁচে ডাঙৰ পুখুৰী খানিবলৈ। সেই দিনা ৰাতি সকলোবিলাকে নাম-গুণ গাই খাই বৈ সোনকালে শুই থাকিল গৈ। শঙ্কৰদেৱে হাতত লাখুটি এদাল লৈ লাহে লাহে তালৈকে গ'ল।

যোগ শাস্ত্ৰ শিকি যোগৰ বলেৰে পানীৰ তলত পানী আঁতৰাই পিন্ধা কাপোৰ নিতিতাকৈ যোগ সাধনা কৰাৰ ফল বা চিন স্বৰূপে ভাবনাৰ বাজনা আৰু গঙ্গা নমাই কাললৈ থৈ গ'ল।

"উত্তৰ প্ৰদেশে আছে বটবৃক্ষ গোট।
লাসে লাসে পাৱ গতি চলিলা সন্নিত।।
উপৰক চায়া পদ আঙ্গুলিৰ আগে।
আতি জল আহ্বান কৰি মহাভাগে।।
হাতৰ লাখুটি ধৰ্ৰি ধ্ৰেন্বাকাৰ কৰি।
বটৰ উত্তৰ প্ৰান্তে আইলা আঞ্চ মাৰি।।
নাম প্ৰসঙ্গক কৰি ভক্তগণ সঙ্গে।
শয়ন কৰিলা গুৰু মহা মন ৰঙ্গে।।
মধ্য ৰাত্ৰি গুৰু জন গৈলা তৈক লাগি।
তাহান ইচ্ছায় গঙ্গা আইলন্ত ভাগি।।
মহা ভয়ানক শব্দ ভৈলা আতিশয়।
সবে বোলে কিবা আজি প্ৰলয় মিলয়।।
টল্ টল্ কৰি বট উপৰে পৰিলা।
মহাচোটে বট গোট অভ্যন্তৰ ভৈলা।।"

ৰাতি শোৱা ঠাইতে সকলোৱে মহাশব্দ শুনি সাৰ পাই উগুল্-থুগুল্ কৰি আছে। প্ৰাতসে সকলোৱে উঠি শঙ্কৰদেৱৰ ওচৰ পাই সোধা-পোচা কৰি সকলোৱে মিলি কেনি ক'ত কি হ'ল চাবলৈ গ'ল। গৈ দেখে নানা ৰকম মাছ-কাছ আদি জল জন্তুৱে ধেনুৰ আকৃতিৰে নিৰ্ম্মল পানীৰে থৌকি বাথৌকি কৰি আছে। সকলোৱে দেখি বিস্ময়। শঙ্কৰদেৱে সকলোকে বুজাই দিলে, "আমি দিয়া চিনতে যে এই সৰোবৰ হৈছে, ঈশ্বৰে আমাক অনুগ্ৰহ কৰিছে। পূৰ্ব্বে গঙ্গা তিনি ধাৰা হৈ এধাৰা পৃথিবীয়ে, এধাৰা পাতালে, এধাৰা আকাশে গৈছিল। এতিয়া সময় বুজি আমাৰ দুখ দেখি সহিব নোৱাৰি

ঈশ্বৰে আমাক এই আকাশৰ গঙ্গা নমাই দিছে। এনে জন দীনবন্ধুক সকলোৱে একমনে একে লগে ভক্তি কৰোহঁক আহাঁ। আজিৰ পৰা ঈশ্বৰলৈ মনত পৰিবলৈ গঙ্গালৈ চাই পঠাবা।" এই দিনৰ পৰা আলিপুখুৰীৰ ঠাইত আকাশীগঙ্গা হ'ল, আলিপুখুৰীৰ নাম লোপ হ'ল। আৰু বটবৃক্ষ দ্ৰবিত হ'ল। বৰদোৱা নুবুলি বটদ্ৰৱা বোলা হ'ল।

এতিয়া টেমিনিয়া জানৰ ঠাইত কেনেকৈ শান্তীজান হ'ল, আলি পুখুৰীৰ ঠাইত কেনেকৈ আকাশীগঙ্গা হ'ল, বৰদোৱাৰ সলনি কেনেকৈ বটদ্ৰৱা নাম হ'ল, আৰ্হি চৰিত্ৰ যিমান দেখা শুনা হৈছে, তাৰ সমালোচনা কৰি দেখুওৱা হ'ল। এই টেমিনিয়া বন্দৰ বৰদোৱা বা বটদ্ৰৱা গ্ৰামতে যে শঙ্কৰদেৱৰ জন্ম হৈছিল তাক শঙ্কৰদেৱৰ নিজ মুখৰ বাক্যত দেখুৱা হক।

## ষষ্ঠ অধ্যায়

### শ্ৰীশ্ৰীশঙ্কৰদেৱৰ জন্ম থান বৰদোৱা।।

(নিজে লেখা মতে প্ৰমাণ)

বৰদোৱা নামে গ্ৰাম শস্যে মৎসে অনুপাম
লোহিতৰ আতি অনুকূল।
সেই মহা গ্ৰামেশ্বৰ আছিলন্ত ৰাজধৰ
কায়স্থ কুলত পদ্ম ফুল।।
তান পুত্ৰ সূৰ্য্যবৰ মহাবৰা দেশধৰ
দানি মানি পৰম বিশিষ্ট।
যাৰ যশ এভু জ্বলৈ জয়ন্তা মাধৱ দলৈ
দুয়ো ভাই যাহাৰ কনিষ্ঠ।।
তান পুত্ৰ কুলোদ্ধাৰ ভৌমিক মধ্যত সাৰ
প্ৰসিদ্ধ কুসুম নাম যাৰ।
তান পুত্ৰ শিশুমতি কৃষ্ণ পাৱে কৰি নতি
বিৰচিলা শঙ্কৰে পয়াৰ।।

—শ্ৰীমদ্ভাগৱত ১০ স্কন্ধৰ ১৪৭৮ পদৰ পাচত।

বৰদোৱা নামে গ্ৰাম শস্যে মৎসে অনুপাম
ব্ৰহ্মপুত্ৰ বহে যাৰ কাছে।
ভৈলা সেহি গ্ৰামেশ্বৰ যাৰ নাম ৰাজধৰ
যাৰ যশৰাশি এভু আছে।।
তান পুত্ৰ সূৰ্য্যবৰ মহা বৰা বংশধৰ
কায়স্থ কুলৰ সন্ত শিষ্ট।
যাৰ যশ এভু জ্বলৈ জয়ন্তা মাধৱ দলৈ
দুয়ো ভাই যাহাৰ কনিষ্ঠ।।
তান পুত্ৰ অনুপাম প্ৰসিদ্ধ কুসুম নাম
ভৌমিক মধ্যত নাহি তুল।
দানি মানি গুণৱন্ত মহাজনে বখানন্ত
বংশৰ মধ্যত পদ্ম ফুল।।

তাহান সন্ততি আতি জ্ঞান শূন্য শিশু মতি
কেশৱৰ কিঙ্কৰ শঙ্কৰে।
কথা একাদশ স্কন্ধে বিৰচিলা পদবন্ধে
শুনা সভাসদ নিৰন্তৰে।।
—একাদশ স্কন্ধৰ ৪৫০ পদৰ পাচৰ পৰা।।

---

বৰদোৱা নামে গ্ৰাম শস্যে মৎস্যে অনুপাম
লোহিতৰ জলে অনুকূল।
ভৈলা সেহি গ্ৰামেশ্বৰ যাৰ নামে ৰাজধৰ
কায়স্থ কুলৰ পদ্ম ফুল।।
তানে পুত্ৰ সূৰ্য্যবৰ মহা বৰা দেশধৰ
দানি মানি মহাযশি শিষ্ট।
যাৰ যশ এভু জ্বলৈ জয়ন্তা মাধৱ দলৈ
দুয়ো ভাই যাহাৰ কনিষ্ঠ।।
তান্তে হন্তে ভৈলা জাত সমস্তে দেশতে খ্যাত
প্ৰসিদ্ধ কুসুম যাৰ নাম।
দানে মানে ভৈলা চাৰ ভৌমিক মধ্যত সাৰ
একো গুণে নাহিকে উপাম।।
তাহান সন্ততি আতি জ্ঞান শূন্য শিশু মতি
কেশৱৰ কিঙ্কৰ শঙ্কৰ।
দীৰ্ঘ হ্ৰস্ব নানা ছন্দে বিৰচিলা পদ বন্ধে
শেষ কথা উত্তৰাকাণ্ডৰ।।
—হনুমন্তাদিক সীতাক আনিবলৈ প্ৰেৰণ কৰাৰ
পাছত বাল্মীকিৰ শপতৰ আগত।

---

টেম্বুৱানী বন্ধে কসাই প্ৰবন্ধে
বটদ্ৰৱা নামে গ্ৰাম।

টেম্বুৱানী বন্ধে রসাই প্ৰবন্ধে
বটদ্ৰৱা নামে গ্ৰাম।
দুৰ্লভ নাৰায়ণে যাক বহু মানে
দিলা দেৱীদাস নাম।।
তাহাৰ সন্ততি মহা ধৰ্ম্মমতি
ৰাজধৰ নাম যাৰ।
তান গৰ্ভেশ্বৰ ভৈলা সূৰ্য্যবৰ
কায়স্থ কুল উদ্ধাৰ।।
ব্ৰাহ্মণ সজ্জনে প্ৰাপ্তি আশা মনে
থাকন্ত যাক উপাসি।
যাৰ কীৰ্ত্তি চয় আজিও ভ্ৰময়
মহা মহা যশ ৰাশি।।
তাহান তনয় মহা শুভ ময়
প্ৰসিদ্ধ কুসুম নাম।
সদকৰ্ম্ম যত সবাতো পাৰ্গত
গুণতো নাহি উপাম।।
ভৌমিকত চূড়া- মণি মহা বুঢ়া
নখণ্ডে কেহ আজ্ঞাক।।
বংশতো প্ৰখ্যাত গন্ধৰ্ব্ব সাক্ষাৎ
জগতে বখানে যাক।।
তাহান সন্ততি আতি শিশুমতি
শঙ্কৰে ভণে পয়াৰ।
পণ্ডিত লোকক কৰ যোৰ কৰো
ক্ষমিও দোষ আমাৰ।।
—ৰুক্মিণী হৰণৰ ৫২৬ পদৰ পাচৰ পৰা।

---

টেম্বুৱানী বন্ধে গ্ৰাম বটদ্ৰৱা যাৰ নাম
লোহিতৰ জলে অনুকূল।
ভৈলা সেহি গ্ৰামেশ্বৰ যাৰ নাম ৰাজধৰ
দানে মানে যাক নাহি তুল।।

অতিথি অৰ্চ্চাত পৰে আন চিন্তা নাহি ঘৰে
সৰ্ব্বদায়ে আনন্দ উৎসৱ।
তান পুত্ৰ ভৈলা চাৰি সূৰ্য্যবৰ মুখ্য কৰি
হলায়ুধ জয়ন্ত মাধৱ।।
জ্যেষ্ঠ ভৈলা সূৰ্য্যবৰ মহাবৰা দেশধৰ
নামত কায়স্থ কুল দীপ।
মহা দাৰ্তা হেন শুনি ব্ৰাহ্মণ সজ্জন গুণি
চলি যান্ত যাহাৰ সমীপ।।
তানে ভৈলা গৰ্ভেশ্বৰ মহামানি বংশধৰ
প্ৰসিদ্ধ কুসুম নাম যাৰ।
ভৌমিকৰ চুড়ামণি দাতাৰ আগত গণি
যাৰ যশে ব্যাপিল সংসাৰ।।
তানে পুত্ৰ অল্পমতি শঙ্কৰে কৰিয়া নতি
কৃষ্ণ পাৱে ৰচিলা পয়াৰ।।

—হৰিশ্চন্দ্ৰ উপাখ্যানৰ ২৮৮ পদৰ পাচৰ পৰা

---

টেম্বুৱানী বন্ধে গ্ৰাম বটদ্ৰৱা যাৰ নাম
লোহিতৰ জলে অনুকূল।
ভৈলা সেহি গ্ৰামেশ্বৰ যাৰ নাম ৰাজধৰ
বংশৰ মধ্যত পদ্মফুল।।
তানে পুত্ৰ সূৰ্য্যবৰ মহাবৰা বংশধৰ
আতি গুণৱন্ত সন্ত শিষ্ট।
যাৰ যশ এভো জ্বলৈ জয়ন্তা মাধৱ দলৈ
দুয়ো ভাই যাহাৰ কনিষ্ঠ।।
তান্ত হন্তে ভৈলা জাত সমস্তে দেশতে খ্যাত
প্ৰসিদ্ধ কুসুম নাম যাৰ।
গুণৱন্ত মহামানি দাতাৰ অগ্ৰত গণি
শিৰোমণি সমস্তে ভূঁঞাৰ।।

তাহান তনয় কবি কৃষ্ণৰ চৰণ সেৱি
শঙ্কৰে ৰচিলা ইটো গীত।
শুনিয়োক বুধলোক মোৰ পদ যেন হোক
কৃষ্ণ কথা শুনি ৰঞ্জা চিত।।
—বলিচলন ৮ম স্কন্ধৰ ১৫ আধ্যাত

শঙ্কৰদেৱে নিজেই নিজৰ জীৱনী বংশাৱলীত, জন্ম ঠাই ঠিককৈ থৈ গৈছে। পাচত চৰিত্ৰ লিখকসকলে সমূদায় থানৰ ওচৰৰ সকলো কথা আতিগুৰি নমৰাকৈ একোখনি গাৱঁৰ উল্লেখ কৰি যোৱাৰ বাবে বৰদোৱাও এখন, বটদ্ৰৱাও এখন, আলিপুখুৰীও এখন, টেম্বুৱানী বন্ধও এখন, নলছা গাওঁ এখন, প্ৰত্যেক খন গাওঁ বহুত দূৰৰ দূৰৰ যেন বুজাই পেলাইছে। এই ঐটাইবোৰ গাওঁযে একেখন থলতে তাক শঙ্কৰদেৱৰ বাক্যই বুজাই দিছে। শঙ্কৰদেৱ যে বৰদোৱাতে জন্ম হৈছে তাক শঙ্কৰদেৱ জন্ম হোৱাৰ ২০০ বছৰৰ পূৰ্ব্বে বিষ্ণুপুৰী সন্ন্যাসীয়ে তেওঁৰ শিষ্যসকলক পূবে বটদ্ৰৱা নামেৰে ঠাইত শঙ্কৰ নামেৰে ঈশ্বৰ অৱতাৰ হ'ব বুলি কৈ যায়। আৰু সেই জন অৱতৰী পুৰুষৰ অৰ্থে নিজে অনেক শাস্ত্ৰ-সমুদ্ৰ মন্থন কৰি ৰত্নাৱলী গ্ৰন্থ সংগ্ৰহ কৰি থৈ সময় মতে পঠাই দিবলৈ তেওঁৰ শিষ্যক দঢ়াই দঢ়াই কৈ যায়। সকলো চৰিত্ৰতে সেই গ্ৰন্থ প্ৰাপ্তী কথা প্ৰকাশ কৰিছে। বিষ্ণুপুৰী সন্নাসীয়ে তেওঁৰ শিষ্য ব্ৰহ্মানন্দৰ আগত কওঁতে—

ৱকাৰাদি নিৰ্ম্মাণানী শকাৰ হৰি উচ্যতে।
ভক্তি ৰত্নাৱলী গ্ৰন্থং যোঽমেৱ তৱাৰ্পিতং।।
পূৰ্ব্বে ৱটদ্ৰৱা গ্ৰামে শ্ৰীভাগৱত প্ৰকাশয়েৎ।
শূদ্ৰকুলে সুৱিখ্যাত শঙ্কৰো নাম উচ্যতে।।

ধৰ্ম্ম পুৰাণত কৈছে—

"অল্পহাস্য কৰি হৰে প্ৰিয়াক বুলিবে লৈলা
শুনিয়োক আমাৰ বচন।
ব্ৰহ্মপুত্ৰ সমীপত বৰদোৱা নামে গ্ৰাম
তাতে উপজিব নাৰায়ণ।।"

শঙ্কৰদেৱ-মাধৱদেৱ দুজনা গুৰু ভটিয়াই যাওঁতে শিঙ্গৰী ঘাটৰ পৰা মহাপুৰুষ মাধৱদেৱক মোৰ জন্ম ভূমি বটদ্ৰৱা থান সৌৱা বুলি দেখুৱাইছিল।

"ৰজনী পুহাইল দেখি নৌকাক মেলিলা।
তাৰপৰা গৈয়া শিঙ্গৰীৰ ঘাট পাইলা।।
মাধৱত পূৰ্ব্বে কথা-কহিলা শঙ্কৰ।

পুৰ্ব্বজন্ম ভিঠা আছে জানা অমাসাৰ।।
টেম্বুৱানী বন্ধে গ্ৰাম নাম বৰদোৱা।
সেহি স্থানে আছিলন্ত জানা বাঢ়ভূঞা।।
গঙ্গা শান্তিধৰ আছে আনো নানা চিহ্ন যত।
শুনিয়া মাধৱে কথা পুছে শঙ্কৰত।।
উঠিওক বাপ তেৱে সেই চিহ্ন চাওঁ।
শঙ্কৰে বোলন্ত আৰ সিঠাইক নাযাওঁ।
পুনু পুনু মাধৱে বোলন্ত শঙ্কৰক।
নুঠিবা নুঠিবা মাধৱক দেই হাক।।
ইটো থানে উঠিলে নপাৰে যাইবাক।
সেহিসে কাৰণে মাধৱক দেই হাক।।
ভক্তি প্ৰকাশিতে কামৰূপে আছে মন।
সেহি হেতু নুঠিলন্ত বৰদোৱা থান।।

বৰদোৱাৰ পৰা শঙ্কৰদেৱৰ লগত যোৱা সাধুসকলৰ মুখে শুনি যিসকল লেখকে চৰিত্ৰ লিখিছিল সেই সকলো থিক আছিল। পাচত বঙ্গাল বামুণৰ শৰণীয়া ধাপত গজা মহন্ত কিছুমানে চৰিত্ৰও জাল কৰি ১০ জন মান শঙ্কৰ সাজি ৰাতি সেৱাত মদৰ বাতি আগত দি বহুৱাই লৈছে, সেইদৰে মাধৱকো। নাট আৰু পুথি বোৰকো সুখেৰে এৰা নাই।

# সপ্তম অধ্যায়

## ধৰ্ম্ম প্ৰচাৰৰ আভাষ

শঙ্কৰদেৱৰ বাক্যত ও আন আন শাস্ত্ৰত ৰৱদোৱাতে অৱতাৰ হোৱাৰ প্ৰমাণ যিমান পাৰি দেখুওৱা হৈছে। এতিয়া অলপমান ধৰ্ম্ম প্ৰচাৰৰ আভাষ মাত্ৰ দেখুওৱা হওক। শঙ্কৰদেৱে ফম্মুৎসৱ পাতি চিহ্নযাত্ৰা ভাৱনালৈ সকলোকে মতালে। বিশেষকৈ ব্ৰাহ্মণ গাওঁখনৰ মানুহ অতি পণ্ডিত আছিল; গতিকে সকলোকে মাতিলে। কাৰণ ভাৱনা ভাল-বেয়া দোষ-গুণ বুজিব পৰা মানুহক দেখুৱাবলৈ যিমান ভাল লাগিব, বুজিব নোৱাৰা মানুহক দেখুৱাবলৈ সিমান ভাল নালাগিব। গুণবান মানুহে পণ্ডিতৰ গালি, নিন্দা, তিৰস্কাৰ শুনি যিমান সোৱাদ পায়, মুৰ্খৰ হেজাৰ হেজাৰ প্ৰশংসাও সিমান ভাল নাপাই। পণ্ডিতসকল যাওঁতে শুদ্ধ মনেৰে যোৱা নাছিল। শঙ্কৰদেৱৰ কাৰ্য্যই বহুত পণ্ডিতৰ স্বাৰ্থত আঘাতো লগাইছিল। সেই কাৰণে বহুত বামুণ শঙ্কৰদেৱৰ শত্ৰু হৈ পৰিছিল। সেইসকলে ভাৱনালৈ যাওঁতে কৈ গৈছিল—

"বিপক্ষ ব্ৰাহ্মণ গণ যত আছিলন্ত।
যাত্ৰা দেখিবাক লাগি সমস্তে গৈলন্ত।।
বোলে শুনু শূদ্ৰে বৰ কৰে মহতালি।
শঙ্কৰদেৱক দুষ্ট বিপ্ৰে পাৰে গালি।।
আজি শঙ্কৰৰ সৱে ভাঙ্গো আটাই টাই।
কেনমতে বৈকুণ্ঠক দিবেক দেখাই।।
এহিমতে বিপ্ৰসৱে আলোচিয়া গৈল।
বাৰভুঞাগণ তৈতে একথান ভৈল।।"

ভাৱনালৈ সাত বৈকুণ্ঠৰ চিন যিবিলাক আঁকিছিল, তাত ঠিক য'ত যি হ'ব লাগে তাকে দিছিল। সৰু বস্তু এটি থাকি গ'লে সামান্য মানুহ এজনে সোঁৱৰাই দিলেও, গুণৰ মোল বুজা শঙ্কৰদেৱে আগ্ৰহেৰে লৈছিল।

"সাতো বৈকুণ্ঠৰ সাত লিখিলা ঈশ্বৰ।
থানে থানে লিখিলন্ত দীঘি সৰোবৰ।।
যৈত যিবা লাগে সমস্তকে তুলি দিলা।
একতিল মানো বৈকুণ্ঠৰ নলৰিলা।।

কল্পতৰু যেহেন দিবাক নজানন্ত।
অবাক স্বৰূপে দুয়োজন ৰহিলন্ত।।
কৈত দিবে লাগয় তাহাকু নজানয়।
সেহি সময়ত বুঢ়ী চন্দৰী বোলয়।।
চোতালত ধান মেলি বুঢ়ী দিয়া আছে।
হাতত মাৰ্জ্জনী লৈয়া তৈকে গৈলা পাচে।।
দেখো ডেকাগিৰী কল্পতৰু দিয়া নাই।
হাতত বাঢ়নী লৈয়া বুলিলেক তাই।।
ঐত লাগি ডেকাগিৰী সিটো বৃক্ষবৰ।
অল্প হাস্য কৰি তেবে মাতিলা শঙ্কৰ।।
আসিয়া এথাক আই বৰ কৈলি কাম।
তই হেন উপকাৰী আৰু কৈত পাম।।
বুঢ়ীৰ বচনে কল্পতৰু বৃক্ষ দিলা।
ৰাম ৰাম গুৰু আদি বিস্ময় মানিলা।।
সবে বোলে বুঢ়ী ইটো কথা পালি কৈত।
বৈকুণ্ঠৰ লোক এই ছদ্মে আছে ঐত।।

যিখন বৈকুণ্ঠৰ চিন আঁকি দেখুৱাই, সেই বৈকুণ্ঠ খনৰ লোকসকল কেনেকুৱা, কেনে কাম কৰি থাকে, কি আনন্দত কেনে আলোচনাত থাকে, কি কাম কৰিলে কেনে ভক্তি আচৰিলে সেই বৈকুণ্ঠ পায়, সেই বৈকুণ্ঠৰ ঈশ্বৰৰ লগত কোন বিধ মানুহৰ সূত্ৰ থাকে, আকৌ কি সূত্ৰে সেইখিনি পাবগৈ পাৰি, কি সূত্ৰে তালৈ যাব নোৱাৰাহে অধোগতি হয়, তাক শঙ্কৰদেৱে নিজেই সূত্ৰ হৈ বুজাই দিয়ে।

নিজে খোল লৈ বৰ বায়ন হৈ কোন বৈকুণ্ঠৰ কেনেজন ঈশ্বৰ; কেনেবোৰ বৈকুণ্ঠবাসী; সেই বৈকুণ্ঠৰ চিহ্ন খোলৰ আগত সেই সাজ পাৰ পিন্ধাই ঠিয় কৰি কোন বাজনাৰে কি শব্দৰে গুণ কীৰ্ত্তন কেনেকৈ কৰে তাক নিজে দেখুৱাই দিয়ে।

"বায়ু মণ্ডলীৰ ৰাগ দিলন্ত শঙ্কৰ।
পাতিসোন্দা বৃক্ষ এক আছে ভয়ঙ্কৰ।।
যেতিক্ষণে শঙ্কৰে ৰাগক তুলি দিলে।
দুই সুৰ দিতে পাত সমস্ত সৰিল।।
বহৰে শোষক বায়ু অসংখ্য অপাৰ।
আৰ ৰাগে অসংখ্য পাত ভৈলা তাৰ।।"

ইয়াৰ বাজেও আন আন ঐশ্বৰিক শক্তি, ঐশ্বৰিক গুণ অনেক দেখুৱালে।

নটুৱা সৱক এৰি সবে তাঙ্ক চাই।
নাচে কাছে শঙ্কৰক সম কেহো নাই।।
আপোনাৰ বৈকুণ্ঠ ভুৱনে আছা বসি।
সৱাৰো শৰীৰ যেন জ্বলে সূৰ্য্য শশী।।
শূন্য হেন বুলি বৈকুণ্ঠক চাহিলন্ত।।
শঙ্কৰ সদৃশ এক পুৰুষ আছন্ত।।
পুনৰপি গায়ন মেলক লাগি চাইল।
তহিতো শঙ্কৰ আছে দৰশন পাইল।।

সুলধৰা লক্ষ্মণ ভেবোৰা দামোদৰ।
তাল ধৰি গীত গান্ত লগে শঙ্কৰৰ।।
উদাৰ সহিতে বৰ গোৱিন্দ উঠিল।
প্ৰথমতে শঙ্কৰে ৰাগক তুলি দিল।।

১। শ্ৰীমদ্‌যশোদাসুতপদ কমলে
নাস্তিৰ্ভক্তিৰ্নৰাণাং।
যেষামাভীৰ কন্যাগুণগণ কথনে
নানুৰক্তৰসজ্ঞা ঃ।।
যেষাং শ্ৰীমৎমুৰাৰু ৰাম নামময়মধৌ।
তান্ ধিক্ তান্ ধিকতান্ কথয়তি
নিয়তাং ইতি মৃদঙ্গ ৱাজত।।
২। ৱিশ্বং ভৰতং তং পদ কমলং
লক্ষ্মীৱল্লভ দুৰ্ল্লভ ব্ৰজতং।।
ফ ফনি ধৰতং ফ ফনি ধৰতং
ধৰতং ধৰতং ব্ৰজৱতী তা।
৩। শ্ৰীমঃ কমলং নমঃ কি নমনং
গোৱিন্দ মকুন্দ পদৱিনাৰক ৱিন্দং
তাথিত পেথিত ব্ৰজ নিখিতানাংখিত।
৪। কৃপাঙ্গ উপাঙ্গ ভুপাঙ্গ ভৰিতং
ভূধৰস ধৰ ধৰ ধেগা ধেগা ধেগিতং
ৱদৈন্য সদৈন্য গদৈন্য থেনা থেনা ধেই।।

৫। নলিনি দলগত ঠাট্টা পতিতং
ত্ৰিভুৱন কমলং শ্ৰীমকলপদতং
তিত্ত্বং হিত্ত্বং অতিগতি গলিতং
দাওঁম্ দাওঁম্ দাওঁম্।।

দেখা দেখা গুৰু শঙ্কৰৰ কেন কাই।
সূত্ৰ বুলি আছে ঐত নাই সিটো ঠাই।।
তহিতো শঙ্কৰ দেখে অহিতো শঙ্কৰ।
উঠিলন্ত তেখনে যতেক বিপ্ৰবৰ।।
দেখন্ত শঙ্কৰ গায়নৰ মাজে নাই।
পট বৈকুণ্ঠৰ মাজে দেখিলা দুনাই।।

এই অদ্ভুত মহিমা দেখাৰ বাবে যদিও ব্ৰাহ্মণ সমাজৰ দুই চাৰি জনে পেটে পেটে শঙ্কৰদেৱলৈ হিংসা জন্মি উঠিল, তথাপি সামাজিক স্বৰূপে গোটেই সমাজে শঙ্কৰদেৱক ঈশ্বৰৰ অৱতাৰ বুলি বিশ্বাস কৰিলে। যি দুই চাৰিজন থাকিল, সিও এনে তুলনাত, "হৰিৰ শত্ৰু হিৰণ্যাক্ষ, চোৰৰ শত্ৰু শুক্লপক্ষ।" কিন্তু সমাজে হ'লে স্বীকাৰ কৰিলে।

১। ঘৃণা শঙ্কা ভয়ং লজ্জা জুগুপ্সা চেতি পঞ্চমী।
কুলং শীলঞ্চ মানঞ্চ অষ্টৌ পাশাঃ প্ৰকীৰ্ত্তিতাঃ।।
—ভৈৰৱ যামল

২। আশা তৃষ্ণা জুগুপ্সা ভয় ৱিশদ্ ঘৃণা মান লজ্জাভিশঙ্কাঃ
ব্ৰহ্মাণ্ডাৰষ্টমুদ্ৰাঃ পৰমুকৃতিনঃ জপাচ্য মানঃ সমন্তাৎ।।
—কুলাৰ্ণব তন্ত্ৰ

৩। অণিমা লঘিমা প্ৰাপ্তি প্ৰাকাম্যং মহিমা তথা।
ঈশিত্বঞ্চ ৱশিত্বঞ্চ তথা কামাৱসায়িতা।।
—যোগ শাস্ত্ৰ

তিনি গুণৰ, পঞ্চ ভূতৰ ও চৌবিশ তত্ত্ব বাজে ভিতৰে বশৱৰ্ত্তী কৰি আয়ত্বাধীন কৰা আৰু চৌষষ্টিখন তন্ত্ৰৰ চৌষষ্টিতা যন্ত্ৰ ও মন্ত্ৰৰ প্ৰকৃত মূল সূত্ৰবোৰ নাজানি ব্যভিচাৰ কৰাসকলৰ কাৰ্য্য পদ্ধতি ধ্বংস কৰি ন বিধ আনন্দৰ ভিতৰেদি ঐশ্বৰিক শক্তি লাভ কৰিব পৰা কাৰ্য্য হাতে-মুখে কাজে-কামে দেখুৱাই দি প্ৰজাশক্তি ও সামাজিক সাম্যবাদ তন্ত্ৰ প্ৰচাৰ কৰি বুজাই দিলে।

"বিপ্ৰ সৱে বোলে আমি কিনো দুৰাচাৰ।
পাপী আমি শঙ্কৰক কৰো তিৰস্কাৰ।।
মনুষ্য জনৰ নুহি ইমত শকতি।
শঙ্কৰ ঈশ্বৰজন জানিলো সম্প্ৰতি।।
আজি ধৰি শঙ্কৰক বাদ নকৰিবো।
ইহান চৰণে আমি শৰণে পশিবো।।
নিচিনো তোমাক আমি পাতকী সমুলি।
আজিসে জানিলো তুমি জগন্নাথ বুলি।।

—এই বুলি পণ্ডিত ব্ৰাহ্মণসকলে শঙ্কৰদেৱক ঈশ্বৰ বিশ্বাস কৰিলে। শঙ্কৰদেৱে সকলো দৰ্শকক এই নতুন নাট্য যুগৰ বিৱৰণ খিনি বুজাই দিলে। মানুহে যি কাম কৰিব খোজে আৰু লোকক কৰাবলৈও ভাৱে, তেনে কাম সি আগেয়ে নিজে কৰি চাই, তাক লোকে আচৰণ কৰিব পাৰে নে নোৱাৰে। কামটো কিমান দূৰ সত্য, নিজে আচৰণ কৰি লোকক দেখুৱাই বুজাই দিব পাৰিলেহে সেই কামলৈ ভক্তি ভাৱ আহিব। বিশেষকৈ সত্য যুগৰে পৰা যিমানবোৰ ধৰ্ম্ম ওলাইছে, সিমানবোৰ ধৰ্ম্ম অচল অটল হৈ থাকিবলৈ পোৱা নাই। কোনো এজন ধৰ্ম্ম প্ৰৱৰ্ত্তকে এটি ধৰ্ম্ম-পথ প্ৰচাৰ কৰে, আন এটা সময়ত আন এজন প্ৰচাৰকে তাক উঘালি আন এফালে ঢাল দি আন ৰকমে প্ৰচাৰ কৰে। এইদৰে দেশ কাল পাত্ৰ চাই প্ৰচাৰ কৰোঁতে কৰোঁতে আজি "কিমাকাৰং কিমদ্ভুতং" হৈ পৰিছেহি। আচল সত্য পথৰ পৰা বহুত আঁতৰি পৰিছেহি। হে পণ্ডিতসকল! এই শৰীৰ ক্ষণস্থায়ী। চাওকছোন—

"একো একো ৰজা ছিল মহেন্দ্ৰ পৰাই।
ধৰণী ভুঞ্জিয়া ধৰণীতে ভৈলা ঠাই।।"

এনে অনিত্য সংসাৰত দুদিনীয়া জীৱনত এনে অসত্য পথত আচৰণ কৰাতকৈ দুখৰ কথা কি হ'ব পাৰে? সেই কাৰণে সকলো যুগৰ সাৰ এই কলি যুগ। এই যুগত চাৰিও যুগৰ মানুহ গোট খাব। চাৰিও যুগত যতবোৰ শাস্ত্ৰ ওলাইছে, সকলোবোৰ গোট খাব। আমি সকলো শাস্ত্ৰৰ সন্মত মতে কাল আৰু পাত্ৰ চাই এই এক 'শৰণ' ধৰ্ম্ম প্ৰকাশ কৰিবলৈ আগ বাঢ়িছোঁ। দেখিব এক নতুন সাহিত্য ও নাট্য যুগৰ আৰম্ভ কৰিছোঁ। একালত এই সাহিত্যই ধৰ্ম্মপৰায়ণ পণ্ডিতসকলক নিজকে নিজে পাহৰাই পেলাব। আজি যি নতুন নাট্য ও অঙ্ক যুগ প্ৰকাশ কৰিছোঁ, দেখিব, এটা কালত এই ভাৱনাৰ তাল মান সুৰ সঞ্চাৰৰ দ্বাৰাই এনে মূঢ়, ভাৱিব চিন্তিবৰ শক্তি নোহোৱা সমাজৰ লোকৰো মনত একোটা নতুন ভাৱ সুমুৱাই দি ভক্তি ভাৱ আনি দিব। এই বুলি কৈ সকলোকে যথাবিহিত সন্মান কৰি বিদায় দিলে। পণ্ডিত সকলো

বিলাকে আজি শঙ্কৰদেৱক সম্পূৰ্ণ জীৱ তৰণৰ উপায় দিব পৰা শক্তি যেন দেখি সকলোৱে কোৱাকুই কৰি শঙ্কৰদেৱক গুৰু ল'বলৈ থিৰ কৰিলে। সদায় তন্ত্ৰৰ চৰ্চ্চা কৰি থকা সকলক আধ্যাত্মিক মতবিলাক আৰু শব্দব্ৰহ্মাৰ পৰা কেনেকৈ অক্ষৰ পৰমব্ৰহ্মালৈ আনিব লাগে, যন্ত্ৰ মন্ত্ৰবোৰ অধ্যাত্মিক মতে কেনেকৈ পালন কৰিব লাগে, এইবোৰ পালন কৰিলে মানুহৰ কি উপকাৰ হয়, তাক খোল-তালৰ বাজনা আৰু ভাও-ভঙ্গী, তাল-মান, সুৰ-সঞ্চাৰতে দেখুৱাই দিলে। এই অঙ্ক বিদ্যাৰ মাজতে চৌষষ্ঠি কলা বিদ্যা, চৌষষ্ঠি ৰাগৰ চৌষষ্ঠী মন্ত্ৰ ও যন্ত্ৰ সোমাই আছে। চাৰিবিধ লোকৰ তিনি গুণৰ চৰিত্ৰ ও ছয় ৰস ইয়াৰ মাজতে আছে।

এই অঙ্ক বিদ্যাৰ ভিতৰতেই ৬৪ কলা বিদ্যা আছিল। পূৰ্ব্বে শ্ৰীকৃষ্ণদেৱে শিক্ষাগুৰুৰ পৰা এই মহাবিদ্যা শিকিয়েই গুৰু দক্ষিণা মৃতক পুত্ৰ জীয়াই দিছিল।

"জানিলন্ত চৌষষ্ঠি কলা বিদ্যা চক্ৰপাণি।
মৃতক পুত্ৰক গুৰু দক্ষিণা দিলা আনি।।"

আজি শঙ্কৰদেৱে মহা পণ্ডিতসকলৰ মৃত প্ৰায় ত্বমসাচ্চন্ন জ্ঞানটিক জীয়াই দি শুই থকা সিংহক জগাই দিলে।

"বিপ্ৰসকলক দান দক্ষিণা কৰিলা।
গাৱে গাৱে মিঠৈ প্ৰসাদচয় দিলা।।
এহি মতে চিহ্নযাত্ৰা যেৱে সাঙ্গ ভৈলা।
শঙ্কৰেও মহেন্দ্ৰৰ পাশে চলি গৈলা।।
নমস্কাৰ কৰিবাক গুৰুক চাহন্ত।
দেখিয়া কন্দলী আথে বেথে উঠিলন্ত।।
কি কৰাহা বাপু তুমি সাৱতি ধৰিলা।
অনেক বিনয় বুলি তাঙ্ক আশ্বাসিলা।।
তোমাকেসে নমস্কাৰ কৰিবে লাগয়।
তুমিসে ঈশ্বৰ স্বামী জানিলো নিশ্চয়।।
শূদ্ৰ বুলি যিটো পাপী কৰে তিৰস্কাৰ।
তাহাৰ ব্ৰাহ্মণ জন্ম আছোক ধিক্কাৰ।।
শুনিয়ো পণ্ডিতগণ নুগুণাহা মনে।
বৈকুণ্ঠক দেখাইবাক পাৰে কোনজনে।।
ইকি মনুষ্যৰ কৰ্ম্ম জানা সাৰে সাৰ।
ঈশ্বৰৰ ৰূপ কোন দেখাইবেক আৰ।।
উৰ্দ্ধবাহু কৰি মই কৰো অঙ্গীকাৰ।
শঙ্কৰত পৰে গুৰু নাহিকে আমাৰ।।

ৰামৰাম গুৰু চতুৰ্ভুজ নৰোত্তম।
আন বিপ্ৰসৱ যত আছয় উত্তম।।
সৱেহন্তে বোলে আমি পশিবো শৰণ।
শঙ্কৰদেৱক মাতিলন্ত তেতিক্ষণ।।
বোলন্ত আমাক তুমি শৰণ কৰিয়ো।
গুৰু দেৱ নাম ভক্ত আমাক দেখায়ো।।

পণ্ডিতসকলৰ কথা শুনি শঙ্কৰদেৱে সমাজৰ কট্‌কটীয়া বান্ধোনৰ ৰাজ শাসনৰ আৰ্হি চাই নিজে সেই বান্ধ নিচিঙ্গি, ব্ৰাহ্মণসকলক কলে—

"শঙ্কৰে বোলন্ত ইটো কাৰ্য্য নুহি ভাল।
শূদ্ৰক ব্ৰাহ্মণে সেৱা কৰে কোন কাল।।
বিশেষত চোৱা ইটো কথা নোহে ভাল।
তুমি পুৰোহিত আমাথেৰ সৰ্ব্বকাল।।"

মই যি ধৰ্ম্ম প্ৰকাশ কৰিম বুলি ভাবিছোঁ, সি ডাঙ্গৰো বৰ ডাঙ্গৰ, বিশ্বব্ৰহ্মাণ্ড গোটেইখন ভিতৰতে সোমাই যাব; আৰু সৰুৰো, বৰ সৰু।

"যতেক দেখা খোজ সমূদাই।
হস্তিৰ খোজত সৱে লুকাই।।
যতেক নদ নদী সমূদাই।
অনেক পথে সাগৰক যাই।।
আতেসে সমস্তে ব্ৰহ্মা মন্ত্ৰগণে ৰৱে।
যেনে যৈত ভৰি দিলে পৃথিৱীতে পৰে।।

সৰুতো সৰু অতি বৰ সৰু
সৰুতহে ভকতি ৰয়।।
বালি চাহিটোক সাত ফাল কৰি
তাৰে এফাল মই।।
উখৰা ভূমিত পানীও নাথাকে
দলৈ ৱাগৰি যাই।।
দম্ভ বুলি বাম নম্ৰ বুলি খাল
ধনে ধৰ্ম্মে লৱে ঠাই।।

এতেকে আমি বামুণৰ, ৰাজাৰ ও তিৰোতাৰ গুৰু ভাৱ ল'ব নোৱাৰোঁ। এওঁবিলাকে গুৰুও ৰক্ষা কৰিব নোৱাৰে, আমাৰ ভক্তিও ৰক্ষা কৰিব নোৱাৰে। বিশেষতঃ আপোনালোকে সদায় প্ৰচাৰ কৰি আহিছে।

যেনে—

"গুৰুঽগ্নি দ্বিজাতিনাং ৱৰ্ণানাং ব্ৰাহ্মণোগুৰু।
পতিৰেকো গুৰুস্ত্ৰীণাং সৰ্ব্বমভ্যাগতো গুৰু।।"

"অনাচাৰো দ্বিজো পূজ্য নচ শূদ্ৰ জিতেন্দ্ৰীয়।
অভক্ষং ভক্ষয়েৎ গাৱো শূকৰো কুশ মূলকং।।

এইদৰে শঙ্কৰদেৱে সকলোকে সান্ত্বনা বাক্যৰে নৈৰাশ কৰাত, পণ্ডিতসকলে মিনতি কৰি ক'বলৈ ধৰিলে। অনেক শাস্ত্ৰৰ মত আনি যুক্তি দেখুৱাবলৈ ধৰিলে।

"শুনিয়া ব্ৰাহ্মণসৱে বোলন্ত বচন।
নুহিকাহা শূদ্ৰ তুমি দেৱ নাৰায়ণ।।
কলিৰ মলিন লোক তাৰিবে কাৰণে।
দৈৱকী নন্দন কৃষ্ণ আইলা এই থানে।।
আমাক ভাণ্ডিয়া কেনে বোলাহা বচন।
তোমাৰ চৰণে নিষ্টে পশিলো শৰণ।।
শুনা সভাসদসৱে সেৱা কৰা মনে।
আমাৰ শঙ্কৰ বিনে গুৰু নাহি আনে।।
সত্যে সত্যে সত্যে শঙ্কৰক গুৰু লৈলো।
কায় বাক্য মনে তান চৰণে ভজিলো।।"

কৰ্ণপুৰ, চতুৰ্ভুজ, মহেন্দ্ৰকন্দলী, অনন্তকন্দলী, ৰামৰাম গুৰু এইসকলে অনেক তুতি ভক্তি কৰি নানান শাস্ত্ৰৰ সন্মত দেখুৱাবলৈ ধৰিলে। হে মহাপুৰুষ! জাত, কুল, ক্ৰীয়া, কৰ্ম্ম সকলোবোৰ প্ৰজাপতিসকলে সময় বুজি সাজিছিল। তাৰ মাজতে সত্য কথাও ঠিক ৰখা আছে। চাওক, শ্ৰীকৃষ্ণৰ বাক্য মতে মহাভাৰতত—

"একৱৰ্ণমিদংৱিশ্ব পূৰ্ব্বমাসিদ্ যুধিষ্ঠিৰ।
ক্ৰীয়া কৰ্ম্ম প্ৰভেদেন চাতুৰ্ব্বৰ্ণং প্ৰতিষ্ঠিতম্।।
চাতুৰ্ব্বৰ্ণং ময়াসৃষ্টং গুণ কৰ্ম্ম ৱিভাগশঃ।
তস্যকৰ্ত্তাৰমপি মাং ৱিদ্ধ্যকৰ্ত্তায়মৱ্যয়ম্।।

অৰ্থাৎ— হে যুধিষ্ঠিৰ! হে অৰ্জ্জুন! এই পৃথিৱীত পূৰ্ব্বে মানুহ নামেৰে এক

বৰ্ণ মাথোন সাজিছিলো; কিন্তু, কালক্ৰমত গুণ আৰু কৰ্ম্মৰ দ্বাৰায় চাৰি ভাগে ভাগ কৰি দিয়া হ'ল।

"ন যোনির্ণাপী সংস্কাৰো ন শ্ৰুতংনচ সন্ততি।
কাৰণানি দ্বিজতস্য বৃত্তমেৱ তু কাৰণম্।। ১।।
জন্মনা য়ায়তে শূদ্ৰ সংস্কাৰাৎদ্বিজ উচ্যতে।
ৱেদাভ্যাসাৎ ভৱেদ্বিপ্ৰ ব্ৰহ্মাং জানাতি ব্ৰাহ্মণ।।২।।
শূদ্ৰো ব্ৰাহ্মণতামেতি ব্ৰহ্মাণশ্চৈতি শূদ্ৰতাম্।
ক্ষত্ৰিয়াজাতমেৱন্তু ৱিদ্যাদ্ ৱৈশ্যাৎতথৈৱচ।।৩।।"

—মনু সংহিতাৰ মতে।

বামুণৰ ঘৰত জন্ম হ'লেই বা সংস্কাৰ কৰিলেই ব্ৰাহ্মণ হ'ব নোৱাৰে। জন্মতে সকলো মানুহেই শূদ্ৰ থাকে, সংস্কাৰ কৰিলে দ্বিজ হয়; বেদ অভ্যাস কৰিলেই বিপ্ৰ হয়; ব্ৰহ্মক জানিলেহে ব্ৰাহ্মণ হয়। উপযুক্ত হ'লে শূদ্ৰয়ো ব্ৰহ্মত্ব পাব পাৰে; অনুপযুক্ত হ'লে বামুণেও শূদ্ৰবৰ্ণ পাব। মানুহ যেই কুলতে জন্ম নহওক গুণ কৰ্ম্ম অনুসাৰেহে উচ্চ নিচ্চ হ'ব পাৰে। বৰ্ণাবৰ্ণ ঈশ্বৰে গৰ্ভতে সাজি নপঠাই; নিজে নিজৰ গুণ বিদ্যাৰ বলতহে বৰ্ণ সাজি লয়। বেদান্তৰ মতেও—

"ন ৱৰ্ণাশ্ৰম সঙ্কৈতৈৰ্ণ কৰ্ম্মোপাসনাদিভিঃ।
ব্ৰহ্মাজ্ঞানং ৱিনামোক্ষ ইতি ৱেদান্ত দিণ্ডিমঃ।।

**পদ।**

ভকতি বিহীন জ্ঞান কৰ্ম্ম সৱে ব্যৰ্থ।
কহিলো স্বৰূপে বেদান্তৰ তত্ত্ব অৰ্থ।।
আৱে অনাদৰি জ্ঞান স্বধৰ্ম্ম বিশেষ।
কেৱলে দিয়োক ভকতিৰ উপদেশ।।"

ভাগৱতত শ্ৰীভগৱানৰ বাক্য মতে—

"ন মে ভক্ত চতুৰ্ব্বেদী মদ্ভক্তঃ শ্বপচঃ প্ৰিয়।
তস্মৈদেয়ং ততোগ্ৰাহ্যং স চ পূজ্যে যথাহ্যহং।।
ন শূদ্ৰা ভগৱদ্ভক্তা স্তেপি ভাগৱতোত্তমা।
সৰ্ব্ব ৱৰ্ণেষু তে শূদ্ৰা যেন ভক্তা জনাৰ্দ্দনে।।

পদ।

অভক্ত ব্ৰাহ্মণ নোহে প্ৰভুৰ প্ৰিয় পাত্ৰ।
শাস্ত্ৰে বোলে যেয়ে ভজে সেয়ে প্ৰিয় মাত্ৰ।।
ভক্তে যেই দিয়ে কৃষ্ণে কৰয় ভক্ষণ।
অভক্ত বিপ্ৰৰো দ্ৰব্য নকৰে স্পৰ্শন।।
শূদ্ৰ নহে কৃষ্ণৰ ভজন যেই কৰে।
সেই জন ভাগৱত শুনহ সংসাৰে।।
উত্তম বৰ্ণত নাহি ভজে জনাৰ্দ্দন।
সৰ্ব্ব বৰ্ণ মধ্যে শূদ্ৰ হই সেই জন।।"

পদ্ম পুৰাণত লোমশ মুনিৰ বাক্য মতে—
"চাণ্ডালোऽপি মুনিশ্ৰেষ্ঠ বিষ্ণু ভক্তিপৰায়ণ।
ৱিষ্ণু ভক্তি ৱিহীনস্য দ্বিজোऽপি শ্বপচাধমঃ।।

পদ।

শ্ৰীকৃষ্ণ ভজনে হয় সৱে অধিকাৰী।
কিবা বিপ্ৰ কিবা শূদ্ৰ কি পুৰুষ নাৰী।।
সৰ্ব্ব বৰ্ণে যেয়ে ভজে সেয়ে শ্ৰেষ্ঠ হয়।
যি নভজে সি চাণ্ডাল সৰ্ব্ব শাস্ত্ৰে কয়।।

শূদ্ৰং ৱা ভগৱদ্ভক্তং নিষাদং শ্বপচং তথা।
ৱীক্ষ্যতে জাতি সামান্য স জাতি নৰকং ধ্ৰুৱং।।

কৃষ্ণ ভক্ত শূদ্ৰ নিচ্চ চাণ্ডাল যৱন।
তাৰ জাতি সৃষ্টি কৈলে নৰকে গমন।।
আমাৰ অমূল্য যিটো ভক্তি ৰত্নচয়।
অন্ত্যজেও ব্ৰাহ্মণক দিবাক পাৰয়।।
ইহাত সংশয় ভৈল যিটো অজ্ঞানীৰ।
জানিবাহা ব্ৰহ্মা তাৰ ছেদ ভৈলা শিৰ।।
জাতি কুল বিচাৰিয়া বৈষ্ণৱ নিন্দয়।
পঞ্চম পাতকী হৈয়া নৰকে পৰয়।।

কৃষ্ণে মন্ত্ৰ বিহীনস্য পাপীষ্ঠস্য দুৰাত্মন।
স্থান বিষ্ঠা সমাচ্চান্নং নিৰয় মদিৰা সমং।৩।।

পদ।

কৃষ্ণ মন্ত্ৰ হীন জন মতি অতি দুষ্টা।
জল সুৰা অন্ন তাৰ কুকুৰৰ বিষ্ঠা।।

পুৰাণৰ মতে—

"হংস নিগদতি শুনিও নৃপতি
পূৰ্ব্বাপৰে যেন আছে।
কোন গৰ্ব্ভে জন্মি ভৈলা মহামুনি
তোমাত কহিবো পাছে।।
ক্ষত্ৰিয় সম্ভূতি হুয়া মহামতি
তপক কৰিলা আসি।
ধৰ্ম্মৰ কৰ্ম্মৰ প্ৰভাৱে তেজৰ
ব্ৰাহ্মণ ভৈলন্ত ঋষি।।
আউৰ ভৃঙ্গি ঋষি শুনিও হৰিষি
ভৃঙ্গি কীটে উতপন্ন।
উত্তম ব্ৰাহ্মণ ভৈলা সেহি জন
ঋষিৰ অগ্ৰে গণন।।
পৰাশৰ মুনি জন্মিলা আপুনি
চাণ্ডালী কন্যা গৰ্ব্ভত।
সদকৰ্ম্ম ফলে পাইলা অবিকলে
তেজৰ দেখা মহত্ত্ব।।
হস্তিনী গৰ্ব্ভত জন্মিলা পূৰ্ব্বত
নামত মাতঙ্গ ঋষি।
ব্যাস মুনিবৰ কৈৱৰ্ত্ত কন্যাৰ
গৰ্ব্ভত জন্মে হৰিষি।।
মুনি যে বশিষ্ঠ বেশ্যাৰ গৰ্ব্ভত
জনম ধৰিলা আসি।
গোবিন্দৰ প্ৰিয় নামে তাৰ জীৱ
নাৰদ জন্মিলা দাসী।"

ইত্যাদি সকলো ধৰ্ম্ম-শাস্ত্র নীতি-শাস্ত্রৰ মত দেখুৱাই পণ্ডিতসকলে শঙ্কৰদেৱক ক'বলৈ ধৰিলে, 'হে যুগাৱতাৰ মহাপুৰুষ! শাস্ত্রৰ ফলস্বৰূপে প্ৰমাণ চাওক—ঋষ্যশ্ৰৱা মুনিৰ পুতেক ৰাৱণ-কুম্ভকৰ্ণ ৰাক্ষস হয়; কাশ্যপ মুনিৰ পুতেক হিৰণ্যাক্ষ-হিৰণ্যকশিপু দৈত্য হয়; বশিষ্ঠ মুনিৰ পুতেক বামদেৱ চণ্ডাল হয়। ব্ৰাহ্মণৰ ল'ৰা দ্ৰোণাচাৰ্য্যক বধ কৰি বীৰ অৰ্জ্জুনে প্ৰায়শ্চিত্ত হ'ব লগা নহ'ল। হীন কুলৰ ল'ৰা সূতক বধ কৰি অৱতাৰী পুৰুষ বলোভদ্ৰই ব্ৰহ্ম বধৰ প্ৰতিকাৰ নকৰি নোৱাৰিলে।

"হে মহান পুৰুষ! ঈশ্বৰৰ ওচৰত ধৰ্ম্মৰ আগত, মৃত্যুৰ মুখত জাতি-কুল বৰ্ণা-বৰ্ণৰ লেখ নাই। ই আমাৰ মানসিক, শাৰীৰিক বেপাৰ মাথোন। আপুনি ভাগৱতৰ যি সাৰ মৰ্ম্ম উলিয়াইছে আমাক সেই ভাগৱতৰ ধৰ্ম্মত দীক্ষিত কৰক; আমি আপোনাৰ শৰণাগত হৈছোঁ। আৰু আপুনি যি বাক্য কৰিছে, সিও যথাৰ্থ। যিবিলাক বামুণে যাজক অৰ্থাৎ সদাই ক্ষুদ্ৰ দেৱতাৰ উপাসা কৰি থাকে, সি এনে এক ঈশ্বৰত এক শৰণ ধৰ্ম্ম লৈ ৰক্ষা কৰিব নোৱাৰে। সেই কাৰণে তেনে বামুণৰ গুৰুভাৱ ল'ব নালাগে। যি প্ৰকৃত ব্ৰহ্মতত্ত্বদৰ্শী, এক ঈশ্বৰকামী, তাৰ গুৰু ভাৱ ল'ব লাগিব।

"যি ৰজাই ৰাজ বিষয়ত স্বাৰ্থলোভী ইন্দ্ৰিয়ৰ বৃত্তিত মত্ত হৈ প্ৰজাক ও নিজক সত্যপথলৈ নিব নোখোজে, তেনে ৰজাৰ গুৰু ভাৱ ল'ব নেলাগে। যি প্ৰকৃত এক ঈশ্বৰকামী হৈ অম্বৰীষ, দশৰথ, যুধিষ্ঠিৰ, পৰীক্ষিত, বলী ইত্যাদি ৰজাসকলে যেনেকৈ এক ঈশ্বৰমুখী হৈ নিজকে নিজে পাহৰি সকলো প্ৰজাক বলেৰে সত্য পথ লগাই দিয়ে, তেনে ৰজাক শৰণ দিব লাগিব।

"যি তিৰুতাই পতি-ভক্তি নেজানে, যি নিজৰ স্বামীক কায়বাক্যমনে অকণো হৃদয়ত ঠাই নিদিয়ে, সদায় বেশ্যা কাৰ্য্যত পৰমুখাপেক্ষি, তেনে বেশ্যা তিৰুতায় গুৰুবাক্য ৰক্ষা কৰিব নোৱাৰে। সেই বেশ্যাৰ গুৰুভাৱ ল'ব নেলাগে। যি তিৰুতাই স্বামীৰ সুখত সুখী, স্বামীৰ দুখত দুখী, স্বামীৰ অৰ্থে দেহ প্ৰাণ তুচ্চ বুলি এৰি দিব পাৰে, শৈব্যা, সীতা দ্ৰৌপদী, বিন্দাৱলী আদি সদায় স্বামী সেৱাত ৰত, গুৰু ভক্তিত তৎপৰ; তেনে শান্তিৰ গুৰু ভাৱ ল'ব লাগিব।" ইত্যাদি নানান যুক্তিৰে শঙ্কৰদেৱক মাতিব নোৱাৰা কৰিলে। এই যুক্তিসিদ্ধ নীতিত বাট ল'বলৈ শঙ্কৰদেৱে স্থিৰ কৰি পণ্ডিতসকলক ক'লে— "হে পণ্ডিত মণ্ডলী! মই যি ধৰ্ম্ম প্ৰকাশ কৰিছোঁ, সি মোৰ মানসিক বা কাল্পনিক নহয়; যুগে যুগে চলি থকা, ঈশ্বৰৰ মুখৰ বাক্যৰ এটি নিগম পথ। আপোনাসকলেও সেই পথৰ দুৱাৰমুখতে আছে। মাথোন প্ৰলোভনৰ বাক্য এৰি ঈশ্বৰৰ বাক্যলৈ চালেই সেই দুৱাৰ মুকলি হৈ পৰিব ও আচল সত্যপথ দেখিবলৈ পাব। চাওক, গীতাত শ্ৰীকৃষ্ণই অৰ্জ্জুনৰ আগত কি কৈছে—

"ত্ৰৈগুণ্যাৱিষয়া ৱেদা নিস্ত্ৰৈগুণো ভৱাৰ্জ্জুন।
নিৰ্দ্বন্দো নিত্যসত্বস্থো নিৰ্য্যোগক্ষেম আত্মৱান।।" ২ অঃ ৪৫।।

সৰ্ব্বধৰ্ম্মান্ পৰিত্যজ্য মামেকং শৰণং ব্ৰজ।
অহং ত্বাং সৰ্ব্বপাপেভ্যো মোক্ষয়িষ্যামি মা শুচঃ।।

তিনিগুণময় যত জ্ঞান কৰ্ম্ম
কেৱলে বন্ধ কাৰণ।
জানি তাঙ্ক তেজি একান্ত ভকতি
ভজিও কৃষ্ণ চৰণ।।

X X X X

এক কৃষ্ণদেৱ কৰিয়োক সেৱ
ধৰিও তাহাৰ নাম।
কৃষ্ণ দাস হুৱা প্ৰসাদ ভুঞ্জিয়া
হস্তে কৰা তান কাম।। —দশম।।

শ্ৰীমদ্ভাগৱতত—

"যথাতৰুৰ্ম্মুল্ নিষেচনেন্ তৃপ্যন্তি তৎস্কন্ধভুজোপশাখা।
প্ৰাণোপ্ৰহাৰাচ্ছ যথেন্দ্ৰিয়াণাং তথাচ সৰ্ব্বাৰ্চ্চণমচ্যুতেজ্যা।।

বৃক্ষৰ মূলত যেন দিলে আনি জল।
হোৱয় তৃপিতি তাৰ পত্ৰ পুষ্প ফল।।
ডালে পাতে সিঞ্চে যদি মূলত নেদয়।
কদাচিতো ডালে পাতে তৃপিতি নহয়।।
ক্ষুধাতুৰ নৰে যদি অন্নক ভুঞ্জয়।
তৃপিতি হোৱয় ইন্দ্ৰিয় আতিশয়।।
ভোজন বিহীনে পিন্ধে বস্ত্ৰ অলঙ্কাৰ।
ইন্দ্ৰিয়ৰ কিছু প্ৰীতি নহয় তাহাৰ।।
কৃষ্ণক পূজিলে সমস্তৰে পূজা হয়।
পৃথকে পূজিলে পূজা কেহোঁ নলৱয়।।
প্ৰবৃত্তি পন্থত নানা দেৱক আৰাধে।
কৰে বলি দান শাস্ত্ৰে তাহাকো নবাধে।।
উৰ্দ্ধক যাইবেক কতো হইবে অধোপাত।
স্বৰ্গ নৰকত কৰিবেক আয়াযাত।।
নিবৃত্তি পন্থত এক কৃষ্ণ মাত্ৰ দেউ।
নকৰিব আন একো দেৱতাক সেউ।।

এয়েই মই প্ৰকাশ কৰিব খোজা একশৰণ ধৰ্ম্ম। আপোনালোকে যদি মোৰ এই নিষ্কাম ভক্তি পথ অৱলম্বন কৰিব খোজে, তেন্তে এই মিছা অভিমান, নিন্দা, ঘৃণা, অপ্ৰীতি, অসূয়া, অসত্য সকলো ত্যাগ কৰক।

ব্ৰাহ্মণৰ চাণ্ডালৰ নিবিচাৰি কুল।
দাতাত চোৰত যেন দৃষ্টি এক তুল।।
কুকুৰ শৃগাল গৰ্দ্দভৰো আত্মা ৰাম।
জানিয়া সবাৰো পাৱে কৰিবা প্ৰণাম।।
বিশেষত মনুষ্যগণত যিটো নৰে।
বিষ্ণু বুদ্ধি ভাৱে সৰ্বদাই মান্য কৰে।।
ইৰিষা অসূয়া অহঙ্কাৰ তিৰস্কাৰ।
সৱে নষ্ট হোৱে তেৱে তাৱক্ষণে তাৰ।।"

এইদৰে বুজাই সুজাই আমাৰ অসমত পুৰুষানুক্ৰমে জাউতি যুগীয়াকৈ চলি অহা ঋক, যজুঃ, অথৰ্ব্ব ও সাম্ বেদৰ চৰ্চ্চা আৰু গন্ধৰ্ব্ব, ধনু, জ্যোতিষ্ ও আয়ুৰ্ব্বেদৰ চৰ্চ্চা কৰি অহা ব্যাস, বসিষ্ঠ, পৰাশৰ, কপিল, বেদনিধি, গৌতম, স্বয়ং ব্ৰহ্মাই চৰ্চ্চা কৰি নাৰদাদি, শৃঙ্গি, ৰিষ্যশৃঙ্গ আদি মহা মহা ঋষি মুনি সকলক দীক্ষিত কৰি থোৱা বংশধৰ নাতিসকলৰ সন্মান ৰক্ষা কৰি, আৰু প্ৰচলিত যজুৰ্ব্বেদৰ মতামটৰ ওপৰত নিৰ্ভৰ কৰি, অৰ্থাৎ 'ওঁং প্ৰণৱো ব্ৰহ্ম।। অ + উ + ম + অ = "অ"কাৰ ঋগৱেদচৈৱ, "উ"কাৰো যজুৰেৱচ। "ম" কাৰো সামৱেদঃ স্যাৎ ত্ৰিষুযুক্তপ্যথৰ্ব্বণ।। যজুৰ্ব্বেদৰ "উ" শব্দ দ্বাদশস্কন্ধ ভাগৱতৰ উদ্ধৱ সম্বাদ পুথিত থকা বাবে সেই ৰাতিয়েই উদ্ধৱ সম্বাদ পুথি লিখি পাছ দিনাই ব্ৰাহ্মণসকলক বৈদিক ভাগৱতী এক শৰণ নাম ধৰ্ম্মত শৰণ কৰাই যজুৰ্ব্বেদৰ শব্দ ব্ৰহ্মৰ ঠাইত অক্ষৰ ব্ৰহ্মৰ নামেৰে নামাকৰণ কৰিলে। অৰ্থাৎ — "নো" ঋগো যজুৰো "ৰা" পি, মুনিয়ো ৱদন্তি "নাৰায়ণ" ইতি স্মৃতা।। যজুৰ্ব্বেদৰ ৰা অক্ষৰেৰে নামাকৰণ কৰিলে- যেনে ৰামৰামগুৰু, ৰাঘৱানন্দ, ৰামসৰস্বতী, ৰত্নাকৰ কন্দলি, ৰত্নভাৰতী, ইত্যাদি। লাহে লাহে গুণীৰ গুণ ল'ব পৰা, বুজিব পৰা, কৃতজ্ঞতা স্বীকাৰ কৰা পণ্ডিতসকলক বিশ্বব্ৰহ্মাণ্ড গোটেইখন নিজৰ শৰণৰ ভিতৰতে দেখুৱাই দিলে।

"মহন্তৰ মুখে কথা শুনা প্ৰথমত।
তেৱেসে পুৰুষে পাই ভকতিৰ তত্ত্ব।।"

পুৰুষোত্তমৰ প্ৰেম ভকতি সুখক মাত্ৰ
নিশ্চয় কৰিল যিটো জন।
শৰণ কালৰ পৰা বিধিৰ কিঙ্কৰ গুছি
কৰে সদা শ্ৰৱণ কীৰ্ত্তন।"

এই এক শৰণ ধৰ্ম্মৰ ভিতৰত আৰু এক নামৰ ভিতৰত গোটেই বিশ্ব ব্ৰহ্মাণ্ড সোমাই আছে। বৰগছৰ গুটি এটি চকুৰে মণিবলৈকে টান; তথাপি সেই গুটিটোৰ ভিতৰতে প্ৰকাণ্ড বৰগছ এজোপা সোমাই থাকে। আৰু এই এক নামৰ মহাত্ম্য যি এবাৰ সত্যৰ সোৱাদ লৈ থৈছে সিহে অনুভৱ কৰিব পাৰিব। ই ছাঁয়াবাজি নহয়; যাদুমন্ত্ৰ নহয়; হৰা কৰমা নহয়; সাপ নছুৱা মন্ত্ৰ নহয়; ইয়াক পণ্ডিতে আচৰণ কৰোঁতে নিজকে নিজে পাহৰিব। ৰজাই আচৰণ কৰিলে সন্ন্যাসী হ'ব। যোগী সন্ন্যাসীয়ে আচৰণ কৰিলে গৃহস্থী হ'ব। মূৰ্খই আচৰণ কৰিলে মহন্ত হ'ব। ই মানুহক ঈশ্বৰ মূৰ্ত্তি কৰি তুলিব। ইয়াক আচৰণ, বিদ্যা বুদ্ধি নথকা অগাধ পাষণ্ড মূৰ্খয়ো কৰিব পাৰিব। ইয়াৰ মহাত্ম্য নুবুজিলেও সি গুণ নিদিয়াকৈ নাথাকে। যেনেকৈ এটা মানুহক ফেটি সাপে খালে; এঘৰত এখন পুথিত মন্ত্ৰ লেখা আছে; এটা মানুহে আখৰ চিনি পায়; এটা মানুহে সেই পুথিখনৰ মন্ত্ৰেৰে জৰালেই ভাল হ'ব বুলি জানে, কিন্তু মন্ত্ৰৰ বিশেষ অৰ্থ সাপেও নাজানে, যাক খাইছে সিও নাজানে, যাৰ পুথি সিও নেজানে, যি জনে জাৰিছে সিও নেজানে, তথাপি তাৰ বিষ ননমাকৈ নেথাকে; কাৰণ সেই মন্ত্ৰৰ অৰ্থ বিষটোৱে জানে। সেই দৰেই এই ঘোৰ কলিত লোকসকলৰ নিয়ম সংযম আচাৰ ব্যৱহাৰ একো ঠিক নেথাকিব, সদাই পাষণ্ড আচাৰ হ'ব, কলিৰ কস্মষত মগ্ন হ'ব, তেতিয়া এই নামৰ বাহিৰে কোনো উপায়েৰেই মানুহৰ গতি নহ'ব। এই এক নামৰ মাহাত্ম্যৰে—

"কলিত কেৱল কীৰ্ত্তন কৰি।
বন্ধচিণ্ডি হোৱে আপুনি হৰি।।"

"সেই এক শৰণ ভজন অনুপাম।
নুশুনিব অন্য একো দেৱতাৰ নাম।।"

"এক কৃষ্ণ দেৱ কৰিয়োক সেৱ
ধৰিয়ো তাহান নাম।
কৃষ্ণ দাস হুয়া প্ৰসাদ ভুঞ্জিয়া
হুস্তে কৰা তান কাম।।"

এই এক শৰণ ধৰ্ম্মই মানুহৰ স্বকায় অন্ত কৰিব। দেৱত্ব শক্তি লাভ কৰি দেৱতাৰ কায় কৰিব। স্ব কুল স্ব জাতৰ পৰা আঁতৰ কৰি ভাগৱত ভগৱন্ত ভকত একে জাতৰ কৰিব।

# অষ্টম অধ্যায়

## বৰদোৱা পৰিত্যাগ

শঙ্কৰদেৱে ধৰ্ম্ম প্ৰচাৰ কৰাৰ পৰা গঁএগ্ৰা-ভূএগ্ৰা সকলোবোৰৰ আনন্দ উৎসৱৰ সীমা নোহোৱা হ'ল। এটা নতুন পন্থা প্ৰকাশ হ'বৰ সময়ত অলপ নহয় অলপ দলাদলি হোৱাৰ নিয়ম সদাই আছেই। এদলৰ আনন্দই হিয়াত নধৰা হৈ থৌকি বাথৌকি কৈ উথলি পৰে। আন এদলৰ ভয়ে হিংসাই খঙ্গে অধীৰ হৈ নকৰিব লগিয়া কামো কৰিব লগাত পৰে। এই নতুন ধৰ্ম্মধাৰীসকলৰ উৎসৱবোৰ যিমান বেচি হ'ল, সিমান অমঙ্গলৰো মূল হ'ল। এই বামুণগাৱঁৰ মানুহ প্ৰায়বিলাকেই ভকতীয়া হ'ল যদিও তল খুচুৰীয়া মানুহ বহুত অভকতিয়া হৈ থাকিল। সিহঁতৰ কোনো মূৰজিলিকা জনা শুনা পণ্ডিত ভাৱৰ মানুহ নাছিল; গতিকে দেখাদেখিকৈ কোনেও কাকো একো কৰিব নোৱাৰিলে যদিও দিনে ৰাতিয়ে সেই হিংসাবৃত্তি পুহি আছিল। সুবিধা পালে অলপ নহয় অলপ হিংসা কৰেই। এওঁ বিলাকে নিজৰ জাতিৰ ভাল মানুহ কিজনো সেই পথৰ পথিক হোৱাত অকল শূদিৰবোৰকে নহয়, বামুণ-শূদিৰ এটাইবোৰক এপালি দিবৰ মনেৰে আশে পাশে থকা লালুঙ্গ-কছাৰি গাৱঁৰ প্ৰায়বিলাক মানুহকে তলে তলে তেওঁবিলাকৰ তলতীয়া কৰিলে। লাহে লহে এই আলচ ডাঙৰ হৈ চাৰিও ফালৰ পৰা লালুং কছাৰিৰ উপদ্ৰৱ বেচি হ'বলৈ ধৰিলে। ক্ৰমাগত এই উপদ্ৰৱ ইমান বেচি হ'ল, তাত গাৱঁৰ মানুহৰ দুটা এটা মানুহ অকলৈ ফুৰাচকা আৰু নিচিন্ত মনেৰে ৰাতি শোৱা-খোৱাই টান হৈ পৰিছিল। শেষত এদিন সকলোখিনি মানুহ গোট খাই সমাজ বহিল। সকলোৱে অনেক বুদ্ধিও উলিয়ালে, অনেক বুদ্ধিমতে কাম কৰিও চালে, কিছুমান লালুং কছাৰি মৰাও পৰিল। শেষত এদিন শঙ্কৰদেৱে সকলোকে গোটাই ক'লে আমি এই ঠাই এৰি আন ঠাইলৈ যোৱাৰ বাজে কোনো ভাল উপায় নাই। আছে কিছুমান মানুহ মাৰিবৰ উপায়; কিন্তু এনে পশুৰ লগৰ মানুহ মাৰি বল দেখুওৱা, বুদ্ধি দেখুওৱা আনন্দ কৰাতকৈ নিজেই সিহঁতৰ হাতত মৰাহে ভাল। বিনা দোষত মানুহ মাৰিব পশুৱেও পাৰে, কিন্তু সত্য কথাত ধৰ্ম্ম ৰক্ষা কৰাত প্ৰাণ দিবলৈ প্ৰকৃত মানুহৰ বাজে আনে নোৱাৰে। তদুপৰি শাস্ত্ৰমতেও জ্ঞানী বা ধৰ্ম্ম পথ অৱলম্বন কৰি মানুহৰ পক্ষে গএগ্ৰা ভূএগ্ৰা মানুহৰ যদি এনে ভাৱ হয়, তেন্তে সেই থল এৰাই ভাল।

নীতি শাস্ত্ৰত কৈছে—

"চেদংচন্দনচ্যুত চম্পকৱনং ৰক্ষাচ্ছ সাকোতকে।
হিংসা হংস ময়ূৰ কোকিল গণাঃ কাকস্য বহ্বাদৰে।।
মাতঙ্গে তৰঙ্গে খৰেচ সমতা কৰ্পূৰ কাৰ্পাশয়ো।
এষাং যত্ৰ ৱিচাৰণাং গুণিগণো দেশায় তস্মৈনমঃ।।"

চন্দন, তিতাচেপা হেন গছ কাটি মৰাগছ ৰোৱে, ৰাজহাঁহ ম'ৰা আৰু কুলি চৰাইক হিংসা কৰি কাউৰীক মৰম কৰে; হাতী, ঘোড়া, গাধা তিনিওকো সমান জ্ঞান কৰে, কৰ্পূৰ আৰু কপাহক সমান ভাৱ কৰে, এনে দেশক গুণি-জ্ঞানীসকলে দূৰৈতে নমস্কাৰ কৰি গুছি যায়। মোৰ মনেৰে ঈশ্বৰে আমাক অনুগ্ৰহহে কৰিছে।

ৰজা বলীয়ে বটুক কৈছিল—

"শ্ৰী নষ্ট কৰি কিনো মিলাইলা আহ্লাদ।
বান্ধ নোহে ইটো মোৰ পৰম প্ৰসাদ।।"

আমি নিচেষ্ট হৈ বহি থাকিলে আমাৰ সিমান পূৰা কাম নহয়। আৰু চাওক, দুষ্টক দেখিলে দূৰ হ'ব লাগে, ভয় কৰিব লাগে, কিন্তু ভক্তি কৰিব নেলাগে। বাঘলৈ মানুহে ভয় কৰে, সেই কাৰণে তাৰ মঙ্গহহে নেলাগে গাখীৰকো নাখায়। গৰুলৈ ভয় নকৰে, কিন্তু ভক্তি ইমানকৈ কৰে, তাৰ গাখীৰহে নালাগে বিষ্ঠা মূত্ৰও খায়। এতিয়া আমি কেৱল দুষ্টৰ ভয়ত পলাব লাগে সেয়ে নহয়; আগেয়ে সত্যতা, সহিষ্ণুতা অহিংসা ত্যাগ কৰিবলৈ শিকিব নোৱাৰিলে জন্মভূমিক মহা পাপৰ পৰা মুক্ত কৰিব নোৱাৰিম। এনে দুৰ্ঘোৰ মহাপাপ প্ৰাণীৰ হিংসা, চকুৰ আগতে দেখিও যদি উদ্ধাৰৰ উপায় কৰা নহয়, তেন্তে তাৰ জন্মই বৃথা। মহাৰাজ হৰিশ্চন্দ্ৰই মহাপাপ আঁতৰাবৰ কাৰণে ৰাজ্য ত্যাগ, সত্য ৰক্ষা কৰিবৰ কাৰণে ভাৰ্য্যা-পুত্ৰ বেচি, ধৰ্ম্ম উদ্ধাৰৰ নিমিত্তে চাণ্ডালৰ ঘৰত বন্দীও সোমাইছিলগৈ। শ্ৰীৰামচন্দ্ৰই সত্য ৰক্ষাৰ অৰ্থে ৰাজ্য ত্যাগ, ধৰ্ম্ম ৰক্ষাৰ নিমিত্তে ১৪ বছৰ বনবাস, মহাপাপ আঁতৰাবৰ কাৰণে লঙ্কাত যুদ্ধ কৰিছিলগৈ। শ্ৰীকৃষ্ণ ভগৱন্তই দুষ্টক দমন কৰিবলৈ, সন্তক পালন কৰিবলৈ, ধৰ্ম্ম-পথ স্থাপন কৰিবলৈ, জন্ম হৈয়েই নিজৰ ঘৰ, বন্ধু-বৰ্গ, পিতৃ-মাতৃ, জ্ঞাতি-কুটুম্ব সকলো ত্যাগ কৰি লোকৰ ঘৰত গৈ গৰু ৰাখি ভাত খাইছিলগৈ। ধৰ্ম্মৰাজ যুধিষ্ঠিৰে জন্ম ভূমিৰ অধৰ্ম্মৰ অত্যাচাৰ গুচাবৰ কাৰণে ২৫ বছৰ কাল প্ৰবাস খাটি ফুৰিছিল গৈ। এতেকে যেই কামতে মানুহে হাত দিয়ক, যেই কামকে কৰিবলৈ আগ বাঢ়ক, মূলতে ত্যাগ। এতিয়া আমি মান-মৰ্য্যাদা, ঘৰ-দুৱাৰ, মাটি-বাৰী, ল'ৰা-তিৰুতা, আনকি আৱশ্যক হ'লে শৰীৰকো ত্যাগ কৰিবলৈ সাজু হ'ব লাগিব; তেহে আমাৰ কাৰ্য্য যুগমীয়াকৈ ৰাখিব পাৰিম। কেৱল আমি একাগ্ৰ হ'ব লাগিব। অৰ্জ্জুনে

লক্ষ্যভেদ কৰাৰ দৰে এটা কথালৈ চকু ৰাখি কাম কৰিব লাগিব। আমাক লাগে সত্য, আমাক লাগে ধৰ্ম্ম, আমাক লাগে সৎসঙ্গ। এয়ে আমাৰ শেষ উদ্দেশ্য।

ঈশ্বৰৰ মুখৰ বাক্যে শ্ৰীমদ্ভাগৱত শাস্ত্ৰয়ো ইয়াকে কয়—

"ৱিৰোধিকা ভক্তিপথে যদিস্যাৎ পিতা পতিম্বা গুৰু অগ্ৰজোৱা।
তথাপি ত্যজ্যো ভগৱৎজনানাং চত্বা মত্ত্বয়া নতুৱালীসানাং।।
প্ৰহ্লাদেন পিতাত্যক্তা মাতাশ্চ ভৰতেনহি
ৱলীনাত্যক্তমাচাৰ্য্যং ৱিদুৰেণস্ববান্ধৱাঃ।।
গোপ গোপী পতিংহিত্বা গোবিন্দ শৰণং গতঃ।।

অৰ্থাৎ— গুৰু ত্যাগ কৰিল বিৰোচনেৰ নন্দন।
ভাই ত্যাগ কৰিল ৰাক্ষস বিভীষণ।।
প্ৰহ্লাদে কৰিল ত্যাগ আপোনাৰ পিতা।
ভগৱান ভৰতে ত্যজিল নিজ মাতা।।
বিদুৰে কৰিল ত্যাগ নিজ জ্ঞাতিগণ।
শুনা সাৱধানে এই শাস্ত্ৰৰ বচন।।
গোপীগণে স্বামীত্যজা ভাগৱতে শুনি।
সৰ্ব্বদেৱ ত্যাগ কৈলা ভৃগু আদি মুনি।।

শাস্ত্ৰতো এনে সন্মত আছে যেতিয়া আমি "স্থান ত্যাগেন দুৰ্জ্জনঃ" তাতকৈ, আন কোন ভাল উপায় নাই। এই শাস্ত্ৰৰ বচন, ঈশ্বৰৰ মুখৰ বাক্যবোৰ ফেটি সাপৰ মন্ত্ৰ নহয়, তাক গাই দিলেই বিষ নামি আহিব; মাৰণ জাৰণ মন্ত্ৰ নহয়, মাৰো বুলি মাৰিব, জীয়াওঁ বুলি জীয়াবলৈ। ইয়াক প্ৰথমে নিজে আচৰণ কৰিব লাগিব। দ্বিতীয়ত লোকক আচৰণ কৰাব লাগিব। গতিকে কওঁ বৈষ্ণৱসকল, আমি বৰদোৱা এৰি উজনি ৰাজ্যলৈ গ'লে ৰজা ও ৰাজমন্ত্ৰিসকলৰ সহায় পাম, তাত ধৰ্ম্ম প্ৰচাৰ কৰি প্ৰজাক সত্য পথ দেখুৱাওঁ গৈ।

শঙ্কৰদেৱৰ এই যুক্তিসিদ্ধ কথা শুনি সকলো সেই কথাতে মান্তি হৈ ৰামৰাম গুৰু, কৰ্ণপূৰ, চতুৰ্ভুজ, অনন্ত কন্দলী আদি মহা পণ্ডিতসকল প্ৰধান কায়স্থ কিজনে সৈতে, তলে পুতল কৰোতা পায়স ভোজী বনৰ ৰজা লালুং কছাৰি ও অভকতিয়া বামুণ কলিতা যিবোৰ আছিল এটাইবোৰক বৰদোৱাত এৰি থৈ চিৰকালৰ নিমিত্তে বৰদোৱা পৰিত্যাগ কৰি উজনি ৰাজ্যলৈ গুছি গ'ল।

-সমাপ্ত-